৪ৰ্থ সংখ্যা ঃ ৮ মাৰ্চ, ২০১৯

# ঈক্ষা

# Eeksha



TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

## মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ

তিনিচুকীয়া মহাবিদ্যালয়

সম্পাদক - ড° দীপিকা ভট্টাচাৰ্য

# Balance for Better



প্ৰাক্তন উপাধ্যক্ষ ড° অপূৰ্ব ভাস্কৰ গগৈদেৱৰ বিদায় সম্বৰ্দ্ধনা



প্ৰাক্তন উপাধ্যক্ষ তথা মহিলা অধ্যয়ন আৰু
উন্নয়ন কোষৰ সমন্বয়ক
শ্ৰীযুতা অন্‌জনা গোস্বামী বাইদেউলৈ বিদায় সম্বৰ্দ্ধনা



প্ৰাক্তন উপাধ্যক্ষ শ্ৰীযুত অঞ্জন বৰঠাকুৰদেৱলৈ বিদায় সম্বৰ্দ্ধনা



প্ৰাক্তন অধ্যক্ষ ড° ভুবন গগৈদেৱলৈ বিদায় সম্বৰ্দ্ধনা

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# ঈক্ষা
## *Eeksha*

৪ৰ্থ সংখ্যা ঃ ৮ মাৰ্চ, ২০১৯

## মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ

তিনিচুকীয়া মহাবিদ্যালয়

# ঈক্ষা

তিনিচুকীয়া মহাবিদ্যালয়ৰ IQACৰ আংশিক অৰ্থসাহায্যত 'মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ'ৰ দ্বাৰা প্ৰকাশিত দ্বি-ভাষিক আলোচনী।

পৃষ্ঠপোষক : শ্ৰীযুত ৰাণা কুমাৰ চাংমাই
ভাৰপ্ৰাপ্ত অধ্যক্ষ, তিনিচুকীয়া মহাবিদ্যালয়।

উপদেষ্টা : অনুজনা গোস্বামী
ড° বন্দনা পূজাৰী
সমন্বয়ক, মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ।
ড° ৰশ্মি দত্ত

সম্পাদক : ড° দীপিকা ভট্টাচাৰ্য

সদস্য : অঞ্জলী বৰুৱা
ড° মীনাক্ষী চমুৱা
তুলিকা দাস
চুনী দাস

বেটুপাত : চাবানা বেগম

মূল্য : ৫০.০০ টকা

মুদ্ৰণ : অসম এণ্টাৰপ্ৰাইজেজ্
কলেজ পথ, পৰ্বতীয়া
তিনিচুকীয়া

প্ৰবন্ধসমূহত প্ৰকাশিত মন্তব্যৰ বাবে সম্পাদনা সমিতি জগৰীয়া নহয়।

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

## উচৰ্গা

পুলৱামাত সন্ত্ৰাসবাদীৰ আক্ৰমণত
নিহত কেন্দ্ৰীয় সংৰক্ষিত বাহিনীৰ জোৱানসকলৰ
পৱিত্ৰ স্মৃতিত 'ঈক্ষা'ৰ এই সংখ্যাটো
উৎসৰ্গা কৰা হ'ল।

OFFICE OF THE PRINCIPAL

Ph. : 0374-2338340

# TINSUKIA COLLEGE

TINSUKIA - 786 125 (ASSAM)

Estd. : 1956

Website : www.tinsukiacollege.com

E-mail : principaltinsukiacollege@rediffmail.com

Ref. No. T/C.........................

Date.6-03-2019

## শুভেচ্ছাবাণী



প্ৰতি,

সম্পাদক, 'ঈক্ষা'

মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ

তিনিচুকীয়া মহাবিদ্যালয়, তিনিচুকীয়া

তিনিচুকীয়া মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন আৰু উন্নয়ন কোষে চতুৰ্থ সংখ্যা ঈক্ষা প্ৰকাশৰ কাৰণে আগবাঢ়িছে। আমাৰ মহাবিদ্যালয়ৰ বৌদ্ধিক চৰ্চা আৰু বিকাশৰ ক্ষেত্ৰত এই আলোচনীখনে এটি উল্লেখনীয় ভূমিকা পালন কৰি আহিছে। আমাৰ বহুধা বিভক্ত সমাজখনৰ সীমাহীন সমস্যা আৰু সংঘাতৰ মাজত নাৰী সমাজে মুখামুখি হোৱা বিভিন্ন সমস্যাক আমি কেতিয়াও আওকাণ কৰিব নোৱাৰো। সেইবাবেই ভাৰতবৰ্ষতো নাৰীবাদ কেৱল এটা আন্দোলনেই হৈ থকা নাই, ই সমাজক জোকাৰি যোৱা এটা পৰিঘটনালৈ পৰ্যবসিত হৈছে। সকলো স্তৰৰ বিচাৰ-বুদ্ধিসম্পন্ন মানুহে নাৰী সমাজৰ সমস্যা আৰু সংঘাতসমূহক সামাজিক সমস্যা হিচাপে বিবেচনা কৰিছে। তিনিচুকীয়া কলেজৰ মহিলা অধ্যয়ন আৰু উন্নয়ন কোষে ভালেমান আৰ্থ-সামাজিক আৰু সাংস্কৃতিক ৰূপায়ণৰ জৰিয়তে আমাৰ সামগ্ৰিক সমাজখনৰ বাবে উল্লেখনীয় অৰিহণা আগবঢ়াইছে। আমি এইসমূহ উদ্যোগৰ আন্তৰিকতাৰে শলাগ লৈছো আৰু আগন্তুক আন্তৰ্জাতিক নাৰী দিৱস উপলক্ষে প্ৰকাশ কৰা 'ঈক্ষা'ই নতুন দিশৰ উন্মোচন কৰিব বুলি আশাবাদী।

ৰাণা কুমাৰ চাংমাই

ভাৰপ্ৰাপ্ত অধ্যক্ষ

তিনিচুকীয়া মহাবিদ্যালয়

TINSUKIA COLLEGE LIBRARY ESTD 1956 TINSUKIA, ASSAM

# তিনিচুকীয়া মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন আৰু উন্নয়ন কোষৰ সমন্বয়কৰ দু-আষাৰ



প্ৰতি বছৰৰ দৰে এইবাৰো সমগ্ৰ বিশ্বই ৮ মাৰ্চত আন্তৰ্জাতিক নাৰী দিৱস পালন কৰিব। এইবাৰৰ আন্তৰ্জাতিক নাৰী দিৱসৰ মূল বিষয়বস্তু হৈছে Balance for Better অৰ্থাৎ নাৰী পুৰুষ উভয়ৰে মাজৰ সামাজিক সমতা; আজিৰ যুগৰ নাৰীয়ে সকলো পৰিস্থিতিতে নিজক জড়িত কৰি সামাজিক সমস্যা তথা কৰ্তব্য সমাধানত অংশীদাৰ হোৱাৰ বাবে আগ্ৰহী। এখন সমাজ সুস্থভাৱে গঠন হয় নাৰী আৰু পুৰুষৰ যুটীয়া প্ৰচেষ্টাতহে। সমাজত আজিও লুকাই থকা অপশক্তিসমূহক পুলিয়ে-পোখাই উভালি এখন অন্ধবিশ্বাস মুক্ত সমাজ গঢ়ি তোলাৰ বাবে পুৰুষ আৰু নাৰীৰ মাজত থকা সকলো বিভেদকামী শক্তিক বিনাশ কৰাৰ সময় আহি পৰিছে। নাৰীৰ প্ৰতি সততে যিবোৰ ধাৰণা সৰ্বসাধাৰণ মানুহে নিজৰ মনৰ মাজত পুহি ৰাখে সেইবোৰ হৈছে নাৰী সমতাময়ী, কৰুণাময়ী, ধৈৰ্য্যশীল; কিন্তু নাৰীৰ এই ৰূপৰ অন্তৰালত আন এক ৰূপ লুকাই আছে যাক পৰিস্থিতিয়েহে জাগ্ৰত কৰি তোলে — কঠিন পৰিস্থিতিৰ মোকাবিলা কৰাৰ বাবে এগৰাকী নাৰী হৈ পৰিব পাৰে বজ্ৰ কঠিন, ৰণচণ্ডী। এই প্ৰসংগত Eleanor Rosevelt ৰ কথাষাৰে মনত বাৰে বাৰে খুন্দিয়াইছে, "A woman is like a tea bag, you never know how strong she is until she gets in hot water." ভাৰতবৰ্ষৰ নিচিনা দেশত নাৰীক এফালে দেৱীৰ আসনত বহুৱাই পূজা কৰা হয়; আনহাতে কোনো কোনো সময়ত উৎপীড়নৰ দ্বাৰা নাৰীৰ মৰ্যাদাক ভূলুণ্ঠিতও কৰা হয়। আন্তৰ্জাতিক নাৰী দিৱসৰ প্ৰাক্‌ক্ষণত আমি এই কথা উপলব্ধি কৰা উচিত যে অন্ধবিশ্বাস, কু-সংস্কাৰে আবৰি থকা সমাজখনত প্ৰচলিত থকা পুৰুষ-নাৰীৰ লিংগভিত্তিক বৈষম্যমূলক আচৰণৰ পৰা নৱপ্ৰজন্মক মুক্ত কৰি এখন সুস্থ সমাজ গঢ়াৰ বাবে আমি সকলো দায়বদ্ধ।

চতুৰ্থ সংখ্যা 'ঈক্ষা' আপোনালোকৰ হাতত অৰ্পণ কৰিবলৈ পাই আমি অত্যন্ত গৌৰৱবোধ কৰিছোঁ। তিনিচুকীয়া মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন আৰু উন্নয়ন কোষৰ বাৰ্ষিক আলোচনী 'ঈক্ষা'ই প্ৰতিটো সংখ্যাতে সমাজৰ বাবে এটা বিশেষ বাৰ্তা আগবঢ়াই আহিছে। এইবাৰৰ 'ঈক্ষা'ইও আপোনালোকৰ মানসিক জগতত ৰেখাপাত কৰিব পৰা নানা তত্ত্বগধুৰ অথচ বাস্তৱ ধাৰণাভিত্তিক লেখনি লৈ প্ৰকাশৰ বাবে আগবাঢ়িছে। আশা ৰাখিছো আপোনালোকে 'ঈক্ষা'ক অন্তৰেৰে আদৰি ল'ব। 'ঈক্ষা'ই লিপিবদ্ধ কৰি আনা বাৰ্তাসমূহক আমি যদি আপোনালোকৰ জৰিয়তে বাস্তৱত ৰূপায়িত কৰাত কিঞ্চিৎ হ'লেও সাৰ্থক হওঁ তেতিয়াহে আমাৰ শ্ৰমৰ মূল্য পোৱা যেন লাগিব।

সদৌ শেষত তিনিচুকীয়া মহাবিদ্যালয়ৰ মহিলা অধ্যয়ন আৰু উন্নয়ন কোষৰ সমূহ সদস্যবৃন্দ, অধ্যক্ষ মহোদয় তথা IQACৰ সমূহ কৰ্মকৰ্তালৈ তেখেতসকলৰ বহুমূলীয়া লেখনিয়ে 'ঈক্ষা'ক সজাই তুলিলে সেইসকললৈও ধন্যবাদ জনালোঁ। 'ঈক্ষা'ৰ সম্পাদিকা ড° দীপিকা ভট্টাচাৰ্য্য তথা সম্পাদনা সমিতিৰ নিৰলস প্ৰচেষ্টাতহে 'ঈক্ষা'ক পঢ়ুৱৈ সমাজলৈ আগবঢ়াই দিয়াতো সম্ভৱপৰ হৈছে; তেখেতসকললৈ মহিলা কোষৰ সমন্বয়কৰূপে মোৰ আন্তৰিক ধন্যবাদ জনালোঁ। আৰ্থিক সহায়েৰেও 'ঈক্ষা'ক প্ৰকাশৰ মুখ দেখাত সহায়ৰ হাত আগবঢ়োৱাত IQACক বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

'ঈক্ষা'ৰ উত্তৰোত্তৰ উন্নতি কামনাৰে —

ড° বন্দনা পূজাৰী

সমন্বয়ক

মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ

তিনিচুকীয়া মহাবিদ্যালয়, তিনিচুকীয়া

# সম্পাদকীয়



প্ৰতিবছৰে ৮ মাৰ্চৰ দিনটো আন্তৰ্জাতিক নাৰী দিৱস হিচাপে উদ্‌যাপন কৰা হয়। আন্তৰ্জাতিক নাৰী দিৱস কেৱল মহিলাসকলে উদ্‌যাপন কৰিবলগীয়া দিন নহয়। প্ৰতি বছৰে এই দিনটোৱে প্ৰকৃততে সমাজৰ নাৰী-পুৰুষ নিৰ্বিশেষে সকলোকে জোকাৰি দিয়ে- লিঙ্গসাম্যৰ বাবে আমাৰ চেতনাক জাগ্ৰত কৰিবৰ কাৰণে।

যুগ যুগ ধৰি পৃথিৱীৰ দাৰ্শনিক আৰু সমাজ সংস্কাৰকসকলে সুস্থ সমাজ গঠনৰ বাবে নাৰী-পুৰুষৰ সমঅধিকাৰ আৰু সমমৰ্যাদাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰি আহিছে। গ্ৰীক দাৰ্শনিক প্লেটোৱে নাৰী-পুৰুষৰ সমমৰ্যাদাৰ সপক্ষে মত পোষণ কৰিছিল। একে ধৰণে ঊনবিংশ শতাব্দীত ৰামমোহন ৰয়, ঈশ্বৰচন্দ্ৰ বিদ্যাসাগৰৰ নিচিনা সমাজ সংস্কাৰকসকলে বিধবা বিবাহ অথবা স্ত্ৰী শিক্ষাৰ প্ৰসাৰৰ বাবে অহোপুৰুষাৰ্থ কৰিছিল। মুঠতে যোৱা এশ বছৰৰো অধিক কাল ধৰি নাৰী-পুৰুষৰ সমান অধিকাৰ প্ৰতিষ্ঠাৰ কাৰণে বিশ্বৰ বিভিন্ন প্ৰান্তত অনেক আন্দোলন হৈছে। হয়তো তাৰেই ফলশ্ৰুতিত আজি বিজ্ঞান, প্ৰযুক্তি, সাহিত্য, শিল্পকলা, সামৰিক আৰু অসামৰিক প্ৰতিটো ক্ষেত্ৰত নাৰীসকলে উল্লেখযোগ্য দক্ষতা প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে। তথাপি আমি এতিয়াও ঈপ্সিত লক্ষ্যৰ পৰা সহস্ৰ যোজন দূৰত অৱস্থান কৰি আছোঁ। এমুঠিমান মহিলাক বাদ দি [illegible]ৰ গৰিষ্ঠ সংখ্যক মহিলা আজিও অৱহেলিত আৰু নিৰ্যাতিত হৈ জীৱন যাপন কৰিবলৈ বাধ্য হৈ আছে। তাৰেই প্ৰতিফলন আমি দেখিবলৈ পাওঁ যে একবিংশ শতাব্দীৰ প্ৰায় দুটা দশক অতিক্ৰান্ত হোৱাৰ সময়[illegible] আন্তৰ্জাতিক নাৰী দিৱস,২০১৯ৰ মূল বিষয় (Theme) হৈছে 'Balance for Better'! বিশ্বৰ সভ্য মানৱ সমাজৰ কাৰণেই ই অত্যন্ত লজ্জাজনক।

নাৰী-পুৰুষৰ ভাৰসাম্য প্ৰতিটো ক্ষেত্ৰতেই অপৰিহাৰ্য। চৰকাৰ, গণমাধ্যম, ক্ৰীড়াক্ষেত্ৰ, সম্পত্তি, ব্যৱসায়, শ্ৰমশক্তি, অৰ্থনৈতিক ক্ষেত্ৰ বা সামাজিক [illegible]-প্ৰতিটো ক্ষেত্ৰতেই লিঙ্গসমতা বৰ্ত্তি থকাটো এটা জাতিৰ সাৰ্বিক উন্নয়নৰ চাবিকাঠী। কিন্তু আজিও প্ৰতিটো ক্ষেত্ৰতেই ভাৰসাম্যহীনতাৰ ছবি আমি দেখিবলৈ পাওঁ।

যিহেতু পৰিয়াল হ'ল সমাজৰ ভেটি, গতিকে পৰিয়[illegible] লিঙ্গসমতা বজাই ৰাখিব পাৰিলে সমাজত ভাৰসাম্য স্থাপনত সুবিধা হয়। যি পৰিয়ালত নাৰী আৰু পুৰু[illegible]মমৰ্যাদাৰে সৈতে সহাৱস্থান কৰে অৰ্থাৎ পৰিয়ালৰ যিকোনো সিদ্ধান্ত নাৰী আৰু পুৰুষে যৌথভাবে লয়, সেই পৰিয়ালৰ সন্তানৰ মানসিকতা সুস্থভাৱে বিকশিত হয়। সমীক্ষাত প্ৰকাশ যে পৰিয়ালত মহিলা[illegible] সন্মানজনক অৱস্থানৰ বাবে তেওঁলোক অৰ্থনৈতিকভাৱে স্বাৱলম্বী হোৱাটো প্ৰয়োজন। মহিলাক কেৱলমাত্ৰ গোটেই পৰিয়ালৰ তত্বাৱধায়ক আৰু শুশ্ৰূষাকাৰী হিচাপে চোৱাৰ প্ৰৱণতা সমাজত বিদ্যমান। ঘৰুৱা সকলো কাম বিনা পাৰিশ্ৰমিকত কৰা সত্ত্বেও গৃহবধুসকলৰ কিন্তু পৰিয়ালত মৰ্যাদাপূৰ্ণ অৱস্থান আমি সাধাৰণতে দেখিবলৈ নাপাওঁ। বৰঞ্চ কৰ্মৰত মহিলাৰ মতামতে সাংসাৰিক বিষয়ত অধিক গুৰুত্ব লাভ কৰা দেখা যায়। মহিলাসকল অৰ্থনৈতিকভাৱে স্বাৱলম্বী হ'লে স্বাভাৱিক কাৰণেই আত্মবিশ্বাসী আৰু ব্যক্তিত্বসম্পন্ন হোৱাত সহায়ক হয়। সাম্প্ৰতিক সময়ত ভাৰতীয় অৰ্থনীতি সম্বন্ধীয় দুখন প্ৰতিবেদন বিশেষভাৱে চৰ্চিত হৈছে। তাৰে এখন হ'ল 'এন ইকনমিক ষ্ট্ৰাটেজি ফৰ ইণ্ডিয়া' আৰু আনখন হ'ল 'ষ্ট্ৰাটেজি ফৰ নিউ ইণ্ডিয়া @75'। দুয়োখন প্ৰতিবেদনেই মহিলাৰ শ্ৰমশক্তিত যোগদান দেশৰ আৰ্থ-সামাজিক উন্নয়নৰ বাবে অপৰিহাৰ্য বুলি প্ৰকাশ কৰে। লক্ষনীয়ভাৱে সংগঠিত আৰু অসংগঠিত ক্ষেত্ৰত মুঠতে ভাৰতীয় মহিলাৰ কেৱল ২৭ শতাংশ কৰ্মৰত, বিপৰীতে ভাৰতীয় পুৰুষৰ ৭৯ শতাংশ শ্ৰমশক্তিত নিয়োজিত। পৰিয়াল আৰু সন্তানৰ প্ৰতি যথাযোগ্য মনোযোগৰ অভাৱ হোৱাৰ সম্ভাৱনাৰ কাৰণেই প্ৰধানতঃ মহিলাসকলক চাকৰি কৰিবলৈ দিয়া নহয়। প্ৰকৃতপক্ষে এই এটা উদাহৰণেই ভাৰতীয় সমাজত লিঙ্গবৈষম্যৰ প্ৰতিচ্ছবি দাঙি ধৰিবলৈ যথেষ্ট। লিঙ্গবৈষম্যৰ প্ৰকৃত কাৰণবোৰ অনুসন্ধান কৰি উপযুক্ত বিশ্লেষণৰ দ্বাৰা অনতিবিলম্বে প্ৰতিকাৰৰ ব্যৱস্থা নল'লে পৰিস্থিতি অপৰিবৰ্তিত হৈ থাকিব। নাৰী আৰু পুৰুষ উভয়েই উপলব্ধি কৰিব লাগিব যে লিঙ্গসমতা কেৱল নাৰীৰ কাৰণে প্ৰয়োজনীয় নহয়, প্ৰকৃতপক্ষে প্ৰতেক নাগৰিকৰ বাবেই ই লাভজনক।

এই সংখ্যা 'ঈক্ষা'ত প্ৰকাশৰ বাবে যি সকলে প্ৰবন্ধ দি সহায় কৰিলে তেখেতসকললৈ আমাৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে সতে দিহা-পৰামৰ্শ দি সহায় কৰা মাননীয় প্ৰাক্তন উপাধ্যক্ষ শ্ৰীযুতা অঞ্জনা গোস্বামী বাইদেউৰো শলাগ ল'লোঁ। 'ঈক্ষা'ৰ প্ৰকাশৰ ক্ষেত্ৰত আমাক উৎসাহ দি উপকৃত কৰা আমাৰ ভাৱপ্ৰাপ্ত অধ্যক্ষ শ্ৰীযুত ৰাণা কুমাৰ চাংমাইদেৱক আৰু এই সংখ্যাটি প্ৰকাশৰ বাবদ আংশিক অৰ্থসাহায্য আগবঢ়াই আমাক সহায় কৰাৰ বাবে মহাবিদ্যালয়ৰ আভ্যন্তৰীন মান নিশ্চিত কৰণ কোষ (IQAC)লৈ ধন্যবাদ জনালোঁ। আলোচনীখন সময়মতে প্ৰকাশ কৰি উলিওৱাৰ বাবে 'অসম এণ্টাৰপ্ৰাইজেছ'ৰ স্বত্বাধিকাৰ আৰু সমূহ কৰ্মকৰ্তালৈ আমাৰ শলাগৰ শৰাই আগবঢ়ালোঁ। অতি কম সময়ৰ ভিতৰত এটা অৰ্থপূৰ্ণ বেটুপাত অঙ্কন কৰি দিয়াৰ বাবে আমাৰ ছাত্ৰী শ্বাবানা বেগমক আন্তৰিক ধন্যবাদ জনালোঁ । সদৌ শেষত মহিলা অধ্যয়ন আৰু উন্নয়ন কোষৰ সমন্বয়কক ধৰি সকলো সদস্যৰ ওচৰত আমি কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

ড° দীপিকা ভট্টাচাৰ্য
সম্পাদক
ঈক্ষা, ৪ৰ্থ সংখ্যা

TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA ASSAM

# সূচীপত্ৰ


- নাৰী স্বাৱলম্বনৰ প্ৰথম খোজ — অন্‌জনা গোস্বামী/১
- নাৰী মুক্তি আন্দোলন ঃ মতাদৰ্শ আৰু নেতৃত্ব — অনিল কুমাৰ বৰুৱা/৬
- Ferns — Dr. Sanjukta Gohain Boruah/১১
- শৰীৰত আয়'ডিনৰ প্ৰয়োজনীয়তা আৰু আয়'ডিনযুক্ত লৱণৰ ব্যৱহাৰ — মণিকা দেৱী/১৫
- অসমীয়া ফকৰা যোজনা, উপমা-পটন্তৰ আদিত নাৰীৰ বৰ্ণনা — ড° ৰূপালী গগৈ/২০
- সাক্ষাৎকাৰ/২৬
- Understanding Women Empowerment — Sangita Baruah/৩০
- প্ৰতিভা, প্ৰত্যাহ্বান আৰু সাফল্য — ড° দীপিকা ভট্টাচাৰ্য্য/৩৪
- ৰজোনিবৃত্তি — জয়লক্ষী দত্ত/৪০
- Patriarchy Peeps Through - What do Advertisements Say? — Mayuri Sharma Baruah/৪২
- ড° নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত নাৰী — ৰশ্মিতা বৰকটকী/৪৯
- Third Sex in Ancient Indian society: An Overview — Dr Roshmi Dutta/৫৪
- আধুনিক সমাজত মগজুৰ স্বাস্থ্য বনাম নাৰী — ড° ৰুবী বৰুৱা/৫৯
- সমস্যা বনাম সম্পৰ্ক — ড° কমলেশ কলিতা/৬১
- সোণতৰা — দেৱকান্ত বুঢ়াগোহাঁই/৬৫
- Women in Science and Technology and Innovation System — Dr. Minakshi Chamua/৭২
- নাৰী মাথোঁ এটি শব্দই নহয় — পল্লবী দত্ত/৭৬
- From 'Gaokor' to ' Chaupadi' — অনুৰাগ পল্লবী/৭৮
- ভাৰতীয় নাৰীবাদী ৰাজনীতিৰ স্বৰূপ — বৈকুণ্ঠ দাস/৮২
- Declining Female Workforce Participation in India — Niranjan Kumar Shukla/৮৬
- The Silent Voice : Beneath the Body — Nilotpali Konwar/৮৮
- Objectifying the Feminine Self : Representation of Women as mere objects in Indian Bollywood Songs — Gaurab Sengupta/৯২
- ভাল লগা খবৰবোৰ/৯৫
- Report of the Activities (2017-2019)/৯৮


TINSUKIA COLLEGE LIBRARY
ESTD 1966
TINSUKIA, ASSAM



# নাৰী স্বাৱলম্বনৰ প্ৰথম খোজ

□ অন্‌জনা গোস্বামী
অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ, তিনিচুকীয়া মহাবিদ্যালয়

শিক্ষা অবিহনে স্বাৱলম্বনৰ ধাৰণাটো অবান্তৰ। কিন্তু আধুনিক কালত অসমতেই নহয়, গোটেই ভাৰতবৰ্ষতে নাৰী শিক্ষা আৰু মহিলাৰ বাবে এক পৃথক সংগঠন প্ৰতিষ্ঠা কৰাৰ কথাটো বৰ সহজসাধ্য নাছিল। ইয়াৰ মূলতে আমাৰ সমাজ ব্যৱস্থাই দায়ী। সাধাৰণতে মহিলাসকলে গৃহকাৰ্য সুচাৰুৰূপে পালন কৰে। কিন্তু এই কৰ্মই অৰ্থ উপাৰ্জন কৰিব নোৱাৰে বাবে ইয়াক কৰ্ম বুলি গণ্য কৰা নহয়। তথাপি কিছু সংখ্যক জ্ঞানী গুণী পিতৃ-মাতৃ বা উচ্চ শিক্ষিত স্বামীয়ে নিজৰ পত্নীক শিক্ষা গ্ৰহণত আগবঢ়াই দিয়াটো আছিল এইক্ষেত্ৰত এক আদৰণীয় পদক্ষেপ।

লক্ষ্মীনাথ বেজবৰুৱাই মহিলাসকলক কৈছিল, "আপোনাসকলে পুৰুষৰ ওপৰত নিৰ্ভৰ নকৰি নিজ নিজ জীৱিকাৰ বাট নিজেই মোকলাই লওক। আপোনাসকল অবলা নহয়, নহয়, নহয়। ভাবি লওক প্ৰবলা। ভাবোঁতে ভাবোঁতেই আৰু ভবাৰ মতে কাম কৰি যাওঁতেই আপোনাসকল মহা প্ৰবলা হ'ব। তেতিয়া দেখিব পুৰুষৰ প্ৰতিবন্ধকতা কেনিবা উটি যাব, আৰু আপোনাসকলৰ মাউখীয়া কামৰ বল দেখি পুৰুষে বাটত অগাদেৱা কৰিবলৈ এৰি আঁতৰি যাব।"

প্ৰাক্‌স্বাধীনতা কালত হেমচন্দ্ৰ বৰুৱা, গুণাভিৰাম বৰুৱা, কমলাকান্ত ভট্টাচাৰ্য, লক্ষ্যধৰ শৰ্মা, গঙ্গাগোবিন্দ ফুকন আদিয়ে নাৰী শিক্ষা আৰু কু সংস্কাৰৰ বিৰুদ্ধে মানুহৰ চেতনা জাগ্ৰত কৰাত আগভাগ লৈছিল। গঙ্গা গোবিন্দ ফুকনে নিজ পত্নীক কলিকতালৈ লৈ গৈ পাদুৰি মেমক গতাই দিছিল যাতে তেওঁ ইংৰাজী শিক্ষাৰ জ্ঞান লাভ কৰিব পাৰে। গান্ধীজীৰ আহ্বানতো বহুতো অসমীয়া মহিলাই শিক্ষা গ্ৰহণৰ বাবে আগবাঢ়ি আহিছিল। তেওঁলোকে স্বাধীনতা আন্দোলনতো পিছলৈ দেহে-কেহে খাটিছিল। ১৯২৯ চনত কটন কলেজত ছোৱালীয়ে পঢ়াৰ অনুমতি পোৱাৰ পাছতে উচ্চ শিক্ষা ল'বলৈ মহিলাসকলেও সুবিধা পায়। তাৰ আগতে কলিকতালৈ যাবলগীয়া হোৱাত উদাৰমনা, ধনী পিতৃ-মাতৃৰ সন্তানেহে ইয়াত অংশগ্ৰহণ কৰিব পাৰিছিল।

নাৰীৰ শিক্ষা আৰু মহিলা সংগঠনৰ জন্ম দিয়াত মুখ্য ভূমিকা লোৱা অসমৰ এগৰাকী মহিলা হ'ল হেমপ্ৰভা দাস। তেখেতৰ শিক্ষানুৰাগী মাতৃ দেৱীপ্ৰভা ভূঞাই দুই জীয়ৰী দুৰ্গাপ্ৰভা আৰু হেমপ্ৰভাক উচ্চ শিক্ষা দিবৰ বাবে কলিকতালৈ লৈ গৈছিল। তাতে নিজে ভাৰাঘৰত থাকি বেথুন

কলেজত দুই জীয়ৰীক পঢ়ুৱাইছিল। ৰাজবালা দাসৰ লিখনিত পোৱা যায় তেওঁৰ পেহীয়েক দেৱীপ্ৰভা ভুএগ্ৰাক ছোৱালী দুজনীক কলিকতাত পঢ়ুৱাৰ বাবে সমাজৰ কিছু সংখ্যক লোকে এনে ককৰ্থনা কৰিছিল যে, কিছুমান নাৰী শিক্ষাৰ প্ৰতি আগ্ৰহী পিতৃ-মাতৃয়ে সমাজৰ ভয়ত নিজ ছোৱালীক আৰু এইক্ষেত্ৰত আগবাঢ়িবলৈ নিদিছিল। ৰাজবালা দাসৰ পেহীয়েক হোৱাৰ বাবেই তেখেতে ব্যক্তিগতভাৱে এই কথা জানিব পাৰিছিল। পিতৃ বিয়োগৰ পিছতে হেমপ্ৰভাই এফ এ শ্ৰেণীত উত্তীৰ্ণ হৈয়ে ডিব্ৰুগড়লৈ ঘূৰি আহিবলৈ বাধ্য হয়। এইগৰাকী মহিলাৰ এনে এজন গুণী-জ্ঞানী লোকৰ লগত বৈবাহিক সম্বন্ধ স্থাপন হ'ল যে তেখেতৰ অনুপ্ৰেৰণা আৰু নিজৰ মনৰ প্ৰচণ্ড তাড়নাতে গোটেই জীৱন শিক্ষা বিস্তাৰত জড়িত হৈ পৰিল। মহিলা সংগঠনৰ জন্ম দিয়াৰ লগতে স্বাধীনতা আন্দোলনত আগভাগ লৈও তেখেতে এক বিপ্লৱৰ সৃষ্টি কৰিছিল। তেখেতৰ স্বামী আছিল সেই সময়ৰ বেৰী হোৱাইট মেডিকেল স্কুলৰ, অস্ত্ৰোপচাৰ বিভাগৰ চিকিৎসক। অসমৰ সৰ্বপ্ৰথম ছোৱালী মাইনৰ স্কুল 'ডিব্ৰুগড় মডেল স্কুল'ৰ হেমপ্ৰভা দাস আছিল প্ৰধান শিক্ষক। পিছলৈ তেখেতৰ যত্নতে ই হাইস্কুল পৰ্যায়লৈ উন্নীত হয় আৰু এইখনেই বৰ্তমান 'ডিব্ৰুগড় উচ্চতৰ মাধ্যমিক ছোৱালী বিদ্যালয়'। শিক্ষা বিস্তাৰৰ বাবে তেখেতে সেই সময়ত মানুহৰ ঘৰে ঘৰে গৈ ইয়াৰ প্ৰয়োজনীয়তাৰ কথা কৈছিল যাৰ ফলত কম সংখ্যক হ'লেও ছোৱালীয়ে শিক্ষা গ্ৰহণ কৰিবলৈ আগবাঢ়ি আহিছিল। তেখেতে ডিব্ৰুগড়ৰ আশে-পাশে থকা চাহবাগান আৰু গাঁৱৰ ছোৱালীৰ বাবে নিজ গৃহৰ আবাসিক এলেকাতে হোষ্টেল নিৰ্মাণ কৰি দিছিল। তেওঁলোকৰ অসুখ বিসুখ হ'লে স্বামী হৰিকৃষ্ণই চোৱাচিতা কৰিছিল। নগৰৰ ছোৱালীবিলাকে সেই সময়ত মুকলিকৈ ৰাস্তাৰে অহা-যোৱা কৰাত বাধা থকাৰ বাবে নিজে চান্দা তুলি গাড়ীৰ ব্যৱস্থা কৰি দিছিল যাতে নাৰী শিক্ষা বিস্তাৰিত হয়। ১৯১৩ চনৰ পৰা ১৯৩৭ চনলৈকে তেখেতে প্ৰধান শিক্ষক হৈ থাকি অৱসৰ গ্ৰহণ কৰে। খ্ৰীষ্টান মিচনেৰীসকল তেখেতৰ প্ৰেৰণাৰ উৎস আছিল। জন্মভূমি আৰু সুখৰ ঘৰ-সংসাৰ এৰি এওঁলোকে যে বিদেশতো শিক্ষা বিস্তাৰ কৰি ফুৰিছে সেইবাবে হেমপ্ৰভাই নগাঁও মিশ্যন হাইস্কুলত দিয়া ভাষণত তেওঁলোকক শ্ৰদ্ধা জনাবলৈ পাহৰা নাই। হেমপ্ৰভাই বিশ্বাস কৰিছিল যে স্বাৱলম্বনৰ জৰিয়তেহে দেশে 'প্ৰকৃত স্বৰাজ লাভ কৰিব পাৰিব।' সেয়েহে ১৯১৫ চনত তেখেতৰ উদ্যোগত ডিব্ৰুগড়ত 'ডিব্ৰুগড় মহিলা সমিতি' গঠন হয়। তদুপৰি তেখেত আছিল গুৱাহাটীৰ 'শৰণীয়া আশ্ৰম'ৰ প্ৰতিষ্ঠাপক, যাৰ মূল উদ্দেশ্যই হ'ল মহিলাসকলক স্বাৱলম্বী কৰা। 'ঘৰ জেউতি'ৰ লিখনিৰ পাতে পাতে তেখেতৰ আদৰ্শৰ কথা আমি অনুভৱ কৰিব পাৰো। এলিজাবেথ ভিকলেণ্ডে Women of Assam নামৰ গ্ৰন্থত তেখেতৰ বিষয়ে শিক্ষাবিদ, লিখক আৰু নাৰীবাদী বুলি উল্লেখ কৰিছিল। আৱশ্যে আমাৰ মাজত নাৰীবাদী ধাৰণাতো বিয়পি পৰাৰ বহু বছৰৰ আগতেই ১৯২৭-২৮ চনত প্ৰকাশ পোৱা গ্ৰন্থত এই শব্দটো প্ৰয়োগ কৰা কথাটো ভাবি চাবলগীয়া। তেখেতৰ ব্যক্তিত্ব, নাৰী মঙ্গলকামী চিন্তা আৰু আধুনিক মনোভাৱৰ বাবেই এই আখ্যা দিয়া বুলি ভাবিব পাৰি।

স্বাধীনতাৰ প্ৰাক্ কালত মহিলাসকলে পুৰুষৰ সমানে সমানে বহা, সভাত কথা কোৱা আদি কথাবোৰ ভাবিব নোৱাৰা বিষয় আছিল। অৱশ্যে কিছু সংখ্যক শিক্ষিতা মহিলাই ৰায়ত সভা, অসম এছোচিয়েচন, সাহিত্য সভা আদি সংগঠনৰ বিভিন্ন কাৰ্য্যসূচীত অংশগ্ৰহণ কৰিছিল। 'অসম ছাত্ৰ সন্মিলনী'ৰ সভাত চন্দ্ৰপ্ৰভা শইকীয়ানীয়ে দিয়া বক্তৃতাটো হৈছে অসমৰ ইতিহাসৰ পুৰুষকেন্দ্ৰিক সভাত মহিলাই দিয়া প্ৰথমটো বক্তৃতা। নাৰীৰ স্বাধীনতা আৰু শিক্ষাৰ ক্ষেত্ৰত এইগৰাকী মহিলাৰো অৱদান অতুলনীয়। হেমপ্ৰভা আৰু চন্দ্ৰপ্ৰভাৰ মাজত কেইবাটাও ক্ষেত্ৰত মিল থকা দেখা যায়। যেনে দুয়োগৰাকীয়েই আছিল শিক্ষক, স্বাধীনতা সংগ্ৰামী, সুবক্তা তথা মহিলা সমিতিৰ জন্মদাতা। অৱশ্যে চন্দ্ৰপ্ৰভাৰ জীৱনটো বেছি সংগ্ৰামশীল আছিল। তেওঁ আছিল পুৰুষৰ দ্বাৰা উপেক্ষিতা, এককভাৱে সন্তান পালন কৰা মাতৃ। অৱশ্যে দৃঢ় মন আৰু সবল নেতৃত্বৰে তেখেতে অসমীয়া মহিলাক আগবঢ়াই নিয়াত এক নিৰ্ণয়কাৰী ভূমিকা ল'বলৈ সক্ষম হৈছিল।

১৯২৫ চনত নগাঁৱত 'অসম সাহিত্য সভা'ৰ অধিৱেশন হৈছিল ৰজনীকান্ত বৰদলৈৰ সভাপতিত্বত। তাত নাৰীসকলক বাঁহৰ চিকৰৰ আঁৰত ৰাখি মিটিং শুনাৰ ব্যৱস্থা কৰা হৈছিল। তেওঁলোকে ওৰণিৰে নিজৰ মুখবোৰ ঢাকি ৰাখিছিল। তাকে দেখি চন্দ্ৰপ্ৰভাই অপমানবোধ কৰিলে আৰু নাৰীসকলক পুৰুষৰ সমানে একে ঠাইতে বহিবলৈ আহ্বান জনালে। নাৰীসকল তেওঁৰ কথা মানি ওলাই আহিল। তেওঁলোকো নিজৰ স্বাধীনতাৰ প্ৰতি সজাগ হ'ল। ৰজনীকান্ত বৰদলৈ আৰু কেইবাগৰাকী লোকে সমৰ্থন কৰিলেও ইয়াক বিৰোধ কৰা মানুহৰো অভাৱ নহ'ল। নাৰীসকলক লৈ পিছদিনা চন্দ্ৰপ্ৰভাই এখন সভা আহ্বান কৰিলে। কিন্তু গোড়া লোকসকলে মূল মণ্ডপত ইয়াত হ'বলৈ নিদিলে। মুকলি পথাৰতে নাৰীৰ বাবে এক সুকীয়া সংগঠনৰ বিষয়ে সেই সভাত আলোচনা কৰা হৈছিল।

ইয়াৰ পিছতে ১৯২৬ চনত ধুবুৰীত অনুষ্ঠিত হোৱা সাহিত্য সভাৰ অধিৱেশনত সভাপতি বেণুধৰ ৰাজখোৱাৰ অনুৰোধ আৰু পৰামৰ্শমতে ধুবুৰীৰে 'বিজলী হল'ত নাৰীসকলৰ এখন ডাঙৰ সভা আহ্বান কৰি 'অসম মহিলা সমিতি' গঠন কৰে। লক্ষ্মীনাথ বেজবৰুৱাৰ কন্যা ৰত্না বেজবৰুৱা, স্নেহলতা ভট্টাচাৰ্য্য, চন্দ্ৰপ্ৰভা শইকীয়া আদিয়ে ইয়াত মুখ্য ভূমিকা লৈছিল। শইকীয়ানীক সম্পাদিকা পাতি গাঁৱে-ভূএগ্ৰে, নগৰে-চহৰে ইয়াৰ শাখা খুলিবলৈ ধৰিলে।

ইয়াৰ আগে আগে শিৱসাগৰত 'মহিলা সন্মিলনী' নামৰ এক অনুষ্ঠানৰ জন্ম হৈছিল। এই সন্মিলনীয়ে জয়দৌল প্ৰাঙ্গনত 'জয়মতী তিথি উৎসৱ' উদ্‌যাপন কৰিছিল। ইয়াত মুখ্য ভূমিকা লৈছিল শিৱসাগৰৰ মুক্তি যুঁজাৰু তাৰাপ্ৰসাদ চলিহাৰ পত্নী কনকলতা চলিহা আৰু কমলালয়া কাকতিয়ে। তাৰাপ্ৰসাদ চলিহাই নিজ ঘৰৰে এই দুইগৰাকী মহিলাক লিখা-পঢ়া কৰিবলৈ অনুপ্ৰাণিত কৰাই নহয় এখন অসমীয়া আলোচনী প্ৰকাশ কৰিবলৈ সকলো ধৰণৰ সহায় সহযোগিতা আগবঢ়াইছিল। যাৰ ফলত অসমৰ প্ৰথম মহিলা আলোচনী 'ঘৰ জেউতি'ৰ ১৮২৮ চনত প্ৰকাশ পায়। এনে এক আচৰিত পদক্ষেপে সেই সময়ত নিঃসন্দেহে মহিলাসকলক উদ্‌গণি যোগাইছিল। 'ঘৰ জেউতি'ৰ পাততে অসমীয়া মহিলাৰ প্ৰাণৰ স্পন্দন অনুভৱ কৰিব পাৰি।

মহিলা সমিতিসমূহে স্ত্ৰী শিক্ষা বিস্তাৰত



ঈক্ষা : ৪ৰ্থ সংখ্যা

বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। তদুপৰি বাল্যবিবাহ, বহু পত্নী বিবাহ ৰোধ কৰা, বৰ্ণ হিন্দু মহিলাৰ মাজত বিধৱা বিবাহৰ প্ৰচলন কৰা, কু সংস্কাৰ দূৰ কৰাৰ লগতে কুটীৰ শিল্পৰ প্ৰচাৰ আৰু প্ৰসাৰৰ মাধ্যমেৰে মহিলাক স্বাৱলম্বী কৰাত বিশেষভাৱে যত্নবান হৈছিল। তিৰোতাৰ মনৰ ক্ষোভ আৰু স্বাধীনতা স্পৃহাৰ বিষয়ে তেতিয়া 'ঘৰ জেউতি'ৰ পাতত লিখা পূণ্যলতা শইকীয়াৰ লিখনিত এনেদৰে প্ৰকাশ পাইছিল, "আমি তিৰোতা জাতি জগতৰ চকুত এনে অপদাৰ্থ, এনে অসমৰ্থ হৈছো যে আমাৰ নাৰী জাতিৰ লাঞ্চনাৰ সীমা নাইকিয়া হৈছে। আমি তিৰোতাসকল ইমান আত্মবিস্মৃতা যে স্বজাতিৰ অপমানত সহানুভূতি দেখুওৱা দূৰতে থাওক, বৰং ঘিণ কৰি দেখুওৱা হয়। গতিকে আইসকল ভাবি চাওক — আমি ক'ত? আমাৰ এনে অৱস্থাত মানসিক, শাৰীৰিক সংস্কাৰ দৰকাৰ হৈছে নে নাই? যদি সংস্কাৰ দৰকাৰ হৈছে; তেন্তে সেই সংস্কাৰ কোনে কৰি দিব? ঈশ্বৰে নে সমাজে? মই কওঁ কোনেও নকৰে।... নাৰী জাগৰণৰ ৰূপ মহিলা সমিতিৰ মাজেদি নাৰী জাতিৰ সকলো বিষয়েতে উন্নতি আৰু সংস্কাৰ নকৰিলে আনে কৰি নিদিয়ে। ... আমি সকলোৱে নিজলৈ আৰু স্বজাতিলৈ চাবৰ দিন আহিল।" ইয়াত স্বজাতি শব্দই মহিলাকে বুজাইছে।

দ্বিতীয় অধিবেশনৰ সভাপতি প্ৰফুল্লবালা চৌধুৰীয়ে কৈছিল, " আমি পুৰুষৰ সহযোগিতা আৰু সহানুভূতি কামনা কৰোঁ। আমি সমাজ আৰু দেশৰ সেৱা কৰিবলৈ সমতা আৰু স্বাধীনতা বিচাৰোঁ।"

১৯২৯ চনত কৌঁৱৰপুৰ মহিলা সমিতিৰ অধিবেশনৰ সভাপতি কমলালয়া কাকতিয়ে কৈছিল, " আজি জগতজুৰি নাৰী জাগৰণৰ এক আন্দোলন চলিছে। চিৰদিন উপেক্ষিতা পদদলিতা নাৰীয়ে আজি ন্যায্য অধিকাৰ বুজি পাইছে। আজিৰ নাৰী ভাতৰ চৰু আৰু তাঁতশাল লৈ সন্তুষ্ট নহয়, সমাজ, শিক্ষা আৰু সাহিত্য সকলোতে পুৰুষৰ সমানে নাৰীৰো অধিকাৰ। এই সত্যকে প্ৰতিপন্ন কৰিবলৈ স্বাৰ্থপৰ সমাজ আৰু নিষ্ঠুৰ অনুশাসনৰ বিপক্ষে আজিৰ নাৰীৰ যুদ্ধ ঘোষণা।"

১৯৩০ চনত কামৰূপ মহিলা সমিতিৰ চৌহদত 'মুক্তি সংঘ' নামে এটা বৈপ্লৱিক সংগঠন গঠন কৰি ছাত্ৰীসকলে স্বাধীনতা আন্দোলনত যোগদান কৰিবলৈ সংকল্প লয়। নেতৃত্বত আছিল পুষ্পলতা দাস, সৰলা চাক্সেনা আদি। নিজৰ আঙুলি কাটি তেজেৰে চহী কৰি তেওঁলোকে দেশপ্ৰেমৰ চিনাকি দিলেও স্কুল কৰ্তৃপক্ষই গম পাই পুষ্পলতা দাসক স্কুলৰ পৰা নিলম্বিত কৰিছিল। এই সময়ত মহিলা সমিতিসমূহে নিজৰ ফালৰ পৰা বিশেষ কাৰ্যসূচী নাৰাখি স্বাধীনতা আন্দোলনৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিছিল। বহুতো মহিলাই নিজৰ বহুমূলীয়া সোণৰ আ অলংকাৰ দেশৰ নামত দান দিছিল। বহুতো নাৰীয়ে নিজৰ প্ৰাণো বিসৰ্জন দিবলৈ কুণ্ঠাবোধ কৰা নাছিল। ১৯৪০ চনত অসম মহিলা সমিতি 'অসম প্ৰাদেশিক মহিলা সমিতি' নামেৰে নামাংকৃত কৰা হয়। ১৯৪৫ চনত সমিতিৰ লিখিত সংবিধান গৃহীত হয়। এই সমিতিত উল্লেখযোগ্য ভূমিকা লোৱা মহিলাসকল আছিল স্বৰ্ণলতা শইকীয়া, গুণেশ্বৰী দেৱী, দ্বাৰিকী দাস, মাজিদা তৈয়বুল্লা, পি ৰছুল আদি। ১৯৪০ চনত গান্ধীৰ হৰিজন আন্দোলনত অসমীয়া মহিলাই পূৰ্ণ সহযোগ আগবঢ়াইছিল। যোৰহাটৰ ব্ৰাহ্মণ পৰিয়ালৰ





গিৰিবালা দেৱীয়ে নিজৰ ঘৰৰ মন্দিৰ হৰিজনৰ বাবে খুলি দিয়াত সমাজৰ পৰা এই পৰিয়ালটো এঘৰীয়া হ'বলগীয়া হৈছিল। হৰিজন অঞ্চলত মহিলাসকলে স্কুল খুলি পাঠদান কৰিছিল। যোৰহাটৰ স্বৰ্ণলতা বৰুৱাক তেওঁ কৰা কামৰ বাবে অসমৰ স্বৰ্ণলতা বুলি বিভুষিত কৰিছিল।

১৯২১ চনতে কৃষ্ণ বৰুৱাৰ বিধবা মাতৃয়ে কৈছিল, "সকলো পুৰুষেই কাৰাগাৰলৈ গ'ল, আমাৰ ওৰণিৰ আৰু কোনো প্ৰয়োজন নাই। এতিয়া মহিলাসকলে নেতাসকলৰ খালী ঠাই পুৰণ কৰিব লাগে।" এই কথাৰ পৰা অসমীয়া মহিলাই পৰ্দা প্ৰথাৰ বিৰোধিতা কৰাৰ লগতে ৰাজনীতিতো পৰিপক্ক হ'বলৈ বিচাৰিছিল তাৰ প্ৰমাণ পোৱা যায়। প্ৰথম অৱস্থাত অৱশ্যে মহিলা সমিতিসমূহে মহিলাসকলক প্ৰশিক্ষণ দি হ'লেও ৰাজনৈতিক ক্ষেত্ৰত আগবঢ়াই নিয়াৰ কথা ভাবিছিল যদিও পিছলৈ ই সামাজিক সংস্কাৰ আৰু নাৰীৰ স্বাৱলম্বনতহে গুৰুত্ব দিয়া দেখা যায়। তেওঁলোকে উপলব্ধি কৰিছিল যে পুৰুষৰ ওপৰত অৰ্থনৈতিক বা সামাজিক নিৰ্ভৰতাই মহিলাৰ স্থান নিম্নগামী কৰে। সেয়েহে মহিলা সমিতিসমূহে এনে কিছু কাম কৰাত গুৰুত্ব দিছিল যি বৃত্তি হিচাপে স্বীকৃতি পায়। তেওঁলোকে মহিলা নিপুন কৰ্মী নিৰ্মাণত গুৰুত্ব দি আগবাঢ়িবলৈ প্ৰচেষ্টা চলাইছিল। উদাহৰণ স্বৰূপে নাৰায়ণপুৰ মহিলা সমিতিয়ে ৰান্ধনী বাগান (Kitchen Garden)ৰ প্ৰশিক্ষণ লৈ, মাটি ভাৰালৈ লৈ পাচলি উৎপাদন কৰি ৩০০০ ৰ পৰা ৬০০০ টকা বছৰি উপাৰ্জন কৰিবলৈ সক্ষম হৈছিল। ঠিক সেইদৰে শোণিতপুৰ ন-মাটি হাবি গাঁৱৰ মহিলা সমিতিয়ে শস্য বেংক আৰু আধি হস্ততাঁত শিল্পৰ দ্বাৰা লাভান্বিত হৈছিল। মহিলা সমিতিসমূহৰ দুই এখনে মৎস্য পালন আৰু বয়ন সমবায় সমিতি গঠন কৰি স্বাৱলম্বী হোৱাৰ চেষ্টা কৰিছিল। তেজপুৰ মহিলা সমিতিয়ে পৰীক্ষা নিৰীক্ষাৰ মাধ্যমেৰে বয়নশিল্পত নতুনত্ব আদি লাভান্বিত হোৱাৰ তথ্য পোৱা যায়। এতিয়াও মহিলা সমিতিসমূহৰ কাৰ্যসমূহৰ বিষয়ে বহুতে নাজানে। তেওঁলোকৰ বাৰ্ষিক প্ৰতিবেদনসমূহ একত্ৰিত কৰি সম্পাদনা কৰি উলিয়ালে বহুতো তথ্য জানিব পৰা যাব। কিন্তু বৰ্তমানেও নাৰীৰ মাজত আত্ম সজাগতা জাগ্ৰত কৰা, নিৰ্যাতিত নাৰীক সহায় আগবঢ়াই ন্যায় দিয়াৰ ক্ষেত্ৰত মহিলা সমিতিসমূহে এক গুৰু দায়িত্ব বহন কৰি আছে। তৎকালীনভাৱে সিদ্ধান্ত গ্ৰহণত অংশগ্ৰহণ কৰিব পৰাকৈ মহিলাসকল শিক্ষিত নহ'লে বা নিজ অধিকাৰৰ প্ৰতি সজাগতা জাগ্ৰত নহ'লে মহিলাসকল আগবাঢ়ি যাব নোৱাৰে। যি এক প্ৰত্যয়েৰে মহিলা সমিতিসমূহে স্বাধীনতা আৰু স্বাৱলম্বনৰ ক্ষেত্ৰত আগভাগ লৈ ওলাই আহিছিল স্বাধীনতাৰ অতদিনৰ পিছতো কিন্তু তেওঁলোকে সেই স্থান পাব পৰা নাই।

◆◆

# নাৰী মুক্তি আন্দোলন ঃ মতাদৰ্শ আৰু নেতৃত্ব

□ অনিল কুমাৰ বৰুৱা

*(তিনিচুকীয়া মহাবিদ্যালয়ৰ গণিত বিভাগৰ মুৰব্বী অধ্যাপক আৰু প্ৰগতিশীল সমাজ সংগঠক অনিল কুমাৰ বৰুৱাক ১৯৯৮ চনৰ ১১ ফেব্ৰুৱাৰীৰ দিনা আততায়ীয়ে নিৰ্মমভাৱে গুলীয়াই হত্যা কৰে। তেখেতৰ নিৰ্বচিত ৰচনাৰাজিৰ এই প্ৰবন্ধটি এতিয়াও প্ৰাসঙ্গিক বুলি আমি অনুভৱ কৰি পুনৰ্মুদ্ৰণৰ বাবে নিৰ্বাচন কৰিলোঁ আৰু পাঠকৰ বাবে আগবঢ়াই দিলোঁ।)*

নাৰী আৰু পুৰুষৰ মাজৰ একমাত্ৰ আৰু স্বাভাৱিক পাৰ্থক্যই হ'ল দৈহিক গঠনৰ। ই জন্মগত তথা প্ৰাকৃতিক। ইয়াৰ বাহিৰে আন সকলোবোৰ পাৰ্থক্যই কৃত্ৰিম, মানুহে বনাই লোৱা। আদিতে এই কৃত্ৰিম পাৰ্থক্যবিলাক নাছিল। আদিম সমাজত মানৱ প্ৰজাতিৰ এই দুই ৰূপৰ মাজত আছিল মুক্ত, স্বতঃস্ফূৰ্ত আৰু সৌহাৰ্দমূলক মানবীয় সম্পৰ্ক। কিন্তু শ্ৰেণী সমাজৰ সৃষ্টিৰ প্ৰক্ৰিয়াত মানৱ সমাজ বিভক্ত হ'ল দুই শ্ৰেণী শিবিৰত। উৎপাদনৰ আহিলাৰ মালিক হৈ সমাজৰ এমুঠি চতুৰ লোক হৈ পৰিল শোষক শ্ৰেণী আৰু সমস্ত শ্ৰমজীৱী ৰাইজ হৈ পৰিল শোষিত শ্ৰেণী। যি ব্যৱস্থা সাম্প্ৰতিক কালতো বৰ্তি আছে।

মানৱ সমাজৰ এই শ্ৰেণী বিভাজনৰ প্ৰক্ৰিয়াতে আৰু এটা ঘটনা ঘটিল। আদিম সমাজত থকা নাৰী-পুৰুষৰ সমতাৰ ব্যৱস্থা ভাগি পৰিল। নাৰী আৰু পুৰুষৰ মাজৰ স্বাভাৱিক তথা প্ৰাকৃতিক পাৰ্থক্যৰ উপৰিও কিছু কৃত্ৰিম পাৰ্থক্যৰে নাৰী পুৰুষক বিভাজিত কৰা হ'ল। ক্ৰমান্বয়ে এই কৃত্ৰিম বিভাজনবোৰক সামাজিক তথা প্ৰাতিষ্ঠানিক ৰূপ দিয়া হ'ল। নাৰী সমাজ হৈ পৰিল পুৰুষৰ অধীন। তেওঁলোকে হেৰুৱাব লগা হ'ল স্বাধীনতা। শোষক শ্ৰেণীৰ বহতীয়া সমাজতাত্ত্বিকসকলে তৈয়াৰ কৰিলে নাৰীৰ স্বাধীনতাহৰণকাৰী সামাজিক নীতি। তেওঁলোকে সূত্ৰবদ্ধ কৰিলে — নাৰী চিৰটি জীৱন পুৰুষৰ অধীন। শৈশৱৰ পৰা যৌৱন পৰ্যন্ত পিতৃৰ অধীন, বিবাহৰ পিছত স্বামীৰ অধীন। এনে নীতিৰেই চূড়ান্ত প্ৰকাশ ঘটিল 'সতীযোৱা' প্ৰথাৰ মাজেৰে। অৰ্থাৎ ামীৰ মৃত্যুৰ পিছত একে চিতাতে স্ত্ৰীয়েও আত্মজাহ দিব লগাৰ দৰে নাৰী নিৰ্যাতনৰ চৰম ঘটনাৰ মাজেৰে। শোষক শ্ৰেণীৰ স্বাৰ্থৰক্ষাকাৰী ধৰ্মীয় গুৰুসকলে নাৰীক পুৰুষৰ অধীন কৰি ৰখাৰ বাবেই ৰচনা কৰিলে ভালেমান ধৰ্মীয় অনুশাসনৰ কটকটীয়া নীতি। জাত প্ৰথাৰ জৰিয়তে ব্ৰাহ্মণ্যবাদ, শ্ৰমজীৱী ৰাইজক নিম্নজাত হিচাপে চিনাক্ত কৰি তেওঁলোকৰ সামাজিক অধিকাৰ কাঢ়ি ল'লে আৰু পৰজীৱী শোষক শ্ৰেণীক উচ্চজাতৰ মৰ্যাদা দি অবাধে শোষণ কৰি যাবলৈ অধিকাৰ দিলে। একেদৰেই এই গোড়া হিন্দুবাদী প্ৰতিক্ৰিয়াশীল চক্ৰই নাৰীসকলকো ধৰ্মীয় অনুশাসনেৰে দ্বিতীয় শ্ৰেণীৰ নাগৰিক হিচাপে বান্ধি পেলালে। কিন্তু নাৰীৰ এনে মৰ্যাদা হানিকৰ অৱস্থা কেৱল হিন্দু ধৰ্মতে নহয়, ইছলামকে ধৰি অন্যান্য ধৰ্মতো নাৰীৰ স্থান একেই। মাতৃজাতি হিচাপে শুনি ভাল লগা শব্দৰে বিভুষিতা কৰিলেও শেষ বিচাৰত নাৰীৰ কাম সন্তান জন্ম দিয়া, লালন-পালন কৰা আৰু পুৰুষৰ মন বুজি ভোগৰ সামগ্ৰী হিচাপে নিজকে উজাৰি দিয়া। নাৰীৰ এনে অমৰ্য্যদাকৰ সামাজিক অৱস্থান আজিও অব্যাহত।

ৰুছ সমাজতন্ত্ৰৰ পতনৰ পিছৰপৰা বিশ্বজুৰি যি সোঁ প্ৰতিক্ৰিয়া মূৰ দাঙি উঠিছে তাৰ ঢৌত নাৰী নিৰ্যাতন আৰু বাঢ়িছে। আনকি পশ্চিমীয়া নাৰীবাদী(ফেমিনিষ্ট) সকলেও এই কথাটো মুকলিকৈ কৈছে। আমাৰ দেশতো দিনে দিনে বাঢ়িছে নাৰী নিৰ্যাতন, শোষক শ্ৰেণীৰ ৰাষ্ট্ৰৰ ৰক্ষক পুলিচ, মিলিটেৰী,আমোলা তথা শাসকদলৰ মদত পুষ্ট গুণ্ডা বাহিনী,দেশী-বিদেশী অপসংস্কৃতিৰ প্ৰভাৱত পৰা উচ্ছৃংখল যুৱক-ছাত্ৰ সকলোৱে যেন নাৰীৰ মৰ্যাদা,শ্লীলতা ধ্বংস কৰিবৰ বাবে বলিয়া হৈ পৰিছে। গোড়া হিন্দুবাদৰ ফেৰীৱালা সাম্প্ৰদায়িক ফেছীবাদীহঁতে এই সকলোৰে বাবে জগৰীয়া কৰিব খোজে নাৰীকেই। তেওঁলোকে কয় ঘৰৰ চাৰিবেৰৰ মাজৰ পৰা নাৰী ৰাজপথলৈ ওলাই অহাৰ কাৰণেই বোলে এইবিলাক ঘটিছে। অৰ্থাৎ নাৰী নিৰ্যাতনৰ প্ৰকৃত কাৰণ সমূহ ঢাকি ৰাখি নাৰীক পুনৰ চাৰিবেৰৰ মাজলৈ ওভোতাই পঠোৱাটোৱেই হৈছে এনে প্ৰতিক্ৰিয়াশীলহঁতৰ প্ৰধান উদ্দেশ্য। অৱশ্যে বৰ্দ্ধিত নাৰী নিৰ্যাতনৰ বিৰুদ্ধেই হওক অথবা ধৰ্মীয়, মৌলবাদী,'হিন্দুত্ব'ৰ ফেৰীৱালাসকলৰ বিৰুদ্ধেই হওক নাৰী সমাজো স্বত:স্ফূৰ্ততাক ধাৰাবাহিক সংগঠিত ৰূপ দিবলৈকে প্ৰয়োজন এক সুদৃঢ় মতাদৰ্শৰ। নি:সন্দেহে সমাজতন্ত্ৰৰ মতাদৰ্শই নাৰীমুক্তি আন্দোলনৰো মতাদৰ্শগত ভিত্তি হ'ব লাগিব ।যি শ্ৰেণী বিভাজিত সমাজে নাৰী সকলকো অধিকাৰহীন কৰি পুৰুষৰ অধীন কৰি তুলিলে, সেই শ্ৰেণীসমাজৰ বিলুপ্তিৰ মাজতেই নিহিত আছে নাৰী মুক্তিৰ বীজ। শ্ৰেণী সমাজৰ বিলুপ্তিৰ সোপান হৈছে সমাজতন্ত্ৰ। এই সমাজতন্ত্ৰই হৈছে শ্ৰমিক শ্ৰেণীৰ মতাদৰ্শ।গতিকে শ্ৰমিক শ্ৰেণীৰ মতাদৰ্শৰে সজ্জিত হৈ নাৰী সমাজৰ নিজস্ব সমস্যা সমূহ সমাধানৰ দাবীত স্বকীয় নাৰী আন্দোলন গঢ়ি তোলাৰ মাজেদিয়েই নাৰী সকলকো সমাজ ৰূপান্তৰৰ বিপ্লৱী সংগ্ৰামৰ অংশীদাৰ কৰি তুলিব পৰা যাব। এই খিনিতেই শ্ৰমিক শ্ৰেণীৰ সৰ্ব্বোচ্চ সংগঠন কমিউনিষ্ট পাৰ্টিৰ প্ৰাসঙ্গিকতা সম্পৰ্কেও অগ্ৰণী নাৰী সকলৰ মাজত স্পষ্ট কৰাৰ প্ৰয়োজন আহি পৰে।

স্বকীয় নাৰী আন্দোলন গঢ়ি তুলিব লাগিব সাম্প্ৰতিক ব্যৱস্থাৰ মাজতে নাৰী-পুৰুষৰ মাজত থকা সামাজিক ব্যৱধান কমাই আনিবলৈ কিছুমান আইন তৈয়াৰ কৰাৰ দাবীত। লগতে নাৰী আন্দোলনৰ তথা গণতান্ত্ৰিক আন্দোলনৰ ফচল হিচাবে ইতিমধ্যে অৰ্জন কৰা আইন বিলাকৰ যথাযত প্ৰয়োগৰ বাবেও সংগ্ৰাম গঢ়ি তুলিব লাগিব ।এই সংগ্ৰামবিলাক আঁতৰাই গ'লে স্বাভাৱিক ভাৱেই ৰাষ্ট্ৰ নিপীড়নৰ মুখামুখি হ'ব আৰু ৰাষ্ট্ৰ চৰিত্ৰ সম্পৰ্কে

হোৱা প্ৰত্যক্ষ অভিজ্ঞতাই নাৰীসকলৰ ৰাজনৈতিক সচেতনতা বঢ়াই তুলিব। লগে লগে নাৰী মুক্তি আন্দোলনৰ স্বাৰ্থতেই ঐক্যবদ্ধ আন্দোলন গঢ়ি তোলাৰ প্ৰয়োজনীয়তা নাৰীসকলে উপলব্ধি কৰিব পাৰিব। এইদৰে সাংগঠনিকভাৱেই নাৰীসকলে শ্ৰমিক কৃষকৰ গণ-ৰাজনৈতিক সংগ্ৰামতো অংশগ্ৰহণ কৰিব ।অৱশ্যে শ্ৰমিক- কৃষক শ্ৰেণীৰ অন্তৰ্ভূক্ত হিচাবে এইবিলাক সংগ্ৰামত নাৰী সমাজে অংশগ্ৰহণ কৰাটো তেনেই স্বাভাৱিক। সমাজৰ আধা অংশ নাৰীসকলৰ অংশগ্ৰহণ অবিহনে একোটা সংগ্ৰামক গণ সংগ্ৰামৰ আখ্যা দিব পৰাই নাযাব। আনফালে এনে গণ ৰাজনৈতিক সংগঠনত সক্ৰিয় অংশগ্ৰহণে নাৰী-পুৰুষৰ সামাজিক ব্যৱধান কমাই অনাৰ কাৰণে এক বস্তুগত অৱস্থানৰো সৃষ্টি কৰে।অৱশ্যে এনেবিলাক গণ-ৰাজনৈতিক আন্দোলনৰ লগে লগে স্বকীয় নাৰী আন্দোলনৰো বিকাশ ঘটাব নোৱাৰিলে নাৰী মুক্তিৰ বিষয়টো নিজে নিজেই আগুৱাই যোৱাটো সম্ভৱ নহয়। পুৰুষ প্ৰধান সমাজ ব্যৱস্থাত যিকোনো সংগ্ৰাম অথবা সংগঠনৰ মাজত নিজৰ সমঅধিকাৰ সাব্যস্ত কৰিবলৈ অহৰহ নাৰীসকলে চাপ সৃষ্টি কৰি যাব লাগিব। অন্যথা সাধাৰণ সংগঠনতো বাদেই নাৰী মুক্তিৰ বিষয়টোত তাত্বিকভাৱেই বিশেষ গুৰুত্ব দিয়া কমিউনিষ্ট পাৰ্টিৰ ভিতৰতো সাম্প্ৰতিক ব্যৱস্থাত নাৰীসকলে সমমৰ্য্যদা,সমঅধিকাৰ ভোগ কৰি সম অংশীদাৰ হোৱাটো কেৱল নীতিগত বিষয় হৈয়েই থাকি যাব।

এইখিনিতেই নাৰীসকলৰ স্বকীয় ভূমিকাৰ কথাটো আহি পৰে। পুৰুষপ্ৰধান সমাজব্যৱস্থাৰ ফলতেই নাৰীসকল অতি পশ্চাদপদ অৱস্থাত থাকিব লগা হোৱাটো বাস্তৱ সত্য। এনে অৱস্থাত দুই এগৰাকী অগ্ৰণী নাৰীৰ কথা বাদ দিলে পুৰুষৰ কৰ্তৃত্বত থকা নানা সামাজিক, ৰাজনৈতিক সংগঠনত নাৰীসকলে পুৰুষৰ লগত সমানে ফেৰ মৰা সম্ভৱ নহয়। সমান নেতৃত্বৰ বাবে পুৰুষৰ লগত প্ৰতিযোগিতাত নমা বহু দূৰৰে কথা। তেনেহ'লে কেৱল সংৰক্ষিত আচুতীয়া ব্যৱস্থাৰ যোগেদিয়েই নাৰী-পুৰুষৰ সমতা আনিব পৰা যাব জানো? নাৰী-পুৰুষৰ সমতা আনিবৰ বাবে নাৰীৰ বাবে সংৰক্ষণে সামান্যভাৱে সহায় কৰিলেও এইদৰে পুৰুষৰ দয়াৰ বশৱৰ্তী হৈ নাৰীমুক্তি কেতিয়াও সম্ভৱ নহ'ব। যিদৰে সম্ভৱ নহয় জমিদাৰ মহাজনৰ দয়াত কৃষকৰ মুক্তি আৰু পুঁজিপতি দয়াত শ্ৰমিকৰ মুক্তি।কেৱল বিপ্লৱৰ যোগেদি জমিদাৰ,পুঁজিপতি শ্ৰেণীৰ ধ্বংসৰ যোগেদিহে কৃষক,শ্ৰমিকৰ মুক্তি আহিব। অৱশ্যে নাৰী মুক্তিৰ বাবে পুৰুষ সমাজৰ ধ্বংস কামনা বা নাৰীয়েও পুৰুষৰ দৰেই আচৰণ কৰিবলৈ লোৱা এইবিলাক কিছুমান উদ্ভত চিন্তাহে। আমাৰ দেশত নহ'লেও পশ্চিমত এনে কিছু উদ্ভত উগ্ৰ নাৰীবাদী চিন্তা দেখা যায়। আচলতে নাৰী মুক্তি বাবে পুৰুষক নহয় পুৰুষ প্ৰধান সমাজ ব্যৱস্থাক ধ্বংস কৰিবই লাগিব। ইয়াৰ বাবে যিদৰে লাগিব সঠিক তত্ব আৰু তাৰ প্ৰয়োগৰ ভিত্তিত সমাজবিপ্লৱ, একেদৰে পুৰুষৰ কান্ধত কান্ধ মিলাই, খোজত খোজ মিলাই আগবাঢ়িব পৰাকৈ নাৰীসকলে নিজকে প্ৰস্তুত কৰিব লাগিব।

ব্যাপক নাৰীসমাজক পটু কৰি তুলিবলৈকে সংগঠিত কৰিব লাগিব বিপ্লৱী নাৰী সংগঠনৰ। এই সংগঠনৰ জৰিয়তেই নাৰীসমাজৰ সাংগঠনিক দক্ষতা ,নেতৃত্ব দিব পৰা ক্ষমতা বঢ়াই তুলিব পৰা যাব। নাৰীসকলৰ মুক্তি নাৰীসকলে নিজেই আনিব





লাগিব। এই বিষয়ে ব্যাপক নাৰীসমাজক শিক্ষিত কৰিব পাৰিলেই নাৰীৰ স্বকীয়তা বাঢ়িব। এই বিকাশমান স্বকীয় নাৰী আন্দোলনে সৃষ্টি কৰিব এচাম দক্ষ নাৰী সংগঠকৰ। যি সকলে ক্ৰমে ক্ৰমে যিকোনো গণ আন্দোলনৰ নেতৃত্ব বহন কৰিবলৈ আগবাঢ়ি আহিব পাৰিব। গতিকে পুৰুষৰ লগত প্ৰত্যক্ষ প্ৰতিযোগিতাত নামি নপৰাকৈয়ে নেতৃত্বৰ দক্ষতা আহৰণ কৰিবলৈ স্বকীয় নাৰী আন্দোলনত নাৰীসকলেই সমস্ত নেতৃত্ব বহন কৰিবলৈ আগবাঢ়ি অহা উচিত। এই ক্ষেত্ৰত সততে থাকি যোৱা পুৰুষৰ ওপৰত নিৰ্ভৰশীলতাৰ বিৰুদ্ধে নাৰী সংগঠনৰ ভিতৰত সংগ্ৰাম চলাব লাগিব। থোৰতে ক'বলৈ গ'লে নাৰীমুক্তি আন্দোলনত কমিউনিষ্ট পাৰ্টিৰ মতাদৰ্শগত নেতৃত্ব মানি চলাৰ প্ৰয়োজন যদিও ইয়াৰ ব্যৱহাৰিক নেতৃত্ব নাৰীসকলে নিজেই দিয়াটো নিশ্চিত কৰিবই লাগিব। অৱশ্যে নাৰীসকলে আত্মনিৰ্ভৰশীল হোৱাৰ বাবে চেষ্টা চলোৱাৰ লগে লগে পুৰুষসকলেও নাৰীক প্ৰকৃতাৰ্থত আত্মনিৰ্ভৰশীল হ'বৰ কাৰণে সৌভ্ৰাতৃত্বৰ বন্ধুত্বপূৰ্ণ প্ৰসাৰিত হাত আগবঢ়োৱা নিতান্তই প্ৰয়োজনীয়।

◆◆



Major Khushboo Kanwar, who made history by leading an all women contingent of the Assam Rifles in the Republic Day parade, on 26th Jan. 2019

# Ferns

□ Dr. Sanjukta Gohain Boruah
Associate Professor & HOD
Dept. of Botany

Pteridophytes constitute an important part of the plant kingdom, as they are worldwide in distribution. Ferns are Pteridophytes that do not produce flowers and seeds, reproducing by production of spores and the vegetative methods. Worldwide ferns are most abundant group of seedless vascular plants, with an estimated 9,200 to 12,000 species. The fossil record indicates that ferns originated during the Devonian period (360-299 million years ago). Today ferns occur in most terrestrial and epiphytic habitats and are also present in some aquatic environment. Ferns are also an important part of the understory vegetation in many forest communities and about one third of the species growing on the trunks and branches of trees.

Ferns have enormous economic potentiality as medicine, sources of food, fodder, aromatic oil and folk remedies. Ferns have been employed in Ayurvedic, Homeopathic and Unani system of medicines since the times of Charaka and Sushruta.

Various ferns are eaten as food. The most important edible species are ostrich fern (*Matteuccia struthiopteris)* and *Diplazium esculantum*, whose fiddle heads are used as vegetables.

In recent times ferns have also proved themselves as pollution indicator as well as insect repellents.

One of the most economically valuable species of fern in *Azolla*, a tiny floating aquatic fern. In many countries, farmers have inoculated *Azolla* in rice fields to increase yield. The hollow chamber of *Azolla* leaves contain symbiotic nitrogen fixing blue green algae. *Anabaena azollae*, that fix atmospheric nitrogen, an important plant nutrient. It has been found that by applying *Azolla*, the soil fertility is improved by increasing nitrogen, organic carbon, phosphorous and potassium.



ঈক্ষা : ৪র্থ সংখ্যা

Ferns play an important role in bioremediation of waste water. *Pteris vitatta* is a hyperaccumulator of the toxic metal arsenic.

Beside having all these wonderful properties ferns are important for their ornamental value. A green house is incomplete without ferns, that has been potted up and can be multiplied by its rhizome cuttings. Some popular ornamental ferns are given below.

Scientific name :

*Nephrolepis exaltata (L)*

(Boston fern)

Family : Polypodiaceae



*Nephrolepis exaltata* is a medium to large fern with short, erect, stoloniferous rhizomes. It grows best under medium to high light in moist soil. The stipe base have brown scales. The pinnae are usually less than 5 cm long with a few hair like scales on the upper surface. The indusia are round to kidney shaped, mostly opening towards the margin.



*Nephrolepis exaltata smithii* is a lace fern. Fronds are 4-pinnate, dwarf about 30 cm long, wide, ovate arching to pendent, lacy.

Scientific name :

*Nephrolepis falcata* (c)

(Fish tail sword fern)

Family : Polypodiaceae



A large fern with erect, stoloniferous rhizomes and erect pendulous, long fronds. It grows well under medium to high light in moist soil. The pinnae are about 10 cm long and often curved towards the apex (falcate). The fertile pinnae are slightly narrowed compared to the sterile one. Pinnae tips are once or twice forked.

Scientific name :

*Adiantum capillus-veneris* (L)

(Maidenhair fern)

Family : Pteridaceae

A small to medium fern with fronds in loose clusters and much branched, short creeping rhizomes. It grows best in moist garden soil. It is characterised by three to four pinnate blades and wedge-shaped segments with veins ending in marginal teeth. It often grows on rocks, especially around springs.



Scientific name :

*Adiantum peruvianum* (K)

(Silver-dollar fern, Peruvian maidenhair)

Family : Pteridanceae

It is a medium-sized fern with fronds clustered from a short creeping rhizomes. It has black stems and large flat pinnules. It is frequently grown as an ornamental in greenhouse or as a houseplant.



Scientific name :

*Davallia sp.* (Hare's foot fern)

Family : Davalliaceae

Rhizomes are stout, appearing furry, with a dense narrow brown scales. Fronds are 25-45 cm, triangular, quadripinnatified. They are excellent plant for hanging baskets or can be grown on tree bark, moss sticks or in pots.



Scientific name :

*Asplenium nidus crissie* (L)

(Lasagne fern)

Family : Aspleniaceae

A medium sized fern with an erect rhizome, able to grow up to a spread of about 0.6-0.9m wide. The fronds form a rosette arrangement with curly margins. The genus *Asplenium* means without spleen and is usually reference for the fern to cure spleen ailments.





TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM



Scientific name :

*Asplenium scolopendrium*

'Marginatum'

(Hart's tongue fern)

It is a beautiful evergreen fern with stocky, upright rhizomes. The fronds are 10-60 cm long, rich glossy green, entire, strap-shaped and variably wavy margined, sori linear. It grows well in moist, shady place.



Scientific name :

*Lycopodium squarrosum*

(G. Forster)

Family : Lycopodiaceae

*Lycopodium squarrosum* is a beautiful medium sized plant with clump forming, pendulous or erect, evergreen stems that are several times branching. It grows best in medium light in hanging containers.



Scientific name : *Pityrogamma calomelanos* (L)

(Silver back-fern)

Family : Pteridaceae

It is a medium sized fern with sub-erect rhizomes. It grows well under medium to high light in moist soil. It has scales on the rhizome. The stipe is often long as the blade, which is two to three pinnate-pinnatified and white on under side.



Scientific name :

*Cyrtomium falcatum* (L)

Family : Dryopteridaceae

It is a medium-sized fern with erect rhizome. It grows well under medium to high light in moist soil. The fronds are about 30 to 70 cm long and bear 8-10 pairs of pinnae. The pinnae are thick, leathery and dark glossy green in colour.



Scientific name :
*Blechnum gibbum* (L)
Family : Btechnaceae



*Blechnum gibbum* is a medium sized fern with erect trunk like stem (a dwarf tree fern) and fronds are borne in a rosette like whorl. It grows best in medium light and in moist soil. It is an appropriate fern for gardens and green houses.

Scientific name :
*Microsorum pustulatum* (G. Forster)
Famil; : Polypodiaceae



It is a medium sized fern with long creeping rhizomes. It grows well in medium light. The fronds are entire to broadly or deeply lobed, dark green and leathery. The veins are clearly visible. The sori are in one row between the costa and margin.

Scientific name : *Microsorum punctatum* (L)



(Mermaid tail)
Family :
Polypodiaceae
It is a spectacular specimen developed Philippines and Thaii collection. It is a medium to large fern, stunning with large, soft, bright, light green fronds.

Scientific name :
*Microsorum musifolium* (Blume)
Family : Polypodiaceae



It is a large fern with short-creeping rhizomes. It grows well in medium to high light in drained soil or uncut moss. The fronds are light green in colour and 0.5-1m long, sessile, truncate to obtuse at the base and often narrowed above. The venation is regular and conspicuous with 6-10 primary connective veins.

Beside these many ferns and fern allies are cultivated for their ornamental value either as indoor plants or outdoors in the gardens due to their delicate beauty and grace.





# শৰীৰত আয়'ডিনৰ প্ৰয়োজনীয়তা আৰু আয়'ডিনযুক্ত লৱণৰ ব্যৱহাৰ

□ মণিকা দেৱী
মুৰব্বী, ৰসায়ন বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

শৰীৰ ভালে ৰাখিবলৈ সুষম আহাৰ গ্ৰহণৰ অভ্যাস গঠন কৰাটো অতি দৰকাৰী। সুষম আহাৰ সুস্বাদুকৈ তৈয়াৰ কৰিব পৰাটোও এক সুন্দৰ কলা। প্ৰতিদিনেই প্ৰতিটো পৰিয়ালেই দৈনন্দিন খাদ্য তৈয়াৰ কৰিবলৈ লৱণ ব্যৱহাৰ কৰে। এই লৱণসমূহ ঠাই বিশেষে বেলেগ বেলেগ হয়। ভিন ভিন পদ্ধতিৰে নিষ্কাষণ কৰা লৱণসমূহ হৈছে —

১। ক'চাৰ লৱণ (Kosher Salt)
২। সাগৰীয় লৱণ (Sea Salt)
৩। গুলপীয়া লৱণ (Pink Salt)
৪। মাটিয়া লৱণ (Gray Salt)
৫। ফ্লোৰ দি চেল (Fleur de Sel or Flower of Salt)
৬। ক'লা লৱণ (Black Salt)
৭। ৰঙা লৱণ (Red Salt)
৮। আয়'ডিনযুক্ত লৱণ (Iodised Salt)
ইত্যাদি।

ইবিলাকৰ উপৰিও কিছুমান কম ছডিয়ামযুক্ত (Low Sodium Salt) লৱণ বজাৰত বিক্ৰী হৈ থাকে। বজাৰত শেহতীয়াকৈ উপলব্ধ অন্য এবিধ লৱণ হৈছে — পিউৰ' লৱণ (Puro Salt)। কেলচিয়াম (Calcium), মেগনেচিয়াম ( Magnesium), পটাচিয়াম (Potassium), আয়'ডিনৰ দৰে প্ৰায় ৮০ বিধমান পুষ্টি সাধক মিহলি কৰি এই লৱণ প্ৰস্তুত কৰা হৈছে। স্বাস্থ্যৰ কাৰণে লাভদায়ক লৱণ হিচাপে বিক্ৰেতা কোম্পানীসমূহে ইয়াক বজাৰত যোগান ধৰিছে। সাধাৰণ লৱণতকৈ ইয়াৰ দাম অধিক।

আমাৰ দেশত সাধাৰণ লোকে জ্ঞাতে-অজ্ঞাতে আয়'ডিনযুক্ত লৱণ ব্যৱহাৰ কৰে। কিয়নো চৰকাৰে ১৯৮৯ চনৰ পৰাই আয়'ডিনযুক্ত লৱণৰ ব্যৱহাৰ বাধ্যতামূলক কৰিছে। আয়'ডিনযুক্ত লৱণৰ ব্যৱহাৰিক গুৰুত্বৰ বিষয়ে আলোচনা কৰাটোৱেই মূল বিষয় যদিও, ইয়াৰ আনুষঙ্গিক কিছুমান প্ৰশ্ন আৰু ইয়াৰ সমাধান পোনতে আগবঢ়াব খুজিছোঁ।

**আয়'ডিন কি?**

আয়'ডিন হৈছে মানৱদেহৰ বাবে প্ৰয়োজনীয় এবিধ অতি সূক্ষ্ম (micro) পুষ্টিসাধক (nutrient) মৌল। কিছুমান বিশেষ কাৰ্যৰ বাবে শৰীৰক ইয়াৰ দৰকাৰ হয়। শৰীৰক এই মৌলবিধ কিন্তু বাহিৰৰ পৰাহে যোগান ধৰিব লগা হয়। সেয়েহে শৰীৰে প্ৰয়োজনীয় হাৰত আয়'ডিন পাবলৈ হ'লে আমি

সকলোৱে সুষম আহাৰ গ্ৰহণ কৰিবলৈ চেষ্টা কৰিব লাগে।

**শৰীৰক আয়'ডিন কিয় লাগে?**

মুখ্যতঃ থাইৰয়ড গ্ৰন্থিসমূহত থাইৰয়ড হ'ৰমন উৎপাদন কৰিবলৈ আয়'ডিন লাগে। আয়'ডিনৰ অভাৱত সৃষ্টি হোৱা ৰোগকেই থাইৰয়ড জনিত ৰোগ বুলি কোৱা হয়। আমাৰ দেশত আয়'ডিনৰ অভাৱজনিত ৰোগ (Iodine Deficiency Disorder, IDD) বিধ অতি গুৰুত্বপূৰ্ণ পুষ্টিজনিত সমস্যা হিচাপে চৰকাৰীভাৱে প্ৰকাশিত। দেহত আয়'ডিনৰ অভাৱ ঘটিলে থাইৰয়ড গ্ৰন্থিত আয়'ডিনৰ পৰিমাণ কমি যায় আৰু থাইৰক্সিন ক্ষৰণ অত্যাধিকভাৱে হ্ৰাস পয়। এনে অৱস্থাত থাইৰয়ড ষ্টিমুলেটিং হ'ৰমন (Thyroid Stimulating Hormone, TSH)ৰ ক্ষৰণ বাঢ়িবলৈ ধৰে। ফলত থাইৰয়ড গ্ৰন্থিসমূহ বৃদ্ধি হৈ গইটাৰ (Goiter) ৰোগলৈ পৰিবৰ্তন হয়। শৰীৰত আয়'ডিনৰ অভাৱ হ'লে মগজুৰ ক্ষয় (Brain damage), মানসিক বাধাগ্ৰস্ততা (Mental retardation), মাংসপেশীৰ বিসংগতি (Muscular disorder), মৃত সন্তান জন্ম (Still birth), ক্ৰেটিনিজ'ম (Cretinism) আদিৰ দৰে অস্বাভাৱিকতাবোৰ আহি পৰে। আয়'ডিনহীনতাত ভোগা লোকসকল তুলনামূলকভাৱে সাধাৰণ লোকতকৈ কম সক্ৰিয় আৰু ভাগৰুৱা হয়। আয়'ডিনৰ অভাৱত শিশু জড় বুদ্ধিসম্পন্ন হোৱাৰ উপৰিও দেহৰৰ বিকাশৰ লগে লগে যৌনাংগৰ বিকাশ নঘটা অৱস্থাটোক জড় বুদ্ধি বিকৃত দশা বা ক্ৰেটিনিজ'ম (Cretinism) বোলে।

**শৰীৰক দৈনিক কিমান আয়'ডিন লাগে?**

প্ৰতিদিন হিচাপত শিশুৰ পৰা প্ৰাপ্তবয়স্ক লোকলৈকে আয়'ডিনৰ প্ৰয়োজন একে নহয়। The National Research Councilৰ মতে প্ৰতিজন লোকক দিনে ১০০ৰ পৰা ২০০ মাইক্ৰগ্ৰাম (Micro gram) আয়'ডিনৰ আৱশ্যক হয়। শিশুৰ পৰা বৃদ্ধ বনীতাক দৈনিক হিচাপত প্ৰয়োজনীয় আয়'ডিনৰ পৰিমাণ তলত উল্লেখ কৰা ধৰণৰ —

| বয়স | আয়'ডিনৰ পৰিমাণ (মাইক্ৰ'গ্ৰাম,Mg) |
|---|---|
| ০ৰ পৰা ৪ বছৰলৈ | ৯০ মাইক্ৰগ্ৰাম |
| ৯ৰ পৰা ১৩ বছৰলৈ | ১২০ মাইক্ৰগ্ৰাম |
| ১৪ৰ পৰা প্ৰাপ্তবয়স্ক লোকলৈ | ১৫০-২০০ মাইক্ৰগ্ৰাম |

কৈশোৰ অৱস্থাত, ছোৱালী পুষ্পিতা (Puberty) হোৱাৰ সময়ত আৰু গৰ্ভাৱস্থাত আয়'ডিনৰ আৱশ্যকতা অধিক হয়। কৈশোৰ (Adolescent) কালত দিনে প্ৰায় ১৫০ মাইক্ৰগ্ৰাম আৰু গৰ্ভাৱতী মহিলাক দিনে ২২০ মাইক্ৰগ্ৰাম আয়'ডিন দৰকাৰ হয়। সেয়েহে প্ৰতিজন লোকেই আয়'ডিনযুক্ত আহাৰ দৈনিক খাদ্য তালিকাত ৰখাটো অতি বাঞ্ছনীয়।

**আয়'ডিনৰ উৎস কি?**

সামুদ্ৰিক মাছ, পালেং শাক, বিভিন্ন পাচলি, যেনে — কেৰেলা, মূলা, পটল, চজিনা আদিয়ে আয়'ডিনৰ চাহিদা পূৰণ কৰিব পাৰে। সাগৰত থকা সৰু সৰু উদ্ভিদ বা তেনে পদাৰ্থসমূহো আয়'ডিনযুক্ত হয়। সাগৰৰ কাষৰীয়া অঞ্চলত উৎপাদিত শাক-পাচলি, ফলমূল বা অন্যান্য খাদ্যত প্ৰচুৰ আয়'ডিন থাকে। সাগৰৰ পৰা দূৰত্ব বাঢ়ি যোৱাৰ লগে লগে খাদ্য বস্তুত আয়'ডিন কমি যায়। কাৰণ আয়'ডিনযুক্ত শস্যৰ বাবে কৃষিভূমিসমূহত আয়'ডিনৰ প্ৰাচুৰ্যতা থাকিব লাগিব।





Amerian Thyroid Association (2009)ৰ সমীক্ষাত উল্লেখ কৰা মতে, নিম্নলিখিত খাদ্যসমূহও আয়'ডিনৰ অন্যতম উৎস —

ব্ৰেড (Bread), চিজ (Cheese), গৰুৰ গাখীৰ (cow's milk), কণী (Egg), আইচ্‌ক্ৰীম (Icecream) আয়'ডিনযুক্ত মাল্টি ভিটামিন (Ioidine containing multivitamins), সাগৰীয় মাছ, আয়'ডিনযুক্ত লৱণ, খোলাধাৰী প্ৰাণী (Shell fish)( যেনে - কেঁকোৰা, শামুক, অক্টোপাছ ইত্যাদি।

**আয়'ডিনৰ অভাৱজনিত ৰোগ (Iodine Deficiency Disorder)ৰ পৰা কেনেকৈ মুক্ত হ'ব?**

আয়'ডিনযুক্ত লৱণ খাদ্যত ব্যৱহাৰ কৰি এনে ৰোগৰ পৰা মুক্ত হ'ব পাৰি। আমাৰ দেহত প্ৰতিদিনে নগণ্য (tiny) পৰিমাণৰ আয়'ডিন লাগে যদিও, ইয়াক অৱহেলা (neglect) কৰা উচিত নহয়। প্ৰতিজন লোকে এই অকণমান আয়'ডিন যদি প্ৰতিদিনে ঔষধ আকাৰে গ্ৰহণ কৰে, তেন্তে ই এক দীঘলীয়া পৰিক্ৰমা। কাৰণ মৃত্যু পৰ্য্যন্ত ইয়াক গ্ৰহণ কৰিব লাগিব। এই সমস্যা দূৰ কৰিবলৈ আয়'ডিনযুক্ত লৱণৰ ব্যৱহাৰ বাধ্যতামূলক কৰি বিশ্বজুৰি এক আন্দোলন গঢ়ি তোলা হ'ল। কাৰণ আমাৰ খাদ্যভ্যাসত প্ৰতিদিনেই লৱণৰ গুৰুত্ব অধিক। গতিকে সাধাৰণ লৱণ ছডিয়াম ক্লৰাইডৰ লগত আয়'ডিন যুক্ত যৌগ মিহলি কৰি আয়'ডিনযুক্ত লৱণ প্ৰস্তুত কৰিলে আমাৰ শৰীৰে প্ৰতিদিনেই আয়'ডিন পাই থাকিব। কাৰণ আয়'ডিনযুক্ত লৱণত প্ৰায় ১৫ পি পি এম (ppm, Parts per million) আয়'ডিন থাকিলেই যথেষ্ট। চাৰিবিধ অজৈৱ আয়'ডিনৰ যৌগ যেনে পটাছিয়াম আয়'ডেট (Potassium Iodate), পটাছিয়াম আয়'ডাইড (Potassium iodide), ছডিয়াম আয়'ডেট (Sodium iodate) আৰু ছডিয়াম আয়'ডাইড (Sodium iodide)ক আয়'ডিনৰ উৎস হিচাপে লোৱা হয়। এক টন সাধাৰণ লৱণ আয়'ডিনযুক্ত কৰিলে মাত্ৰ ৩৭ গ্ৰাম পটাছিয়াম আয়'ডেট প্ৰয়োজন হয়।

বিশ্ব স্বাস্থ্য সংস্থা (WHO)ৰ সমীক্ষাত কোৱা হৈছে যে আয়'ডিনযুক্ত লৱণৰ ব্যৱহাৰ আৰম্ভ হোৱাৰ পৰা প্ৰায় ৯০ বিলিয়ন শিশু প্ৰতিবছৰে আই ডি ডি (IDD)ৰ প্ৰভাৱৰ পৰা মুক্ত হৈছে। ১৯৯৮ চনলৈকে প্ৰায় ষাঠি শতাংশ লৱণ আয়'ডিনযুক্ত হোৱাৰ কাৰণে সদ্যজাত শিশুৰ আই ডি ডিৰ আশংকা হ্ৰাস পাই আহিল। আজিকালি বিশ্বজোৰা লৱণ আয়'ডিনযুক্তকৰণ (Universal Salt Iodination) কৌশল প্ৰয়োগৰ ফলত আই ডি ডি নিৰ্মূলিকৰণৰ বাট মুকলি হৈ পৰিল।

**লৱণসমূহ আয়'ডিনযুক্ত হয়নে নহয় কেনেকৈ জানিব?**

এই প্ৰশ্নৰ উত্তৰ হিচাপে ক'ব পাৰি যে —

* চৰকাৰে ২০০৬ চনৰ ১৭ মে'ৰ পৰা কাৰ্যকৰী হোৱাকৈ আয়'ডিনহীন লৱণৰ বিক্ৰী বন্ধ কৰি দিছে।

* আজিকালি আয়'ডিনৰ পৰীক্ষাৰ কাৰণে কিছুমান সা-সৰঞ্জাম (testing kit) ও কিনিবলৈ পোৱা যায়।

* বজাৰত আই এছ আই (ISI) চাপ থকা আয়'ডিনযুক্ত লৱণ (Iodise salt)ৰ পেকেট কিনিবলৈ পোৱা যায়।

কেইবিধমান মাৰ্কা (Brand) থকা বজাৰত উপলব্ধ আয়'ডিনযুক্ত পেকেট লৱণৰ নাম ঃ

* আশীৰ্বাদ (Assirvad)
* চ'ফলা (Saffola)
* অন্নপূৰ্ণা (Annapurna)
* কেট্‌চ (Catch)
* কেয়া (Keya)
* সুন্দৰ হিল লৱণ (Sundar Healt Salt)
* টাটা নিমখ (Tata Salt)
* আকৰ লৱণ (Akar Salt)
* নিৰমা লৱণ (Nirma Salt)
* পতঞ্জলী লৱণ (Patanjali salt)
* এভ্ৰিডে' লৱণ (Everyday salt)

ইত্যাদি।

তাপ আৰু পোহৰৰ পৰিৱেশত এই লৱণসমূহৰ পৰা আয়'ডিন আঁতৰি যায়। তাৰোপৰি অন্য কিছুমান [illegible]ৰকো এই কাৰ্যৰ বাবে জগৰীয়া। এই কাৰকসমূহ হৈছে —

* বিক্ৰীৰ বাবে ট্ৰাক বা তেনে গাড়ীত এঠাইৰ পৰা অন্য ঠাইলৈ লৱণ কঢ়িয়াই নিওঁতে ৰ'দ বা বৰষুণ পৰি আয়'ডিন হ্ৰাস হয়।

* বিক্ৰেতাসকলে মুকলি স্থানত পেকেটসমূহ গোটাই ৰাখিলে, ৰ'দ বা বৰষুণে অনিষ্ট কৰিব পাৰে।

* সচেতনতাৰ অভাৱত উপভোক্তাই নিমখ খোলা মাটিৰ পাত্ৰ, আইনাৰ পাত্ৰ, বাঁহেৰে তৈয়াৰী পাত্ৰ বা তেনে কোনো খোলা পাত্ৰত মুকলিকৈ ৰাখে। ফলত খোলা পাত্ৰৰ নিমখৰ পৰা এক মাহৰ ভিতৰত প্ৰায় পঁচিশ শতাংশ 25% আয়'ডিন আঁতৰি যায়। এনেদৰেই অসচেনতা বা অজ্ঞতাৰ বাবে আয়'ডিনযুক্ত নিমখ এতিয়াও খাদ্যত ব্যৱহৃত হৈ আছে।

আমি কি কৰা উচিত ?

বজাৰৰ পৰা লৱণ কিনিবৰ সময়ত গ্ৰাহকে কেইটামান কথা চকু ৰখা উচিত —

* লৱণৰ পেকেটটো যাতে সম্পূৰ্ণ বায়ুমুক্ত (air tight) অৱস্থাত থাকে।

* বজাৰত মুকলিকৈ পোহৰৰ সংস্পৰ্শত থকা পেকেটৰ দ'মৰ পৰা নিমখ কিনিব নালাগে।

* লৱণসমূহ তৈয়াৰীকৰণৰ একবছৰৰ ভিতৰত ব্যৱহাৰ কৰিব লাগে। (নিমখৰ পেকেটসমূহত তৈয়াৰীকৰণৰ তাৰিখ লিখা থাকে)

* ঘৰত ছয় মাহৰ অধিক কাল জমা কৰি নিমখ ব্যৱহাৰ কৰিব নালাগে।

ওপৰত আলোচনা কৰাৰ দৰে সকলোৱে নিজস্বভাৱে কিছু সাৱধানতা অৱলম্বন কৰিব পাৰিলেই আই ডি ডি ৰোগমুক্ত হোৱাটো সম্ভৱ হ'ব। চৰকাৰে এইক্ষেত্ৰত বহুতো কাম কৰি আছে। বেচৰকাৰী অনুষ্ঠানসমূহেও সাধাৰণ জনতাক সজাগ কৰিবলৈ আগবাঢ়ি আহিছে। গৱেষকসকলেও বিভিন্ন দিশৰ পৰা এই বিষয়ক গৱেষণাৰ কাম-কাজ চলাই আ[illegible] ২০১৩ চনত ভাৰতবৰ্ষৰ ৩২৪ খন জিলা সামৰি কৰা এক জৰীপ (Survey)ত দেখা গৈছিল যে ২[illegible] খন জিলাৰ লোক আয়'ডিনৰ অভাৱজনিত ৰোগত আক্ৰান্ত। এই হাৰ অৱশ্যে লাহে লাহে কমি আহিছে। সামাজিক সচেতনতাই হে এই ক্ষেত্ৰত মুখ্য সহায়ক হ'ব। সমাজক সচেতন কৰিবলৈ বিশ্ব স্বাস্থ্য সংস্থাই ২১ অক্টোবৰ দিনটো আয়'ডিনৰ অভাৱজনিত ৰোগ প্ৰতিৰোধ দিৱস (Prevention





of IDD Day) বা বিশ্ব আয়'ডিনৰ অভাৱজনিত দিৱস (World Iodine Deficiency Day) হিচাপে পালন কৰে।

আয়'ডিনযুক্ত লৱণ ব্যৱহাৰ কৰাত গুৰুত্ব দিয়াৰ সময়ত এনে প্ৰশ্নবো উদয় হ'ব পাৰে যে — যিসকল লোকৰ শৰীৰত আয়'ডিনৰ অভাৱ নাই, তেনে লোকে আয়'ডিনযুক্ত লৱণ গ্ৰহণ কৰাটো উচিত নে অনুচিত? চিকিৎসা শাস্ত্ৰৰ বিধান অনুযায়ী, যিহেতু প্ৰাপ্তবয়স্ক লোকক গড়ে ১০০ মাইক্ৰ'গ্ৰাম আয়'ডিন লাগেই, অলপ বেছি হ'লেও চিন্তাৰ কোনো কাৰণ নাই। কিন্তু যদি আয়'ডিনৰ পৰিমাণ ১০০০ মাইক্ৰ'গ্ৰাম বা তাতোতকৈ বেছি হয়, তেনেহ'লে শৰীৰত ইয়াৰ কু-প্ৰভাৱ পৰা দেখা যায়। এনে অৱস্থাত চিকিৎসকৰ পৰামৰ্শ লোৱাটো অত্যন্ত জৰুৰী। ◆◆

সহায়ক গ্ৰন্থপঞ্জী ঃ

১. স্বাস্থ্য পৰিচৰ্যা, জানুৱাৰী সংখ্যা ২০০৭।
২. স্বাস্থ্য প্ৰহৰী, অক্টোবৰ সংখ্যা ২০১৫।
৩. Biochemistry — Powar and Chatwal
৪. International Journal of Food Science Volume 2018, Article ID 4394908, 9 pages.
৫. Journal of Family Medicine and Prime Care Volume 6 (2); Apr-Jun 2017, PMCb 749052

Lieutenant Bhavana Kasturi became the 1st women officer to lead an all men Army contingent in the Republic Day parade. She led the Army Services Corps Contingent.



# অসমীয়া ফকৰা যোজনা, উপমা-পটন্তৰ আদিত নাৰীৰ বৰ্ণনা

□ ড° ৰূপালী গগৈ
সহযোগী প্ৰাধ্যাপিকা, প্ৰাণীবিজ্ঞান বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

ফকৰা-যোজনা, উপমা-পটন্তৰ, প্ৰবাদ-প্ৰবচন প্ৰত্যেকৰে অৰ্থ সুকীয়া সুকীয়া যদিও অসমীয়াত ইয়াক সমাৰ্থক শব্দ হিচাপেই ব্যৱহাৰ কৰা হয়। এইবোৰ লোক মনৰ সৃষ্টি। ভাষাৰ ব্যঞ্জনা হিচাপে তথা বক্তব্যৰ যথাৰ্থ শক্তি প্ৰকাশৰ বাবে ইয়াৰ মূল্য অধিক। অসমীয়া ভাষাত ব্যৱহাৰ হোৱা এনেধৰণৰ ফকৰা-যোজনাত নাৰীৰ বৰ্ণনাও অতি উপাদেয় ৰূপত আছে। অৱশ্যে ক'বই লাগিব সেয়া ভাল আৰু বেয়া দুয়োটা ৰূপতেই আছে। এই প্ৰবন্ধত ভাল বা বেয়া তাক বিচাৰ নকৰি যেনেকৈ ব্যৱহাৰ কৰা হয় বা হৈছিল তাকে এই লেখাৰ মাধ্যমেৰে দাঙি ধৰাৰ সামান্য প্ৰয়াস হে মাথোন কৰা হৈছে।

নাৰীৰ সকলো ৰূপৰ ভিতৰত মাতৃ ৰূপেই আটাইতকৈ শ্ৰেয়। *"জননী জন্মভূমি চ স্বৰ্গাদপি গৰীয়সী"*। সেইবাবে কোৱা হয় ঃ

*"আইৰ সমান হ'ব কোন, নৈৰ সমান বব কোন"*।

কালৈকো অপেক্ষা নকৰাকৈ নৈ বৈ যায়; বৈ যোৱাই তাৰ ধৰ্ম। মাকৰো সন্তানৰ প্ৰতি তেনেকৈ মৰম-চেনেহৰ নিচিগা ধাৰে সোঁত বৈ যায়।

পুত্ৰৰ বয়স বাঢ়ি গ'লেও মাকে সৰু বুলিয়েই বিবেচনা কৰে। সেয়ে ক'ৰবাৰ পৰা অথবা কামৰ পৰা ঘৰলৈ ঘূৰি আহিলে পুতেকৰ মুখলৈ চাই কষ্ট হৈছে নেকি তাৰ বুজ লয়।

*"আয়ে চায় মুখলৈ, তিৰিয়ে চাই হাতলৈ।"*

বিবাহিতা ছোৱালী মাকৰ ঘৰলৈ আহিলে মাকে আথে-বেথে খাবলৈ দিয়ে। কিন্তু মাক নাথাকিলে সেই আদৰৰ পৰা বঞ্চিত হয় বুলি ধাৰণা। সেয়েহে কোৱা হৈছে ঃ

*"আই আছে যদি খাই যা, আই নাই যদি চাই যা।"*

মাক থাকিলে বিবাহিতা জীয়েকক এমুঠি হ'লেও খোৱাই পঠিয়াব। কিন্তু যদিহে মাক নাথাকে, তেন্তে সেই চিন্তা আনে নকৰিবও পাৰে। সেইদৰে মাকৰ ঘৰত থকা কালতে জীয়েকে খাবলৈ পায়, আৰু সন্তান জন্ম হোৱাৰ আগলৈকে বিবাহিতা মহিলাই শান্তিৰে শুবলৈ পায়। সন্তান জন্ম হোৱাৰ পাছত সন্তানৰ লালন-পালন কৰোঁতেই ৰাতি ভালদৰে শুবলৈ নাপায়। সেইবাবে কোৱা হয় ঃ

*"খা খা ছোৱালী আইৰ ওচৰত থাকোঁতেই*
*শো শো ছোৱালী নৌ পো-জী হওঁতেই।"*





মাকে যিদৰে সন্তানৰ খোৱা-বোৱাৰ যতন লয়, গোটেই গাঁওখনত মাহী-পেহী আদি ভৰি থাকিলেও সেইদৰে খোৱা-বোৱাৰ খবৰ-খাতি নকৰে। সেই গাঁওখনত আত্মীয়-স্বজনেৰে পৰিপূৰ্ণ হৈ থাকিলেও লঘোণে-ভোকে থাকিবলগীয়া অৱস্থা হ'ব পাৰে।

*"মাহী আছে, পেহী আছে, জুৰি আছে গাঁও,*
*আই নাই দেখি আজি লঘোণে যাওঁ।"*

মাতৃৰ স্নেহ আত্মীয়-স্বজন, বন্ধু-বান্ধৱ আদি সকলো স্নেহতকৈ বেছি। দেউতাকৰ অবিহনে সন্তানৰ সংসাৰ চলোৱাৰ ভাৰ পৰে; কিন্তু মাক নাথাকিলে খোৱা-বোৱাৰ প্ৰতি খবৰ লওঁতা কোনো নোলায়। সেয়েহে কোৱা হয় ঃ

*"আত্মীয় জাতীয় যত বন্ধুজন*
*মাতৃৰ স্নেহতকৈ নাই কোনোজন।"*
*"পিতৃ অবিহনে সংসাৰৰ পৰে ভাৰ,*
*মাতৃ অবিহনে ভোজনৰ ছাৰখাৰ;*
*ভাৰ্যা অবিহনে কুচিত নিদিয়ে ঠাই,*
*ভাতৃ অবিহনে শত্ৰুৱে পাই লাই"।*
*"শাহু থাকে মানে জোঁৱাই,*
*আই থাকে মানে মোমাই"।*

নাৰীৰ মুখত কথা নৰয় বুলি এটা বদনাম আছে। কিবা কথা এটা কোনোবাই ক'লে সি আৰু গোপন হৈ নাথাকি ইকাণ-সিকাণ সহস্ৰ কাণ হৈ বাগৰি যায়। তাৰ এটা উদাহৰণ হ'ল ঃ

*"আয়ে ক'লে বাটত, বায়ে ক'লে তাঁতত,*
*মই শুনি আহিলোঁ পানী অনা ঘাটত।"*

অধিক বাঢ়েত গুৰ ধমনা হোৱাদি অতি বিজ্ঞজনৰো যে ভুল হয় তাক উল্লেখ কৰি কৈছে ঃ

*"অতি ফুলতিৰ ফুলত কেনা।"*

এনে কিছু মহিলা আছে, যি কোনো এটা বস্তু নিজেও ব্যৱহাৰ নকৰে, আনকো কৰিবলৈ নিদিয়ে, তেনে লোকৰ বিষয়ে কৈছে ঃ

*"আকলি বুঢ়ীৰ মন,*
*নিজেও নাখায়, আনকো নিদিয়ে,*
*চাই থাকিবৰ মন।"*

প্ৰতিগৰাকী নাৰীৰ ভাগ্য যেন আনৰ ওপৰতহে নিৰ্ভৰশীল; স্বামীয়েই যেন সৰ্বস্ব। স্বামীৰ অবিহনে যেন নাৰীৰ জীৱনে পূৰ্ণতা নাপায়।

*"আকাশত তৰা নাই, নজলয় তৰা,*
*যি নাৰীৰ পুৰুষ নাই, জীৱন্তে মৰা।"*
*"আকাশত চন্দ্ৰ নাই, তৰা জিলমিল কৰে,*
*যেই নাৰীৰ পুৰুষ নাই, ৰূপে কি গুণ কৰে।"*
*"কত ভাগ্যে পুত্ৰৱতী নাৰী,*
*কত ভাগ্যে তামোল-পাণৰ বাৰী,*
*কত ভাগ্যে পৰে পৰক খায়,*
*কত ভাগ্যে ভাতক ভাতে খায়।"*
*"তামোল-পাণৰ বাৰী, পুত্ৰৱন্তহে নাৰী।"*
*"ল'ৰা ধান, ছোৱালী পতান।"*

বিবাহৰ যোগ্য ছোৱালী কেনে হোৱা উচিত তাকো ফকৰা-যোজনাৰ মাজেদি প্ৰকাশ কৰিছে এনেদৰে ঃ

*"আহু চাবি গধুলি, শালি চাবি পুৱা,*
*জাকৈ বাওঁতে ছোৱালী চাবি কোন কেনেকুৱা।"*

আহু ধান গধুলি আৰু শালি ধান পুৱা চালে গম পোৱা যায় ধান হ'বনে পতান হ'ব। ঠিক তেনেদৰে জাকৈ বাওঁতে কোনো ছোৱালীৰেই গাত প্ৰসাধন নাথাকে বাবে প্ৰকৃত চেহেৰা প্ৰস্ফুটিত হয়। গতিকে ছোৱালী সুন্দৰী হয় নে নহয়, কাজী-কৰ্মঠ হয় নে নহয় তাক জানিব পৰা যায়।

*"কাজী চাবা আগত, ছোৱালী চাবা মাঘত"*।

*কেনে ছোৱালী লখিমী বা সুলক্ষণী তাৰো বৰ্ণনা*

*দিছে এনেদৰে ঃ*

*"খৰম জুৰীয়া ভৰি,*
*ধুৰুহা কঁকাল, উচলা দাঁত,*
*উঠঙী কপাল, কুটকুৰা চুলি,*
*সেই নাৰীক কুলক্ষণী বুলি।"*

ধনী বা আঢ্যৱন্ত হ'লেও বেয়া ঘৰৰ লোকৰ ছোৱালী বিয়া নকৰাবলৈ উপদেশ দি কৈছে যে তাতকৈ ভাল ঘৰৰ বান্দী এজনী পত্নী কৰি অনাই ভাল।

*"ভালৰ বান্দীকো আনিবা, বেয়াৰ বেটীকো নানিবা।"*
*"মাকে শলাগে জী, বাপেকে শলাগে জী;*
*চুবুৰীয়াই যাক শলাগিব, সেইহে মাকৰ জী।"*
*"মাছৰ চিকুণ মোৰা, ছোৱালীৰ চিকুণ কঁকাল চিএগ্ৰা।"*
*"মাছৰ নানিবা সৰু কুটা, তিৰী নানিবা বজাৰ লুটা।"*
*"ছাগলী কিনিবা এচাৰি শিঙিয়া, গৰু কিনিবা গাই,*
*ভাল মানুহৰ ছোৱালী আনিবা, চহকী কৰিব তাই।"*

"চাৰ্মান তিৰোতা নানিবা ঘৰত,
ঘৰ ভাঙি কৰে লৰক ফৰক।"

"সুতিৰী ফেদেলী, সুফল কদলী,
সুজল বৰিষণ, সুপুৰুষ কিৰিষণ,
সুপুৰুষ ৰামা, সুতিৰী শ্যামা।"

"ৰজাক চিনিবা দানত, হাতীক ফানত, ঘোঁৰাক কাণত,
খুৰক চিনিবা শাণত, তিৰীক চিনিবা স্নানত।"

"তিৰোতাৰ শুৰনি মাত,
হাতীৰ শুৰনি দাঁত।"

"হাতী শুৱনি দাঁতে, তিৰী শুৱনি মাতে।"

"পুৰুষৰ লঘু লপলপীয়া,
তিৰোতাৰ লঘু ঘৰ বেৰোৱা।"

"সৰুমুৱা ছোৱালী কুটুম্বৰ ঘাই,
মাজ ডাঙৰ ছোৱালী পৈয়েকৰ মূৰ খায়।"

"মাকতকৈ জীয়েক কাজী, ঢেঁকী ঠোৱাৰে বাটি পাঁজী।"

শাহু-বোৱাৰী-ননদৰ সম্পৰ্কৰ কথা শেষ কৰিব নোৱাৰি। তাৰে দুটামান নিদৰ্শন হ'ল ঃ

"কচু হ'লে খজুৱায়
শাহু হ'লে নচুৱায়,
ননদ হ'লে খুটি তাল বায়।"

"মাছে গৰকা পাচলি খাবা,
শাহুৱে গৰকা বোৱাৰী বাবা।"

প্ৰথমতে বোৱাৰী অৱস্থাত শাহুৱেকৰ অত্যাচাৰ সহি আছিল, কিন্তু শাহু বুঢ়ী হৈ অহাৰ লগে লগে চকুৰে যেতিয়া কম দেখা হ'ল, তেতিয়া বোৱাৰীয়েকে তাৰ পোতক তুলিছে এইদৰে ঃ

"এনেয়েও কাণী, তেনেয়েও কাণী
শাকত দিওঁ ভালকৈয়ে পানী।"

আগতে পুৰুষে কেইবাগৰাকী নাৰীক বিয়া কৰাইছিল। একাধিক নাৰীক বিয়া কৰালে কি অৱস্থা হয় তাৰ চিত্ৰ এখন সুন্দৰ ৰূপত দাঙি ধৰিছে এইদৰে ঃ

"এক তিৰীয়া লোদোৰ-পোদোৰ,
দুই তিৰীয়া গাঁতৰ এন্দুৰ,
তিনি তিৰীয়াই নাপায় ভাত,
চাৰি তিৰীয়াৰ মূৰৰ হাত।"

এগৰাকী পত্নী থকা অৱস্থাত আন এগৰাকী আনি ঘৰ সোমোৱালে দুই সতিনীৰ মাজত অনবৰতে খকাখুন্দা লাগি থাকিব। ফলত গিৰিয়েকৰ জীৱনলৈ সুখ-শান্তি অহাৰ পৰিবৰ্তে অশান্তিময়হে হৈ পৰিব।

*"পুখুৰী থাকোঁতে পুখুৰী খন্দালোঁ,*
*ৰাজহাঁহ চৰিবৰ মনে;*
*এজনী থাকোঁতে এজনী আনিলোঁ*





*খৰিয়াল শুনিবৰ মনে।"*

*"লাগীয়ে ভাঙিলে কাঁহী, মিচিকিয়াই থলে হাঁহি,*
*এলাগীয়ে ভাঙিলে কতৰা, গড়গাঁও পালেগৈ বতৰা।"*

*"সতিনী ৰহীয়া পৈ,*
*এবেলা হুঁহুৱাই, এবেলা কন্দুৱায়,*
*পথালি কোলাত লৈ।"*

*"সমান সতিনীৰ পো, ঘুমটি নাহে মোৰ।"*

*"সমান সতিনীৰ কোলাত পো, ঘুমটি নাহে মোৰ।"*

*"সতিনীৰ পোৱো নোবোলে আই,*
*সেই অপমানে মৰিব যায়।"*

*"এজনীয়ে ৰান্ধে বাঢ়ে, এজনীয়ে খায়,*
*এজনীয়ে খং কৰি মাকৰ ঘৰলৈ যায়।"*

*পত্নী সদায় পতিৰ আদৰৰ সেয়ে কৈছে ঃ*

*"ঘৰৰ ঘৈণী ল'ৰাৰ মাক,*
*তোক নামাতি মাতিমনো কাক।"*

*"পৈয়েক বুলিলে কাজি, মন ভাল লাগিছে আজি।"*

*"ঘৈণীয়েই ঘৰ, ঘৈণী নহ'লে ঘৰ লৰফৰ।"*

কোনো তিৰোতাই নিজকে পাকৈত বুলি ভাবে, তেওঁ কিন্তু সময়ত কামটো কৰিব নোৱাৰে আৰু কিন্তু কামত পাৰ্গত নোহোৱালৈকে ধীৰ সুস্থিৰে কামটো কৰি সময়মতে সমাধা কৰিব পাৰে। তেনে নাৰীৰ কথা উল্লেখ কৰিছে এইদৰে ঃ

*"খৰ ৰান্ধনী, খৰ বাঢ়নী, পৈয়েক লঘোণে যায়।*
*ওদা ৰান্ধনী, ওদা বাঢ়নী, পৈয়েকে তিনিসাজ খায়।"*

*"তিনি গধূলি তৰিছে তাঁত,*
*উজুটিত চিঙিছে পৈয়েকৰ দাঁত।"*

*"ঘৰে প্ৰতি ঘৈণী, খালে প্ৰতি যখিনী"।*

কিবা দোষ কৰিলে ৰজাৰ আদেশত প্ৰাণদণ্ড হয়; কিন্তু ঘৰত পত্নীৰ ওচৰত জগৰ লগালে, তপত ভাত খাবলৈ পোৱাৰ পৰিৱৰ্তে আগদিনাৰ পঁইতা ভাল খায়েই থাকিবলগীয়াত পৰে। সেইবাকে কয় ঃ

*"ৰজাৰ দণ্ডিত কটা যায়;*
*তিৰোতাৰ দণ্ডিত পইতা খায়।"*

*"ৰজাৰ দোষত ৰাজ্য নষ্ট হয়, প্ৰজাই কষ্ট পায়;*
*ঘৈণীৰ দোষত ঘৰ নষ্ট হয়, লক্ষ্মীয়ে এৰি যায়।"*

*নাৰীৰ মৰ্যাদা হানিকৰ কিছুমান ফকৰা-যোজনা হ'ল এনেধৰণৰ ঃ*

*"অতামুলী তামুলী হ'ল, মুখেদি বোৱালে ৰং;*
*অঘৈণী ঘৈণী হ'ল, দুপৰীয়া বগালে চাং।"*

*"অতি সুন্দৰী তিৰীক নুবুলিবা ভাল।*
*তিনিটা দোষ তেওঁৰ নুগুছে সৰ্বকাল।"*

*"সৰ্ব সুলক্ষণী তাই,*
*পাটিতো মূতে, চৰুতে খায়।"*

*"অসতীৰ সজ জ্ঞান, গৰু চোৰৰ গংগাস্নান,*
*বেশ্যাতিৰীৰ একাদশী,*
*তিনিওৰে মূৰত হাগা বহি।"*

*"তিৰী ধৰি কড়ি, এই তিনি প্ৰাণৰ বৈৰী"।*

*তিৰী, মিৰি, ভাটৌ, কোৱা এই চাৰি আসৈ নোপোৱা।"*

*তিৰী লতা তিৰী পাতা, তিৰীক নকবি সঁচা কথা।"*

*"চোৰে ভাল নাপায় চন্দ্ৰজ্যোতি,*
*দুষ্ট তিৰীৰ নাই পুত্ৰ মতি।"*

*"তয়ো মাকৰ জী, ময়ো মাকৰ জী,*
*তপত ভাতক চেঁচা কৰোঁ, হেঁচা-পোটোকা দি।"*

*"তিৰি চুটি, বাঢ়নীৰ বুঢ়ী।"*

*"ধানো বানিবি পানীও আনিবি, পথাৰত কৰিবি কাম;*
*মাকৰ ঘৰলৈ যাম নুবুলিবি, নাগেৰা বোৱাদি বাম।"*

*"আটাইতকৈ অশুচি বামুণৰ হাত,*
*তাতোতকৈ অশুচি নাপিতৰ হাত,*
*তাতোতকৈ অশুচি নদীয়ালৰ নাও,*
*তাতোকৈ অশুচি তিৰীৰ পাও।"*
*"যাচি দিলে শুচি হয় বামুণৰ ভাত,*
*ধন দিলে শুচি হয় নাপিতৰ হাত,*
*কৰ্শাল দিলে শুচি হয় নদীয়ালৰ নাও,*
*শয্যাত শুচি হয় তিৰীৰ পাও।"*
*"তিৰী হন্তে গিৰী, তিৰী হন্তে হুতচিৰি।"*

যেনেকৈ ভাল বাৰীৰ মাজেদি বাট ল'লে বাৰীখন নষ্ট হয়, ঠিক তেনেদৰে, হাট বেহাই ফুৰিলে ভাল তিৰীও নষ্ট হয়।

*"সু বাৰী নষ্ট হয় মাজে লয় বাট,*
*সুতিৰী নষ্ট হয় বেহাই ফুৰে হাট।*
*সুকাপোৰ নষ্ট হয় যদি লয় জাপত,*
*সুপুত্ৰ নষ্ট হয় নুসুধিলে বাপত।"*

মাছ পুৰিবৰ বাবে দগমগীয়া এঙাৰৰহে প্ৰয়োজন, ধমধমীয়া জুইত মাছ পুৰিলে মাছৰ গাত ছাই লাগি খাব নোৱৰা হয়। সেইদৰে জীয়ৰী ছোৱালী ইঘৰ-সিঘৰকৈ আনৰ ঘৰত গৈ থাকিলে চৰিত্ৰ নষ্ট হয়ঃ

*"পোৱা মাছ নষ্ট হয় ধমধমীয়া জুই,*
*জীয়ৰী ছোৱালী নষ্ট হয় লোকৰ ঘৰত শুই।"*
*"মাটি ভাল কৰে মৈয়ে, তিৰী ভাল কৰে পৈয়ে।"*
*"মাহেকে পষেকে দিবা তাও*
*তেহে দেখিবা তিৰীৰ ভাও।"*
*"এৰীমুৰী জাপৰী, খৰেখাতী ফাপৰী,*
*নাপাইহে আনিলোঁ তোক।"*
*"সমনীয়া আগলৈ নোলাবি ফাপৰি,*
*খেজালি মাৰিব মোক।"*
*"যতই সুন্দৰী নাৰী, ততই অনৰ্থকাৰী।"*

*"কুকুৰক নিদিবা ঠাই, ল'ৰা তিৰোতাক নিদিবা লাই।"*

নাৰীয়ে কেনেধৰণৰ স্বামী বিচাৰে, বা ছোৱালীক কেনে ঘৰলৈ বিয়া দিব লাগে ইত্যাদি কথাৰ উদাহৰণো ফকৰা-যোজনাত পোৱা যায়।

*"তিৰীয়ে বিচাৰে ধনৱন্ত পৈ,*
*নদীয়ালে বিচাৰে মাছৱন্ত নৈ।"*

নদীয়ালে সদায় মাছেৰে ভৰপূৰ নদীহে বিচাৰে যাতে কম আয়াসতে বেছি মাছ মাৰি জীৱিকা নিৰ্বাহ কৰিব পাৰে; আৰু প্ৰত্যেকগৰাকী নাৰীয়ে ধনী স্বামী বাঞ্ছা কৰে, যাতে জীৱনটো সুখেৰে অতিবাহিত কৰিব পাৰে।

নাৰী নিজে কাজী নহ'লে আঁচু দিয়া ৰিহা পিন্ধিবলৈ আশা কৰিব নোৱাৰে; কাৰণ খনে খনে আঁচু দিয়া ৰিহা বৈ নিদিয়ে। তেনেদৰে কপালত সাধি নাহিলে পিলিঙা ডেকালৈ বিয়া হ'ব নোৱাৰিঃ

*"লবৰ মন গ'ল আঁচু দিয়া ৰিহা,*
*হাতেও নহ'লো কাজী,*
*যাবৰ মন গ'ল পিলিঙা ডেকালৈ*
*কপালত নাহিলো সাধি।"*

কোনো নাৰীয়ে সতিনী খাটিবলৈ নিবিচাৰে; তাতকৈ আবিয়ে হৈ মাকৰ ঘৰতে কটনা কাবি থাকিবলৈ বিচাৰে।

*"সতিনী ঘৰলৈ নেযাওঁ,*
*কটনা কাটিয়ে ঘৰতে খাওঁ।"*
*"বুঢ়াকঁঠালৰ মুঢ়া,*
*জাকৰুৱা ঘৰলৈ ছোৱালী নিদিবা*
*টেঁকীয়ে কৰিব বুঢ়া।"*

কৰ্মী তিৰোতা এলেহুৱা হৈ বহি থাকিব নোৱাৰে, লাগিলে তেওঁ বুঢ়ীয়েই হওক। কৰিবলৈ একো কাম





নাথাকিলেও কৰিবা এটা উলিয়াই ব্যস্ত হৈ থাকিবলৈ ভাল পায়। সেয়ে ফকৰা-যোজনাত কৈছেঃ

*"বুঢ়ীৰনো কি বন আছে, চাউলত ধান পেলাই বাছে।"*

*(বা "বুঢ়ীৰ কাম নাই চাউলত ধান পেলাই বাছে।")*

*সেইদৰে বয়স ভাটী দিলেও নিজৰ ৰূপ যৌৱনক সুঁৱৰি আক্ষেপ কৰি কয়ঃ*

*"বুঢ়ী হ'লোঁ, ঠেৰী হ'লোঁ দাঁতত ধৰিলে পোকে,*
*আৰুনো কি গাভৰু হ'ম, তামোল দিব লোকে।"*

নাৰীক লৈ আৰু ভালেমান ফকৰা-যোজনা আছে; সকলোবোৰ ইয়াত দিব পৰাটো সম্ভৱ নহয়। তলত আৰু কেইটামান তেনে উদাহৰণ দি মোৰ ৰচনাৰ সামৰণি মাৰিবলৈ বিচাৰিছোঁ ঃ

*"তিৰীক নামাতিবা মিতে, বাঁহখৰি নিদিবা চিতে।"*

*"বোৱাৰী আনিলো মেচী,*
*তোৰ নুগুচিল কাষৰ কলচী,*
*মোৰ নুগুচিল টেঁকী।"*

*"সতিনী মৰি গ'ল, দুয়োখন মেখেলা মোৰেই হ'ল।"*

"আঁউসী, প্ৰতিপদ, পূৰ্ণিমাৰ তিথি,
*মাকৰ ঘৰলৈ নাযায় জী।"*

*"আঁকৰীক নকৰিবা হেলা,*
*আঁকৰীয়েহে পাব বা-বৰষুণৰ বেলা।"*

*"আটাইতকৈ তিতা নেমুটেঙাৰ পাত,*
*তাতকৈ তিতা মাহী আইৰ মাত।"*

*"আলসুৱা তিৰী গাত নাইকীয়া চিৰী,*
*জোটা জোটে পিন্ধি যায় পিতলৰ বিৰী।"*

*"কথাৰ মুৰত কঠীয়া, সৰিয়হৰ মুৰত তেল;*
*যাৰ ঘৰত জীয়াৰী আছে, তাৰ ঘৰত মেল।"*

*"কলে আয়ে মাৰ খায়, নকলে বোপায়ে চুৱাতে খায়।"*

*"মোমায়ে কাঠ কাটে, মামীয়ে পানী যেন দেখে।"*

আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে, অসমীয়া ভাষাত ব্যৱহাৰ হোৱা এনে ধৰণৰ ফকৰা-যোজনাত নাৰীৰ বৰ্ণনা ভাল আৰু বেয়া দুয়োটা ৰূপতেই আছে। তথাপিতো এটা কথা লক্ষ্য কৰা যায় যে এগৰাকী মহিলাৰ জীৱনৰ প্ৰতিটো দিশতেই সমাজে চকু ৰাখিছে। কিন্তু সমাজৰ এই সচেষ্টতাই এগৰাকী মহিলাক যেন পুৰুষৰ অধীন কৰি, শাৰীৰিক-মানসিকভাৱে দমন কৰি ৰাখিবহে বিচাৰিছে এনেহে ধাৰণা হয়। ◆◆

**নিৰ্বাচিত গ্ৰন্থপঞ্জী ঃ**

১। কোঁচ, জীৱন চন্দ্ৰ, (২০১১) ; অসমীয়া ভাষাৰ অলংকাৰ ফকৰা-যোজনা, জীৱন চন্দ্ৰ কোঁচ আৰু আৰতী কোঁচ, কুমাৰণীচিগা তিনিআলি, ডিব্ৰুগড়

২। ৰাজকুমাৰ, সৰ্বানন্দ, (১৯৮২), অসমীয়া ফকৰা যোজনা, অমিয়া ৰাজকুমাৰী, যোৰহাট।

# সাক্ষাৎকাৰ

*তিনিচুকীয়া সাৰ্বজনীন উচ্চতৰ মাধ্যমিক বালিকা বিদ্যালয়ৰ শৰীৰ বিদ্যা বিষয়ৰ বিষয় শিক্ষয়িত্ৰী হিচাপে সুদীৰ্ঘকাল সেৱা আগবঢ়াই অহা শ্ৰীযুতা শিখা সেন বাইদেউ চহৰখনৰ শিক্ষা আৰু ক্ৰীড়াজগতখনৰ লগত জড়িত সকলোৰে কাৰণে এটা সুপৰিচিত নাম। চাকৰিৰ পৰা অৱসৰ গ্ৰহণৰ পিছতো কিন্তু তেওঁ নিজকে কৰ্মব্যস্ত কৰি ৰাখিছে। বৰ্তমান তেখেতে তিনিচুকীয়া মহাবিদ্যালয়ৰ ছাত্ৰী নিবাসৰ গুৰু দায়িত্ব পালন কৰি আছে। তিনিচুকীয়া মহাবিদ্যালয়ৰ 'মহিলা অধ্যয়ন আৰু উন্নয়ন কোষ'ৰ তৰফৰ পৰা বাইদেউৰ ব্যতিক্ৰমী জীৱনৰ বিষয়ে জানিবলৈ এটা সাক্ষাৎকাৰ লোৱা হৈছিল। তাৰ ভিত্তিত এই লিখা যুগুতোৱা হ'ল।*

**প্ৰশ্ন ঃ** বাইদেউ, আমি জানিবলৈ পোৱা মতে আপোনাৰ জীৱন আৰু কৰ্মক্ষেত্ৰ সাধাৰণ চাকৰিজীৱী মহিলাতকৈ অলপ বেলেগ। আপোনাৰ মুখৰ পৰা আমি এই বিষয়ে জানিব বিচাৰোঁ। প্ৰথমতে আপোনাৰ পৰিয়ালৰ বিষয়ে অলপ ক'ব নে?

**উত্তৰ ঃ** মোৰ ককা স্বৰ্গীয় অখিল সেন শৰ্মা ৰঙাগড়া চাহ বাগিচাৰ চিকিৎসক আছিল। সেই সময়ত ৰঙাগড়া চাহ বাগিচাৰ অন্তৰ্গত কেইবাখনো চাহ বাগিচাৰ তেখেত আছিল 'ডাক্তৰ চাহেব'। মোৰ দেউতা স্বৰ্গীয় সুবোধ চন্দ্ৰ সেনগুপ্ত এজন ব্যৱসায়ী আৰু মোৰ মা স্বৰ্গীয় অমিয়া কণা সেনগুপ্ত ডিব্ৰুগড়ৰ গঙ্গাপাড়া এল. পি. স্কুলৰ প্ৰধান শিক্ষয়িত্ৰী আছিল। তাৰোপৰি তেখেতৰ উদ্যোগত 'সাগৰ স্মৃতি মাধ্যমিক বিদ্যালয়' নামে আৰু এখন বিদ্যালয় প্ৰতিষ্ঠা হৈছিল, যিটো বৰ্তমানে উচ্চ মাধ্যমিক বিদ্যালয়লৈ উন্নীত হৈছে।

**প্ৰশ্ন ঃ** আপুনি এটা ব্যতিক্ৰমী বা অগতানুগতিক বৃত্তিত জড়িত আছিল বুলি আমি জানো। সেই বিষয়ে অলপ ক'ব নে?

**উত্তৰ ঃ** হয়, মই যদিও শিক্ষয়িত্ৰী হিচাপে নিযুক্তি পাইছিলোঁ কিন্তু মই শৰীৰ বিদ্যা বিষয়ৰ শিক্ষক (Phisical Education Instructress) আছিলোঁ। গতিকে অলপ ব্যতিক্ৰমী কৰ্মক্ষেত্ৰৰ লগত মই জড়িত আছিলোঁ।

**প্ৰশ্ন ঃ** আপুনি এই বৃত্তি নিজেই বাছি লৈছিলে নে?

**উত্তৰ ঃ** নহয়, এই বৃত্তি মই নিজে নিৰ্বাচন কৰা নাছিলোঁ। অৰ্থাৎ ক'ব পাৰা By Choice নহয়, By Chance হে মই এই বৃত্তিত নিয়োজিত হ'লোঁ। ১৯৬৪ চনত মই ডিব্ৰুগড়ৰ ভিক্টোৰিয়া গাৰ্লচ হাই স্কুলৰ পৰা মেট্ৰিক্যুলেছন পাছ কৰিলোঁ। তেতিয়া আমি পৰীক্ষা দিছিলোঁ গৌহাটী বিশ্ববিদ্যালয়ৰ অধীনত। মেট্ৰিক পৰীক্ষা পাছ কৰাৰ পিছত মই নিয়োগ বিনিময় কেন্দ্ৰত নাম লগাইছিলো। এই কেন্দ্ৰৰ পৰা মোক এটা সাক্ষাৎকাৰত উপস্থিত হ'বলৈ মাতিলে। যথাসময়ত মই গৈ পৰীক্ষাত উপস্থিত হ'লো। কেন্দ্ৰীয় চৰকাৰৰ এটা বিশেষ আঁচনি 'National Discipline Scheme' ৰ





অধীনত ৰাজস্থানৰ আলোয়াৰ জিলাৰ চাৰিস্কা (Sariska)ত দহ মাহৰ বাবে প্ৰশিক্ষণ ল'বলৈ মোক উপযুক্ত নিৰ্বাচন কৰিলে আৰু প্ৰশিক্ষণ ল'বলৈ মই তাত গৈ উপস্থিত হ'লো। ভাৰতৰ অন্যান্য ৰাজ্যৰ পৰা নিৰ্বাচিত প্ৰশিক্ষাৰ্থী সকলৰ লগত মোৰও প্ৰশিক্ষণ আৰম্ভ হ'ল। প্ৰশিক্ষণ শেষ হোৱাৰ পিছত সকলো প্ৰশিক্ষাৰ্থীয়ে পৰীক্ষা দিব লগা হৈছিল আৰু সেই পৰীক্ষাত মই প্ৰথম স্থান লাভ কৰিলোঁ। তাৰেই ফলশ্ৰুতিতে মই ১৯৬৫ চনত শৰীৰ বিদ্যা বিষয়ৰ শিক্ষক হিচাপে ডিব্ৰুগড় ভিক্টোৰিয়া গাৰ্লচ হাইস্কুলত নিযুক্তি লাভ কৰিলোঁ। মোৰ বয়স তেতিয়া মাত্ৰ ১৭ বছৰ। গতিকে এয়াই হ'ল মোৰ ব্যতিক্ৰমী কৰ্মজীৱনৰ আৰম্ভণি।

**প্ৰশ্ন ঃ** তাৰ মানে স্কুলীয়া শিক্ষা শেষ কৰি কলেজীয়া শিক্ষা আৰম্ভ কৰিবলৈ নৌপাওঁতেই আপুনি চাকৰি জীৱনত সোমাই গ'ল। আপোনাৰ পৰৱৰ্তী শিক্ষাজীৱনৰ কথা আমি শুনিবলৈ আগ্ৰহী।

**উত্তৰ ঃ** হয়, যিহেতু মই চাকৰিত যোগদান কৰিলোঁ, গতিকে নিয়মীয়া শ্ৰেণীত উপস্থিত থাকি শিক্ষাজীৱন চলাই যোৱাটো মোৰ বাবে সম্ভৱ নাছিল। মই ডিব্ৰু মহাবিদ্যালয়ত পুৱা শ্ৰেণীত (Morning Shift) নামভৰ্ত্তি কৰিলোঁ। গতিকে ৰাতিপুৱা প্ৰথমে কলেজত ক্লাছ কৰি মই চাকৰি কৰিবলৈ যাওঁ। এনেদৰে মই ১৯৬৮ চনত ডিব্ৰু কলেজৰ পৰা পি. ইউ (P.U) পৰীক্ষা পাছ কৰিলোঁ। ইতিমধ্যে ১৯৬৮ চনত মই তিনিচুকীয়া সাৰ্বজনীন বালিকা বিদ্যালয়লৈ বদলি হৈ আহোঁ। একেদৰে তিনিচুকীয়া ৱিমেনচ্ কলেজত পুৱাৰ শ্ৰেণীত ভৰ্ত্তি হ'লো আৰু তাৰ পৰা ১৯৭৪ চনত BA Part - I পাছ কৰিলোঁ। পিছত ১৯৭৮ চনত তিনিচুকীয়া মহাবিদ্যালয়ৰ পৰা BA Part - II পৰীক্ষা পাছ কৰিলোঁ। চাকৰিৰ বাধ্যবাধকতাৰ কাৰণে মই পঢ়া শুনা নিৰৱচ্ছিন্নভাৱে কৰিব পৰা নাছিলোঁ। তাৰ পিছত মই ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত ৰাজনীতি বিজ্ঞানত প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে পৰীক্ষা দি স্নাতকোত্তৰ প্ৰথম ভাগৰ (Previous) পৰীক্ষা পাছ কৰিলোঁ যদিও চূড়ান্ত (Final) পৰীক্ষা দিব নোৱাৰিলোঁ।

**প্ৰশ্ন ঃ** আপুনি যি সময়ত এই বৃত্তিত নিয়োজিত হৈছিলে সেই সময়ত ছোৱালীৰ কাৰণে খেলপথাৰত গৈ খেলত অংশগ্ৰহণ কৰাটো নিশ্চয়কৈ ইমান সাধাৰণ কথা নাছিল। আপুনি কি ধৰণৰ প্ৰত্যাহ্বানৰ সন্মুখীন হৈছিল?

**উত্তৰ ঃ** নিশ্চয়। মই যেতিয়া সাৰ্বজনীন বালিকা বিদ্যালয়ত যোগদান কৰিছিলোঁ তেতিয়া দেখিলোঁ ছোৱালীবোৰে কেৱল মাত্ৰ বিদ্যালয়ৰ চাৰিবেৰৰ মাজতেই খেলিছিল। শৰীৰ বিদ্যা বিষয়ৰ শিক্ষয়িত্ৰী হিচাপে মই এই ব্যৱস্থাটো মানি ল'ব পৰা নাছিলোঁ। কাৰণ মই বিশ্বাস কৰোঁ যে, যেতিয়ালৈকে ছাত্ৰীসকলে মুকলিভাৱে ডাঙৰ খেলপথাৰত খেলাৰ সুযোগ নাপায়, তেওঁলোকৰ প্ৰতিভাৰ বিকাশ হ'ব নোৱাৰে। গতিকে মই বিদ্যালয় কৰ্তৃপক্ষ আৰু অভিভাৱক সকলৰ পৰা বহু কষ্টেৰে অনুমতি আদায় কৰি ছোৱালীবোৰক কচুজান খেলপথাৰলৈ অনাৰ বন্দোবস্ত কৰিলোঁ। পিছলৈ এই খেলপথাৰতেই বিভিন্ন খেলবোৰত আৰু উদ্বোধনী অনুষ্ঠানবোৰত বিদ্যালয়ৰ ছাত্ৰীসকলক লৈ নানা ধৰণৰ অনুষ্ঠান প্ৰদৰ্শন ব্যৱস্থা কৰিছিলো যিবোৰে দৰ্শকৰ পৰাও প্ৰশংসা আদায় কৰিছিল।

**প্ৰশ্ন ঃ** আপোনাৰ তত্বাৱধানাত থাকি ক্ৰীড়াক্ষেত্ৰত উল্লেখযোগ্য স্থান লাভ কৰা কোনো

প্ৰাক্তন ছাত্ৰীৰ নাম আমাক জনাবনে?

উত্তৰ ঃ এই মুহূৰ্তত মই বহুতৰে নামবোৰ পাহৰিছোঁ যদিও দুই এজনৰ কথা ক'ব পাৰি। যেনে গীতাঞ্জলী হাজৰিকা আৰু ৰুমী ৰায়চৌধুৰী। গীতাঞ্জলী এতিয়া ভাৰতীয় ৰেলৱেত চাকৰি কৰি আছে।

প্ৰশ্ন ঃ বাইদেউ, আপুনি যিহেতু অতি কম বয়সতেই চাকৰি জীৱন আৰম্ভ কৰিছিলে, গতিকে সুদীৰ্ঘকাল আপুনি এই বিশেষ ধৰণৰ বৃত্তিত নিয়োজিত থাকি কি কি অভিজ্ঞতা লাভ কৰিলে আমি জানিবলৈ পাম বুলি আশা কৰিছোঁ।

উত্তৰ ঃ হয়, মই ১৯৬৫ চনৰ পৰা ২০০৩ চনলৈকে সুদীৰ্ঘ ৩৮ বছৰ চাকৰি কৰিলোঁ। প্ৰথমতে মই কেইবাটাও প্ৰশিক্ষণ শিবিৰত অংশগ্ৰহণ কৰিবলৈ সুযোগ পালোঁ। ১৯৮০ আৰু ১৯৮২ চনত যথাক্ৰমে ডিব্ৰুগড় আৰু গুৱাহাটীত অনুষ্ঠিত Physical Education Training দুটাতে মই অংশগ্ৰহণ কৰিছিলোঁ। আপোনালোকে হয়তো জানে এচিয়া মহাদেশৰ সৰ্ববৃহৎ ক্ৰীড়া প্ৰতিষ্ঠান হ'ল ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ (Sports Authority of India) অধীনত পাঞ্জাবৰ পাতিয়ালাত থকা Netaji Subhas National Institute of Sports (NIS). ১৯৮২ আৰু ১৯৮৪ চনত মুঠতে দুবাৰকৈ মই এই বিখ্যাত প্ৰতিষ্ঠানটোত প্ৰশিক্ষণ লোৱাৰ সুযোগ পাইছিলোঁ। তাৰোপৰি কেইবাটাও ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলত মই আধিকাৰিক (Official) হিচাপে কাৰ্যনিৰ্বাহ কৰিছিলোঁ। তাৰে উল্লেখযোগ্য কেইটামান হ'ল ঃ

(ক) ১৯৭৯ চনত নাগপুৰত অনুষ্ঠিত XXIV National School Games

(খ) ১৯৭৮ চনত দিল্লীত অনুষ্ঠিত All India Rural Sports

(গ) ১৯৭৯ চনত গুৱাহাটীত অনুষ্ঠিত XXV National School Games, Autumm Meet

(ঘ) ১৯৮১ চনত হায়দ্ৰাবাদত অনুষ্ঠিত VII National Sports Festival for Women

(ঙ) ১৯৮৪ চনত পুনেত অনুষ্ঠিত National School Games

(চ) ১৯৮৪ চনত নতুন দিল্লীত অনুষ্ঠিত XXII All India Inter-state Athletic Championship

(ছ) ১৯৮৬ চনত অমৰাৱতীত অনুষ্ঠিত XXXII National School Games

(জ) ১৯৯৬ চনত হায়দ্ৰাবাদত অনুষ্ঠিত National Children Science Congress

এই বিলাকৰ উপৰিও তিনিচুকীয়া খেলুৱৈ দলৰ পৰিচালক (Team Manager) হৈ আন্তঃজিলা ভলীবল প্ৰতিযোগিতাত অসমৰ বিভিন্ন ঠাইত যেনে গুৱাহাটী ৰঙিয়া, নলবাৰী, বৰপেটা, নগাওঁ, শিৱসাগৰ, জাগীৰোড, গহপুৰ আৰু তিনিচুকীয়া ইত্যাদিত উপস্থিত থাকিবলৈ সুযোগ পাইছিলোঁ। মই তিনিচুকীয়া ক্ৰীড়া সন্থাৰ (Tinsukia Sports Association) লগত সুদীৰ্ঘকাল সদস্য হিচাপে জড়িত হৈ আছো। মুঠতে এই চাকৰিটোৱে মোক বহুত অভিজ্ঞতা লাভ কৰিবলৈ সুযোগ দিলে। মই চৰকাৰৰ সৌজন্যত অসম তথা ভাৰতৰ বহু ঠাইত ভ্ৰমণৰ সুযোগ পালোঁ। সেইবাবে মই নিজকে ভাগ্যৱান বুলি অনুভৱ কৰোঁ।

প্ৰশ্ন ঃ আজিৰ উঠি অহা প্ৰজন্মৰ শাৰীৰিক আৰু ক্ৰীড়াক্ষেত্ৰত সুস্থ বিকাশৰ বাবে আপোনাৰ পৰামৰ্শ কি?





উত্তৰ ঃ হয়, আজিৰ প্ৰজন্মই আগৰ দিনৰ তুলনাত যথেষ্ট সুযোগ-সুবিধা পাইছে যদিও সেই অনুপাতে শাৰীৰিক বিকাশ বা খেলা-ধূলাৰ ক্ষেত্ৰত তেওঁলোক ইমান সচেতন নহয় যেন মোৰ অনুভৱ হয়। ক্ৰীড়াক এতিয়াও মুষ্টিমেয় কেইজনমানৰ বাদে বেছিভাগেই পেছা হিচাপে গণ্য নকৰে। এইক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষানীতি প্ৰস্তুত কৰাৰ সৈতে জড়িত ব্যক্তিসকলে শৰীৰ বিদ্যাক গুৰুত্ব সহকাৰে লৈ পাঠ্যক্ৰমত অৱশ্যেপাঠ্য বিষয় হিচাপে অন্তৰ্ভুক্ত কৰিলে পৰিস্থিতিৰ পৰিৱৰ্তন হ'ব বুলি মই বিশ্বাস কৰোঁ। বিশেষকৈ মাধ্যমিক আৰু উচ্চ মাধ্যমিক পৰ্যায়ত শৰীৰচৰ্চা বিষয়টোও অন্যান্য বিষয়ৰ দৰে মূল্যায়নৰ ব্যৱস্থা কৰিলে বিষয়টোৱে উপযুক্ত গুৰুত্ব লাভ কৰিব আৰু ভৱিষ্যতৰ নাগৰিকসকল সুস্বাস্থ্যৰ অধিকাৰ হ'ব পাৰিব।

ধন্যবাদ বাইদেউ ..... আপুনি আমাক সময় দিয়াৰ বাবে। আমি নিশ্চিত যে আপোনাৰ বৰ্ণিল কৰ্মময় জীৱন বহুতৰ বাবে অনুপ্ৰেৰণাৰ উৎস হৈ থাকিব। আপোনাৰ সু-স্বাস্থ্য আৰু দীৰ্ঘায়ু কামনা কৰিলোঁ। ◆◆

যুগুতালে ঃ ড° দীপিকা ভট্টাচাৰ্য

সাক্ষ্য গ্ৰহণৰ সহযোগী ঃ অনজনা গোস্বামী আৰু ড° ৰুবী বৰুৱা



**Neelam Kapoor :** She has taken over as Director, Sports Authority of India

# Understanding Women Empowerment

☐ Sangita Baruah
Associate Prof., Dept. of Philosophy
Tinsukia College

'Beti bachao, Beti parhao', Every girl is precious Educate a girl and strengthen the nation. These are the hoardings that are visible in places of the cities of India. Even in media whether print, audio or video we often come across various pieces of advertisements which show and also make Indian society aware again and again the importance of our daughters, mothers, sisters. Save the girl child ,educate the girl child — this proclamation is great and grand. Save the girl child is no more important because son preferential Indian patriarchy is after our girls ,undermining the fact that without girls there will be no mothers for their precious sons. A mother will never ever terminate the girl in her womb and a mother always encourages her kids to have a better future with education. Thus 'save the girl child, educate the girl child' has a strong appeal to Indian men. It is time to release the grop clutch they have on Indian women. They should stop encouraging ,ordering and compelling female foeticide and also encourage and support education of the girls. So 'Beti bachao, Beti porhao' means Indian men save your female counterpart.

Beti bachao, Beti porhao is the empowerment propaganda of our society of Indian women at the grassroot level. It has been found that various empowerment agenda are not producing proper effect yet it is this empowerment which the only tool to





make Indian womenfolk to become an active organ of nation building. The rising number of missing Indian girls is a matter of serious concern. The dwindling sex ratio is a matter that will bring havoc to our society. Thus the need is felt in the form of 'Beti bachao beti porhao" The underlying meaning is Indian fathers save your daughters and also provide education to them — the first elementary yet important step toward empowerment of women.

Empowerment is a process which helps a person to realise his/her inner worth thus make living worthy in personal as well as in social life. It is a very powerful weapon to fight injustices due to human right violation issues.

However, now-a-days, the term empowerment mainly means to empower the women. Because it has been found that, there has been gross violation of human rights in case of women all over the world. It is a universal fact that women are denied of their proper status in the society, instead degraded to a human producing machine. It has been realised by the menfolk that empowerment will help women to assert their control over the factors which affects their lives.

Women empowerment as a concept was introduced at the International Women Conference in 1985 at Nairobi which defined it as redistribution of social power and control of resources in favour of women.

The United Nations Development Fund for Women defines empowerment with the following aspects

*Acquiring knowledge and understanding gender relations.

*Developing a sense of self worth and right to control one's life.

*Challenging the ideology of male domination and women's subordination.

*Enabling women equal access and control over resources (material, human and intellectual).

In India also the various efforts to empower women centres round the above idea of sensitization and awareness. An awareness is required to develop capacity of self-control, self

strength and self -reliance and build freedom of choice and action. It is about choice, change and power. Empowerment is a long term process of change by which the person concerned with little or no power gain power and ability to make choices that affects their lives with positive changes.

This process of power acquiring can manifest itself in acts of individual resistance as well as in group mobilisation. It is multidimensional, it is about gaining self confidence and meaningful participation in decision making. It is a weapon to ward off retrogressive practices like female foeticide, infanticide and gender based violence.

Gender equality and empowerment of women are recognized globally as the key factor for overall welfare of humanity. The Charter of United Nations signed in 1943 is the first international agreement that proclaimed gender equality as a fundamental right. Ever since there has been many conventions, programmes and goals to help women, conferring on them human rights which are universal, indivisible, interdependent and interrelated. In order to promote development of women and to protect their right, the General Assembly of U.N. adopted 'Convention on elimination of all forms of discrimination against women, on 18th Dec,1979 which came into force in 3rd Sept. 1981. The convention also took notice of particular problem by rural women and also their significant role in survival of their families. So all states to the convention agreed to take appropriate measures to enable rural women to participate and benefit from rural development. But inspite of all efforts, many conventions and timebound measurable goals,world statistics speaks of deplorable state of women, that it is a cause of concern. India is no exception. The reason is mainly the strong clutches of patriarchy. At some point or the other patriarchal forces make the process to decelerate.

Empowerment is not a feministic approach,yet it is women friendly. It is not setting women against men. Indeed it is making both men and





women realize their changing roles and status and also develop a consensus for a harmonious living. It means redistribution of work roles, redistribution of their values to the changing world and attitude and evolving new kinds of adjustments, understanding trust with each other. Empowerment of women is a new ideology for carrying democratic values into the family and society. Here the balance of power between men and women is equal. Neither party has dominance over other. Empowering women socio-economically through increased awareness of their rights and duties as well as access to resources is a decisive step towards greater security for them.

The framework of empowerment encompasses the welfare of women, satisfaction of their basic needs. The philosophy of women empowerment needs a total overhauling of a society where females are deprived and denied of their due share. This philosophy should be turned into a practice with allround vibrant efforts.

◆◆



TINSUKIA COLLEGE LIBRARY
ESTD 1956
TINSUKIA, ASSAM

# প্ৰতিভা, প্ৰত্যাহ্বান আৰু সাফল্য

□ ড° দীপিকা ভট্টাচাৰ্য্য
সহযোগী অধ্যাপক, গণিত বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

যিকোনো ক্ষেত্ৰত সাফল্য পাবলৈ প্ৰতিভা থকাটো অতি আৱশ্যক। কিন্তু প্ৰতিভা থাকিলেও সফল হোৱাটো কেতিয়াবা সহজ নহ'বও পাৰে। বিশেষকৈ কোনো মহিলাৰ বাবে প্ৰতিভা , বুদ্ধিমতা , কৰ্মদক্ষতা আদি যাৱতীয় গুণাৱলী থাকিলেও নিজ কৰ্মক্ষেত্ৰত যথোপযুক্ত স্বীকৃতি পোৱাটো সাধাৰণতে বৰ সহজ নহয়। তাৰোপৰি বিজ্ঞান অথবা গণিতৰ ক্ষেত্ৰখনত স্বীকৃতি লাভ কৰাটো মহিলাৰ বাবে বাস্তৱিকতে অসম্ভৱ আছিল ।কেৱল ভাৰতবৰ্ষতেই নহয , পাশ্চাত্যৰ দেশবোৰতো একেই পৰিবেশ বিৰাজ কৰিছিল । উদাহৰণস্বৰূপে , মহিলা সকলে বিশ্ববিদ্যালয় নামভৰ্ত্তিৰ সুযোগ পাইছিল যথাক্ৰমে ফৰাচী দেশত ১৮৬১ চন, ইংলেণ্ডত ১৮৭৮ চন ,ইতালীত ১৮৮৫ চন আৰু জাৰ্মেনীত সৌসিদিনা অৰ্থাৎ ১৯০০ চনৰ পৰা। কিন্তু শিক্ষাৰ্থী হিচাপে অন্তৰ্ভূক্তি পালেও বিশ্ববিদ্যালয়ৰ অধ্যাপকসকলে মহিলা শিক্ষাৰ্থীক তেওঁলোকৰ বক্তৃতা শুনিবলৈ শ্ৰেণীকোঠাত উপস্থিত থাকিবলৈ অনুমতি দিয়া নাছিল । কেৱলমাত্ৰ উপযুক্ত সুযোগ লাভৰ পৰা বঞ্চিত হোৱাৰ বাবেই অগণন জ্ঞানপিপাসু ,প্ৰতিভাশালী মহিলা বিশ্ববাসীৰ অগোচৰত থাকি গ'ল। যদিও বহু মহিলাই ইতিমধ্যে নিজকে প্ৰমাণিত কৰিছে ,তথাপি আজিও 'গণিত' বিষয়টো প্ৰধানতঃ পুৰুষৰ বাবে বুলি এটা ধাৰণা বৰ্ত্তি থকাটো এতিয়াও দেখিবলৈ পোৱা যায় ।

এই প্ৰবন্ধত আমি কেইগৰাকী মান মহিলা গণিতজ্ঞৰ সংক্ষিপ্ত জীৱনী লিপিবদ্ধ কৰিবলৈ যত্ন কৰিম যি সকলে নিজৰ ব্যক্তিত্ব আৰু প্ৰতিভাৰ কাৰণে বহু প্ৰতিবন্ধকতাক নেওচি গৱেষক সমাজৰ স্বীকৃতি আদায় কৰিবলৈ সক্ষম হৈছিল।

ফ্ৰান্সৰ ৰাজধানী পেৰিচৰ এটা ধনাঢ্য পৰিয়ালত১৭৭৬চনৰ ১এপ্ৰিলত মেৰী ছোফী জাৰ্মেইনৰ (Marie Sophie Germain) জন্ম হৈছিল । ১৯৮৯চনৰ পৰা আৰম্ভ হোৱা বিখ্যাত ফৰাচী বিপ্লৱৰ সময়চোৱাত তেওঁৰ কৈশোৰ আৰু যৌৱনৰ দিনবোৰ অতিবাহিত হৈছিল। নিজৰ লাজকুৰীয়া স্বভাৱৰ বাবে ছোফিয়ে দেউতাকৰ গ্ৰন্থাগাৰত থকা কিতাপৰ মাজতেই নিজকে ব্যস্ত ৰাখিবলৈ স্বাচ্ছন্দ্যবোধ কৰিছিল। তাতে থকা দুখন বিশেষ কিতাপ তেওঁৰ আকৰ্ষণৰ কেন্দ্ৰবিন্দু হৈ পৰিল। তাৰে এখন হ'ল ' Bezout's Standard Text Book'আৰু আনখন 'Montucla's History of Mathematics'। কিন্তু ইমান অধ্যয়নপিপাসু হোৱা স্বত্বেও কেৱলমাত্ৰ মহিলা হোৱাৰ কাৰণেই ১৭৯৫ চনত স্থাপিত 'Ecole Polytechnique 'নামৰ প্ৰতিষ্ঠানত তেওঁ নামভৰ্ত্তি কৰাবলৈ সুযোগ নাপালে। কিন্তু জ্ঞানলাভৰ প্ৰৱল আগ্ৰহ আৰু ইচ্ছাশক্তিৰ বাবে তেওঁ বিকল্প পথ বাছি ল'লে। শ্ৰেণীত উপস্থিত থাকিব নোৱাৰিলেও বিভিন্ন অধ্যাপকসকলে শ্ৰেণীকোঠাত দিয়া বক্তৃতাৰ প্ৰতিলিপি সংগ্ৰহ কৰি ছোফিয়ে নিজে পঢ়িবলৈ আৰম্ভ কৰিলে। বিশিষ্ট গণিতজ্ঞ লাগ্ৰাঞ্জ (Joseph Luis Lagrange ) তেতিয়া প্ৰতিষ্ঠানটোত অধ্যাপনা কৰি আছিল আৰু তেখেতৰ বক্তৃতাৰ বিষয়বস্তুবোৰে ছোফিক বিশেষভাৱে আকৰ্ষিত কৰিছিল। সেইসময়ত অধ্যাপকসকলে ছাত্ৰসকলৰ কাৰণে এটা সুন্দৰ ব্যৱস্থা প্ৰচলন কৰিছিল। প্ৰতিটো পাঠ্যক্ৰম শেষ হোৱাৰ পিছত ছাত্ৰসক লক তেওঁলোকৰ পৰ্য্যবেক্ষণ আৰু বিশ্লেষণ লিখিতভাৱে অধ্যাপকসকললৈ প্ৰেৰণ কৰিবলৈ নিৰ্দেশ দিয়া হৈছিল যাতে ছাত্ৰসকলে সম্যকৰূপে জ্ঞানলাভৰ সুযোগ লাভ কৰে। ছোফিয়ে লাগ্ৰাঞ্জৰ পাঠ্যক্ৰমৰ বিষয়বোৰ পঢি নিজৰ গাণিতিক বিশ্লেষণ আৰু জিজ্ঞাসাবোৰ তেওঁলৈ পঠাবলৈ এক অভিনৱ উপায় উলিয়ালে। সেই সময়ত এন্টানি অগাষ্টা লি ব্লানক নামে এজন ছাত্ৰ Ecole Polytechniqu ৰ ছাত্ৰ আছিল কিন্তু তেওঁৰ অকাল মৃত্যু হৈছিল। নিৰুপায় ছোফিয়ে লি ব্লানক ছদ্মনাম ব্যৱহাৰ কৰি নিজৰ পৰ্য্যবেক্ষন আৰু বিশ্লেষণবোৰ লাগ্ৰাঞ্জলৈ পঠিয়াবলৈ আৰম্ভ কৰিলে আৰু সেই লিখনিবোৰে লাগ্ৰাঞ্জক সাংঘাতিক ধৰণে মুগ্ধ কৰিলে। কালক্ৰমে ছোফিৰ প্ৰকৃত পৰিচয় জানিবলৈ পাই লাগ্ৰাঞ্জ অতিশয় আশ্চৰ্য্যান্বিত হৈ পৰে আৰু পেৰিচৰ সমকালীন বৈজ্ঞানিক সকলৰ মাজত ছোফিক লৈ আগ্ৰহ বাঢ়িবলৈ ধৰাত তেওঁলোকৰ মাজৰ বহুতেই ছোফিক সহায় কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলে। কিন্তু এই অতি কৌতুহলে ছোফিক বিতুষ্ট কৰি তুলিলে আৰু অচিৰেই সামাজিক জীৱনৰ পৰা স্বেচ্ছানিৰ্বাসন লৈ তেওঁ একান্তমনে উচ্চস্তৰীয় গণিতৰ ভিন্ন ভিন্ন শাখা অধ্যয়নত মনোনিবেশ কৰিলে। যি কোনো এটা বিষয়ৰ গূঢ় তত্ব অধ্যয়ন কৰি সেই নিৰ্দিষ্ট বিষয়ৰ বিশেষজ্ঞ সকলৰ লগত তেওঁ পত্ৰ মাৰফৎ সংযোগ স্থাপন কৰিবলৈ আৰম্ভ কৰিলে। সংখ্যাতত্ব (Theory of Numbers)বিষয়ে অধ্যয়ন কৰি তেওঁ Legendre ৰ লগত পত্ৰ বিনিময় কৰিবলৈ ল'লে। জ্ঞান-অন্বেষণৰ তীব্ৰ স্পৃহা থকাৰ বাবে তেওঁ পুৰুষৰ ছদ্মনাম ব্যৱহাৰ কৰি বিশ্ববৰেণ্য বিখ্যাত গণিতজ্ঞসকলৰ লগত লিখনিৰ মাধ্যমত যোগাযোগ স্থাপন কৰিলে। বিশিষ্ট জাৰ্মান গণিতজ্ঞ কাৰ্ল ফ্ৰেডৰিক গাউচ্‌ৰ( Karl Fredrich Gauss) লগত বহুদিনলৈকে এই যোগাযোগ অক্ষুন্ন আছিল। নিজৰ ব্যক্তিগত জীৱনৰ বহু উত্থান-পতনৰ মাজতেও কিন্তু তেওঁ নিৰৱচ্ছিন্নভাৱে পঢ়াশুনা চলাই গৈছিল আৰু তেখেতৰ অধ্যয়নপুষ্ট লিখনিবোৰে বহুতকে জ্ঞানৰ বাটত আগবাঢ়ি যাবলৈ সুবিধা কৰি দিছিল। কিন্তু ছোফিয়ে আত্মপ্ৰচাৰ অথবা আত্মপ্ৰকাশৰ বাবে লালায়িত নহৈ লোকচক্ষুৰ অন্তৰালত থাকি অধ্যয়নত নিজকে ব্যস্ত ৰাখিছিল ।আনকি এই মহিয়সী মহিলা গৰাকীয়ে বহুবাৰ এই কথাও কৈছিল যে জ্ঞানৰ জগতত এটা ধাৰণা বা তত্বত কোনে পোন

প্ৰথমবাৰৰ বাবে উপনীত হৈছে সেইটো ডাঙৰ কথা নহয় বৰঞ্চ সেই ধাৰণাটোৱে কিমান নতুন তত্বৰ জন্মদিব পাৰিলে সেইটোৱেই গুৰুত্বপূৰ্ণ।১৮৩১ চনৰ জুন মাহৰ২৭তাৰিখত স্তনৰ কৰ্কট ৰোগত আক্ৰান্ত হৈ এইগৰাকী মহান গণিতসেৱীৰ মৃত্যু হয়।

আমাৰ এই প্ৰবন্ধত আৰু এগৰাকী গণিতপ্ৰেমী ছোনিয়া কোভালভস্কায়া (Sonya Kovalevskaya)ৰ চমু জীৱনপঞ্জী বৰ্ণিত কৰিবলৈ যত্ন কৰিম।

১৮৫০ চনৰ ১৫ জানুৱাৰীত মস্কো চহৰত ছোফিয়া ক্ৰুকভস্কায়াৰ (Sophia Vasilievna Krukovskaya ) জন্ম হৈছিল। ছোফিয়াৰ মাতৃ এলিজাভেতাৰ প্ৰথাগত শিক্ষা বৰ বেছি নাছিল যদিও তেওঁ বৰ সৰবৰহী মহিলা আৰু ভাল পিয়ানোবাদক আছিল। তেওঁ এজন পুত্ৰ আৰু দুগৰাকী কন্যা সন্তানৰ জন্ম দিছিল। কন্যা দুগৰাকীৰ ডাঙৰজনীৰ নাম আন্না ওৰফে আনিওটা (Aniuta ), সৰুজনী ছোফিয়া বা ছোনিয়া। ছোফিয়াই অৱশ্যে নিজে পৰৱৰ্তীকালত নিজৰ নামটো ছোনিয়া (Soniya ) হিচাপে ব্যৱহাৰ কৰিছিল। ছোনিয়াৰ পিতৃ শিক্ষিত আছিল আৰু সলসলীয়াকৈ ইংৰাজী আৰু ফৰাচী ক'ব পাৰিছিল। তেওঁ ৰাছিয়াৰ সৈন্যবাহিনীত কৰ্ম্মৰত আছিল। দেউতাক শিক্ষিত আছিল যদিও কিন্তু পৰিয়ালৰ দায়িত্বৰ প্ৰতি উদাসীন হোৱা বাবে লৰা-ছোৱালীৰ শিক্ষাৰ দায়িত্ব এজন পোলিচ্ (Polish ) গৃহশিক্ষক আৰু এগৰাকী কাঢ়া ইংৰাজ শিক্ষয়ত্ৰীৰ ওপৰত ন্যস্ত আছিল। ছোনিয়া গণিতৰ প্ৰতি আকৃষ্ট হোৱাৰ আঁৰত এটা আমোদজনক ঘটনাৰ উল্লেখ তেখেতৰ আত্মজীৱনীত আমি পঢ়িবলৈ পাওঁ।

১৮৫৮ চনত ছোনিয়াৰ বয়স তেতিয়া মাত্ৰ আঠ বছৰ, তেখেতৰ পিতৃ সৈন্যবাহিনীৰ চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰাৰ পাছত গোটেই পৰিয়ালটো তেওঁৰ কৰ্ম্মস্থলী কালুগাৰ পৰা ছেইন্ট পিটাৰ্চবাৰ্গৰ নাতিদূৰত থকা তেওঁলোকৰ গৃহভূমি পেলিবিন'লৈ স্থানান্তৰিত হ'ল। তেওঁলোকে স্থায়ীভাৱে বাস কৰিবলৈ লোৱাৰ আগতে গোটেই ঘৰখনৰ বেৰবোৰ সজাই তুলিবলৈ ছেইন্ট পিটাৰ্চবাৰ্গৰ পৰা বিশেষ ধৰণৰ আকৰ্ষণীয় কাগজ (Wall Paper ) ক্ৰয় কৰা হৈছিল। সঠিকভাৱে হিচাপ নকৰাৰ বাবে প্ৰয়োজন অনুপাতে কাগজৰ সামান্য নাটনি হোৱাত সৰু লৰা-ছোৱালীৰ শোৱনী কোঠাটোৰ বেৰবোৰ ঘৰতে থকা বেলেগ কাগজেৰে ঢাকি দিব লগা হ'ল। এই বিবৰ্ণ হালধীয়া হৈ যোৱা পুৰণি কাগজবোৰে ছোনিয়াৰ জীৱনৰ গতিপথ নিৰ্ধাৰণত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰিলে। ছোনিয়াৰ পিতৃয়ে ছাত্ৰাৱস্থাত বিখ্যাত গণিতজ্ঞ সকলৰ লিথ'গ্ৰাফ কৰা বক্তৃতাবোৰ সংগ্ৰহ কৰি ৰাখিছিল। সৌভাগ্যক্ৰমে ছোনিয়াৰ কোঠাটোৰ বেৰৰ কাগজবোৰ আছিল ক'লন গণিতৰ (Calculus) সসীম আৰু অসীমৰ ধাৰণাৰ বিস্তৃত বাখ্যা থকা বক্তৃতাৰ অংশ বিশেষ। বৰ ভালকৈ বুজি নাপালেও ছোনিয়াই নিজৰ কোঠালিৰ বেৰত থকা সেই লিখাখিনি পঢ়ি সময় কটাইছিল আৰু ক্ৰমাৎ তেওঁ গণিতৰ প্ৰেমত নিমজ্জিত হৈ গ'ল।

পৰিয়ালৰ ডাঙৰজনী ছোৱালী, ছোনিয়াৰ বায়েক এনিওটা সাহিত্যৰ প্ৰতি বিশেষভাৱে আগ্ৰহী আছিল আৰু প্ৰধানতঃ ছোনিয়াৰ প্ৰেৰণাত চুটিগল্প লিখিবলৈ আৰম্ভ কৰিলে। তাৰেই দুটা চুটিগল্প বিখ্যাত ৰুছ সাহিত্যিক ফিওদৰ ড্ৰছট'ভ্স্কি (Feodor Dostoevsky) লৈ পঠিয়াই দিয়াত





তেখেতে সেই দুটা গল্প প্ৰকাশ কৰিবলৈ ব্যৱস্থা ল'লে।

দুৰ্ভাগ্যজনিত ভাৱে তৎকালীন ৰাছিয়াত মহিলাই উচ্চশিক্ষা গ্ৰহণ কৰিবলৈ কোনো সুবিধা নাছিল। গতিকে বাধ্য হৈ আনিওটা আৰু ছোনিয়াই উচ্চশিক্ষাৰ্থে স্বদেশ এৰি যাবলৈ মনস্থ কৰিলে। কিন্তু সেয়াও বৰ সহজ সাধ্য নাছিল তেওঁলোকৰ বাবে। সেই সময়ত স্বামী অথবা পুৰুষ অভিভাৱক নোহোৱাকৈ কোনো মহিলাক বিদেশলৈ যোৱাৰ কাৰণে প্ৰয়োজনীয় নথিপত্ৰ দিয়া নহৈছিল। সৌভাগ্যক্ৰমে উদাৰমনা, প্ৰগতিশীল, যুক্তিবাদী যুৱ প্ৰকাশক ভ্লাদিমিৰ কোভালেভ্স্কিৰ (Vladimir Onufrievich Kovalevsky) লগত তেওঁলোকৰ যোগাযোগ হয়। ৰাছিয়াৰ পৰা বিদেশলৈ যোৱাৰ বাবে অনন্যোপায় হৈ ১৮৬৮ চনৰ ছেপ্তেম্বৰ মাহত মাত্ৰ ওঠৰ বছৰ বয়সতে দেউতাকৰ প্ৰৱল আপত্তি অগ্ৰাহ্য কৰি ভ্লাদিমিৰ লগত ছোনিয়া বিবাহপাশত আবদ্ধ হয় আৰু তেতিয়াৰ পৰাই নিজৰ নামটো ছোনিয়া কোভালভ্স্কি হিচাপে ব্যৱহাৰ কৰিবলৈ ল'লে। ইয়াৰ পিছত ভ্লাদিমিৰক অভিভাৱক হিচাপে লৈ ভগিনীদ্বয় ৰুছদেশ এৰি ভিয়েনাত উপস্থিত হয়। ভিয়েনাৰ পৰা এনিওটা পেৰিছলৈ আৰু ছোনিয়া-ভ্লাদিমিৰ জাৰ্মানীৰ হেইডেলবাৰ্গত উপস্থিত হয়। অতি সহজেই ছোনিয়াই বিশ্ববিদ্যালয়ত নামভৰ্ত্তি কৰাবলৈ সক্ষম হ'ল আৰু বিজ্ঞান আৰু গণিতৰ শ্ৰেণীবোৰত উপস্থিত থাকিবলৈ সুযোগ লাভ কৰিলে। যিহেতু ভ্লাদিমিৰ আৰু ছোনিয়াৰ বিবাহ কেৱলমাত্ৰ বিশেষ উদ্দেশ্যসাধনৰ কাৰণে চৰ্তসাপেক্ষ বিবাহ আছিল, গতিকে অনতিপলমে বিভিন্ন অসুবিধাৰ ফলস্বৰূপে তেওঁলোকে যুগ্মজীৱনৰ পৰিসমাপ্তি ঘটাই ১৮৭০ চনত ছোনিয়া বাৰ্লিনলৈ গৈ উপস্থিত হ'ল আৰু তাত গৈ বিখ্যাত গণিতজ্ঞ Weirstrass ক লগ ধৰিলে। Weirstrassএ ছোনিয়াৰ গাণিতিক জ্ঞানৰ পৰীক্ষা লৈ অভিভূত হৈ পৰিল। কিন্তু গণিতৰ উচ্চস্তৰীয় পাঠ্যক্ৰমত মহিলাৰ অংশগ্ৰহণ কৰাটো বিশ্ববিদ্যালয়ৰ নিয়ম বহিৰ্ভূত হোৱাৰ বাবে উপায়ন্তৰ হৈ তেখেতে ছোনিয়াক ব্যক্তিগতভাৱে বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত থকা পাঠবোৰ পঢ়ুৱাবলৈ আৰম্ভ কৰিলে আৰু তেখেতৰ নিৰৱচ্ছিন্ন অনুপ্ৰেৰণাত ছোনিয়াই বিশ্ববিদ্যালয়ৰ সৰ্ব্বোচ্চ ডিগ্ৰী অৰ্থাৎ ডক্টৰেট ডিগ্ৰীৰ কাৰণে গৱেষণাৰ কাম আৰম্ভ কৰিলে। দুৰ্ভাগ্যক্ৰমে সেয়াও বৰ সহজ সাধ্য নাছিল কাৰণ বাৰ্লিন বিশ্ববিদ্যালয়ত মহিলাৰ কাৰণে ডক্টৰেট ডিগ্ৰী প্ৰদানৰ কোনো ব্যৱস্থা নাছিল। অৱশ্যে জৰ্জিয়া অগাষ্টা বিশ্ববিদ্যালয়ৰ বিধিয়ে মহিলাক অনুমতি দিছিল আৰু ছোনিয়াৰ অনুপস্থিতিত (in absentia) ১৮৭৪ চনত তেওঁক ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হয়। ইতিমধ্যে ছোনিয়াৰ স্বামী ভ্লাদিমিৰেও ডক্টৰেট ডিগ্ৰী লাভ কৰিবলৈ সক্ষম হৈছিল আৰু বিবাহৰ সুদীৰ্ঘ সাত বছৰৰ পিছত তেওঁলোকে বৈবাহিক জীৱন আৰম্ভ কৰাৰ সিদ্ধান্ত লৈ ৰাছিয়ালৈ প্ৰত্যাৱৰ্তন কৰিলে। কিন্তু গৃহভূমিত পুনৰ ছোনিয়া প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লগা হ'ল।তৎকালীন ৰাছিয়াত শিক্ষক হিচাপে নিযুক্তি লাভ কৰিবলৈ নিৰ্দিষ্ট পৰীক্ষাত উত্তীৰ্ণ হোৱাটো বাধ্যতামূলক আছিল যদিও সেই পৰীক্ষাত মহিলাক অৱতীৰ্ণ হবলৈ দিয়া নহৈছিল। গতিকে গণিতৰ ডক্টৰেট ডিগ্ৰীধাৰী হোৱা স্বত্তেও ছোনিয়াই শিক্ষকতাৰ চাকৰি এটাও লাভ কৰিব নোৱাৰিলে।

অৱশেষত বাধ্য হৈ ১৮৮১ চনত ছোনিয়াই স্বামীক এৰি পুনৰ বাৰ্লিনলৈ প্ৰত্যাৱৰ্তন কৰি Weirstrass ৰ পৰামৰ্শ অনুসৰি গণিতৰ নতুন বিষয়ত গৱেষণা আৰম্ভ কৰিলে। সেই সময়ত ইউৰোপৰ বিশ্ববিদ্যালয়বোৰত লাহে লাহে মহিলাৰ অন্তৰ্ভুক্তিৰ কাৰণে চিন্তা চৰ্চা আৰম্ভ হ'ল আৰু চুইডেনে মহিলাক বিশ্ববিদ্যালয়ত সুযোগ দিয়া প্ৰথম দেশৰূপে আত্মপ্ৰকাশ কৰে। অনতিপলমে ছুইডেনৰ ৰাজধানী ষ্টকহোমত ছোনিয়াই শিক্ষকতাৰ চাকৰিত যোগদান কৰে। ছাত্ৰ-ছাত্ৰীৰ পৰা বিপুল সহাঁৰি লাভ কৰাৰ বাবে কৰ্তৃপক্ষই ছোনিয়াক স্থায়ী অধ্যাপকৰূপে নিযুক্তি প্ৰদান কৰে।অপাৰ সম্ভাৱনা থকা এই প্ৰতিভাশালী মহিলাগৰাকীয়ে বিভিন্ন প্ৰতিবন্ধকতা অতিক্ৰম কৰি জীৱনৰ সাফল্যৰ সন্মুখীন হোৱাৰ সুযোগ পোৱাৰ সময়তেই মাত্ৰ চল্লিছ বছৰ বয়সত১৮৯১ চনৰ ১০ ফেব্ৰুৱাৰীত হাওঁফাওঁৰ সংক্ৰমণ জনিত ৰোগত মৃত্যুবৰণ কৰে। ছোনিয়াৰ অকালমৃত্যুত Weirstrass মানসিকভাৱে ভাগি পৰিল আৰু শোকত ম্ৰিয়মান হৈ ছোনিয়াই তেওঁলৈ লিখা সকলো চিঠি পত্ৰ জ্বলাই দিলে। এই কথা অনস্বীকাৰ্য্য যে ছোনিয়া কোভালেস্কায়াৰ কৃতকাৰ্য্যতাই উচ্চশিক্ষাৰ ক্ষেত্ৰখনত মহিলাৰ বাবে দুৱাৰ উন্মুক্ত কৰাত অশেষ সহায় কৰিলে।

এই প্ৰৱন্ধৰ তৃতীয় গৰাকী গণিতপ্ৰেমীৰ নাম Amalie Emmy Noether. ১৮৮২ চনৰ মাৰ্চ মাহৰ ২৩ তাৰিখত জাৰ্মানীৰ এৰলাংগেন (Erlangen) চহৰত এমি ন্যদাৰৰ জন্ম হৈছিল। আধুনিক বিমূৰ্ত বীজগণিতৰ (Modern Abstract Algebra ) কিছুমান উল্লেখযোগ্য সিদ্ধান্তত তেওঁ প্ৰথমবাৰৰ বাবে উপনীত হ'ব পাৰিছিল আৰু তেওঁৰ প্ৰদৰ্শিত পথ অনুসৰণ কৰি পৰৱৰ্তীকালে তেখেতৰ ছাত্ৰ তথা সহকৰ্মীসকলে গণিতৰ ক্ষেত্ৰখনত উল্লেখনীয় অৱদান আগবঢ়াবলৈ সক্ষম হৈছিল। দেউতাক গণিতৰ অধ্যাপক আৰু মাক আঢ্যৱন্ত ইহুদী পৰিয়ালৰ ছোৱালী আছিল বাবে এমিয়ে স্বাভাৱিক ভাৱেই ভালধৰণে প্ৰতিপালিত হোৱাৰ সুযোগ লাভ কৰিছিল। প্ৰথাগত শিক্ষালাভৰ পিছৰে পৰা এমিয়ে বিশ্ববিদ্যালয়ত উচ্চশিক্ষা লবলৈ দৃঢ় প্ৰতিজ্ঞ আছিল যদিও ই বৰ সহজসাধ্য নাছিল। মহিলাৰ বাবে উচ্চশিক্ষা যে একপ্ৰকাৰ অসম্ভৱ আছিল সেয়া বুজাবলৈ আমি এইখিনিতে এটা ঘটনা উল্লেখ কৰিব বিচাৰিছোঁ। ১৮৯৮ চনত এৰলাংগেন বিশ্ববিদ্যালয়ৰ শৈক্ষিক কাৰ্য্য পৰিচালনা সমিতিয়ে বিশ্ববিদ্যালয়ত মহিলাৰ প্ৰৱেশাধিকাৰৰ বিৰোধিতা কৰিয়ে ক্ষান্ত নাছিল, বৰঞ্চ তেওঁলোকৰ ঘোষিত সিদ্ধান্ত আছিল এনেকুৱা : 'admission of women students would overthrow all academic order '— বিশ্ববিদ্যালয়ত মহিলা শিক্ষাৰ্থীৰ আগমনে শৈক্ষিক ৰীতি নিয়ম ধ্বংস কৰিব ! গতিকে ইমান প্ৰতিকূল পৰিস্থিতিত থাকিও ১৯০৪ চনত এৰলাংগেন বিশ্ববিদ্যালয়ত যেতিয়া মহিলাক পোন প্ৰথমবাৰৰ বাবে বিশ্ববিদ্যালয়ত প্ৰৱেশাধিকাৰৰ অনুমতি প্ৰদান কৰিলে , এমি নেদাৰে সেই সুযোগ গ্ৰহণ কৰি বিশ্ববিদ্যালয়ত নামভৰ্ত্তি কৰিলে আৰু ১৯০৮ চনত এই বিশ্ববিদ্যালয়ে তেওঁক সন্মানীয় পি.এইচ্.ডি ডিগ্ৰীৰে সন্মানিত কৰিলে। পৰৱৰ্তী সাত বছৰ কোনো পদবী নোহোৱাকৈ এৰলাংগেনত তেওঁ শিক্ষকতা আৰু গৱেষণাৰ কাম চলাই গৈছিল। এই সময়ছোৱাত বিখ্যাত গণিতজ্ঞ হিলবাৰ্ট (Hilbert) আৰু ক্লে'ন(Klein) ৰ লগত একেলগে কাম





কৰিবলৈ সুযোগ লাভ কৰিলে আৰু সেই সময়ত গণিতৰ ক্ষেত্ৰখনত খলকনিৰ সৃষ্টি কৰা বিখ্যাত আপেক্ষিকতাৰ তত্ত্ব বিষয়ত দুটা উল্লেখযোগ্য অৱদান আগবঢ়ালে। এমিৰ প্ৰতিভাৰ পৰিচয় লাভ কৰাৰ পিছতে Hilbert এ এমিৰ কাৰণে বিশ্ববিদ্যালয়ত বিদ্যায়তনিক পদত নিযুক্তি পোৱাটো আন্তৰিকভাৱে বিচাৰিছিলে যদিও মহিলাৰ বিশ্ববিদ্যালয়ৰ পদত নিযুক্তি বিষয়টো কোনেও সমৰ্থন কৰা নাছিলে। সহকৰ্মী সকলৰ প্ৰৱল আপত্তিৰ সন্মুখীন হৈ অধ্যাপকসকলৰ সভাত বিৰক্ত হিলবাৰ্ট এ এনেদৰে মন্তব্য কৰিবলৈ বাধ্য হৈছিল যে– 'I do not see that the sex of the candidate is an argument against her admission as privatedozent. After all , we are a university , not a bathing establishment' অৱশেষত ১৯২২ চনত যদিও এমিক সহকাৰী অধ্যাপক হিচাপে সন্মানিক পদ যচা হৈছিল , তেওঁক কিন্তু কোনো পাৰিশ্ৰমিক দিয়া নহৈছিল। এনেকৈ বহুতো সংগ্ৰামৰ মাজেৰে এমিয়ে অনেক অনৱদ্য অৱদান দি থৈ গৈছে গণিতৰ বিষয়ত ।নাৎছি শাসনৰ আৰম্ভনিতেই এমিক বিশ্ববিদ্যালয়ৰ চাকৰিৰ পৰা বৰ্খাস্ত কৰা হ'ল আৰু তেতিয়া আমেৰিকা যুক্তৰাষ্ট্ৰলৈ গৈ তেওঁ এগৰাকী প্ৰতিশ্ৰুতি সম্পন্ন গাণিতিক প্ৰতিভাৰ স্বীকৃতি লাভ কৰাৰ সময়তেই দুভাগ্যজনিতভাৱে ১৯৩৫ চনত অকাল মৃত্যুক সাৱটি ল'লে।

এই লেখাত আমি যুগে যুগে বিশ্বৰ বিভিন্ন প্ৰান্তত নাৰীসকলে শিক্ষাৰ ক্ষেত্ৰখনত সন্মুখীন হোৱা প্ৰৱল প্ৰত্যাহ্বানৰ এক আভাস দিবলৈ প্ৰচেষ্টা কৰিলোঁ। গতিকে এই কথা নিঃসন্দেহে ক'ব পাৰি যে উপযুক্ত সুযোগ পোৱা হ'লে বিশ্ববিখ্যাত বৈজ্ঞানিক ,লেখক বা গণিতজ্ঞৰ নামৰ তালিকাত নিশ্চয়কৈ আৰু মহিলাৰ নাম সংযোজিত হ'লহেঁতেন। ◆◆

তথ্যসূত্ৰ ঃ- Remarkable Mathematicians by Ioan James ; Cambridge University Press.



# ৰজোনিবৃত্তি

□ জয়লক্ষী দত্ত
সহকাৰী অধ্যাপিকা, প্ৰাণীবিজ্ঞান বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

জীৱন জন্ম হোৱাৰ পিছৰে পৰাই ক্ৰমাগতভাৱে শাৰিৰীক আৰু মানসিক বিকাশ হোৱাটো এটা জটিল প্ৰক্ৰিয়া। অন্য জীৱৰ লগতে মানুহৰ দেহতো লিঙ্গভেদে বিভিন্ন পৰিবৰ্ত্তন বিভিন্ন সময়ত দেখা যায়। সাধাৰণতে এনে পৰিবৰ্ত্তন পুৰুষৰ দেহত আৰু মহিলাৰ দেহত হোৱাটোত হৰম'নসমূহে মুখ্য ভূমিকা লয়।

পুৰুষৰ দেহৰ পৰিবৰ্ত্তনৰ বাবে যিবোৰ হৰম'ণৰ প্ৰয়োজন মহিলাৰ দেহৰ বাবে সম্পূৰ্ণ ভিন্ন হৰমণৰ প্ৰয়োজন হয়।

এগৰাকী কিশোৰী যৌৱনপ্ৰাপ্ত হোৱাৰ সময়ত বিভিন্ন শাৰিৰীক পৰিবৰ্ত্তন হয়। সাধাৰণতে এগৰাকী কিশোৰী দহৰ পৰা যোল্ল বছৰ বয়সৰ ভিতৰতে যৌৱন প্ৰাপ্ত হয়। এই প্ৰক্ৰিয়াত হৰম'ণসমূহে অংশ লয়।

আমাৰ শৰীৰত পিটুইটাৰী গ্ৰন্থি নামৰ এবিধ এণ্ডক্ৰাইন গ্ৰন্থি আছে। আমাৰ শৰীৰৰ প্ৰায়বোৰ পৰিবৰ্ত্তনৰ বাবে পিটুইটাৰী গ্ৰন্থিয়ে ভূমিকা লয়। এই গ্ৰন্থিয়ে FSH (Follicle Stimulating Hormone) আৰু LH(Luteinixing Hormone) নামৰ দুবিধ হৰমণ নি:হৰণ কৰে। অৰশ্যে এই দুবিধ হৰমণৰ বাহিৰেও আন বহুতো প্ৰয়োজনীয় হৰমণ এই গ্ৰন্থিয়ে নি:সৰণ কৰে।

কিশোৰী এগৰাকীৰ ঋতুস্ৰাৱৰ বাবে LH আৰু FSH হৰম'ণে মুখ্য ভূমিকা লয়।

LH হৰমণে ডিম্বাশয়ক উত্তেজিত কৰি আন এবিধ হৰমণ নি:সৰণ কৰোৱায়। এই হৰমণ বিধ হ'ল ইষ্ট্ৰজেন হৰমণ। মহিলাৰ দেহত এই হৰমণ বিধে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। মহিলাৰ বক্ষগঠনৰ পৰা আৰম্ভ কৰি ঋতুস্ৰাৱ নিয়মিতকৰণ লৈকে এই হৰমণ বিধে ভূমিকা লয়। এগৰাকী কিশোৰী যৌৱনপ্ৰাপ্ত হোৱাৰে পৰা নিয়মিতভাৱে ঋতুস্ৰাৱ হৈ থাকে। এই প্ৰক্ৰিয়া কিশোৰীগৰাকীৰ ৪৫ ৰ পৰা ৫৫ বছৰ বয়স নোহোৱালৈকে চলি থাকে। ঋতুস্ৰাৱ বন্ধ হোৱাটো এগৰাকী মহিলাৰ বাবে জীৱনৰ আন এটা অধ্যায় আৰম্ভ হোৱাৰ দৰে হয়। ঋতুস্ৰাৱ বন্ধ হোৱা প্ৰক্ৰিয়াটোক ৰজোনিবৃত্তি বুলি কোৱা হয়।

ৰজোনিবৃত্তিৰ সময়ত মহিলাগৰাকীৰ শৰীৰত ইষ্টজেন হৰমণৰ নি:সৰণ কমি যায়। ডিম্বাশয়ৰ আকাৰ সৰু হৈ ডিম্বাশয়ৰ পৰা গ্ৰাফিয়ান ফলিকলবোৰ নোহোৱা হৈ পৰে।





এই হৰমণৰ অভাৱ সাম্যতাৰ বাবে মহিলাগৰাকী বহুতো অসুবিধাৰ সন্মুখীন হবলগীয়া হয়। বহুতো মহিলাই এইসময়ত মানসিকভাৱে দুৰ্বল হৈ পৰে। ইয়াৰ বাদেও হঠাৎ গৰম লগা ,কেতিয়াবা অজান ভয়ে আগুৰি ধৰা , খিংখিঙীয়া হোৱা ইত্যাদি হোৱা দেখা যায়।

ৰজোনিবৃত্তিৰ বাবে শাৰীৰিক ৰূপ-লাৱণ্য হেৰুৱাই পেলোৱাৰ দৰে কিছুমান চিন্তাই মহিলাগৰাকীক মানসিক হতাশাত পেলোৱাৰ দেখা যায়।

শাৰীৰিক অসুবিধাসমূহ সহ্যি নোৱাৰি কোনো কোনো মহিলাই জীৱনৰ প্ৰতি মোহ হেৰুৱাই পেলায়।

ৰজোনিবৃত্তিৰ প্ৰতি বহুতৰ বহু ভূল ধাৰণা আছে। এইটো ঋতুস্ৰাৱৰ দৰে এটা সাধাৰণ শাৰীৰিক প্ৰক্ৰিয়াহে। আজিকালি হৰমণ ৰিপ্লেচমেণ্টৰ দৰে চিকিৎসা আছে যাৰ সহায়ত বিশেষ অসুবিধা নোহোৱাকৈ এই প্ৰক্ৰিয়াটো পাৰ কৰিব পাৰি।

চিকিৎসা কৰাৰ লগে লগে মহিলাগৰাকীয়ে মানসিকভাৱে শক্তিশালী হোৱাটো অতি প্ৰয়োজন। সকলো সময়তে এটা যোগাত্মক মানসিকতা ৰাখি নিজক বিভিন্ন কামত ব্যস্ত কৰি ৰখাটো দৰকাৰী, নিয়মিত খোৱা বোৱাৰ প্ৰতি চকু দিয়াৰ বাদেও শাৰীৰিক ব্যায়াম বা যোগসাধনা কৰি মনটো আৰু শৰীৰটো সুস্থ কৰি ৰাখিব পাৰি।

মহিলাগৰাকীৰ এই সময়ত পৰিয়ালৰ আন সদস্যসকলেও সহযোগিতা কৰিলে এই অসুবিধা সমূহৰ পৰা হেলাৰঙে ওলাই আহি মুক্ত আৰু সুস্থ জীৱন যাপন কৰিব পাৰিব।

◆◆



# Patriarchy Peeps Through - What do Advertisements Say?

❑ **Mayuri Sharma Baruah**
Assistant Professor
Dept. of English


### Abstract

*In the present era Media stands as one of the most powerful means of communication providing access to almost every nook and corner of the globe. It plays vital role in enriching the existent knowledge of the masses on the one hand, and in shaping public opinions on the other. While imparting this function, media has to stringently maintain an unbiased outlook towards one and all. But it is quite disappointing to note that very often due to multiplicity of reasons, mass media deviates from its focus. As an inevitable part of mass media, advertisements too contribute a lot in this context. What do ads say and how? Is it acceptable or not? In this paper an effort will be made to study the message(s) conveyed by certain advertisements, available both in the print and electronic media. Our prime objective is to decipher the messages communicated by certain advertisements and to recode them from gender perspective and highlight their probable impact on society at large.*


Key Words: Advertisement, Femininity, Gender, Masculinity, Patriarchy, Stereotype.

## Patriarchy – A Labyrinthine Predicament

To be precise, Patriarchy requires no introduction as such in present time. Since decades, the various issues related to it have been addressed with utmost sincerity by men and women who believe in equality. Yet, the patriarchal culture is so deeply internalized by societies that people often find difficulty in accepting that they too are either





enforcing or advocating these doctrines, many a time unknowingly. Feminist theories have always looked at "patriarchy" and its philosophy as the prime reason for oppression against women. Primarily the term "patriarchy" was used to describe the power of the father as head of household. However, post 1960s feminism use of the term denotes 'the systematic organization of male supremacy and female subordination" (Rathod, 2010, p. 75). Patriarchy signifies, as Mies states (1986, p. 38), the historical emergence of particular forms of inequality between women and men, in contrast to the view that gender inequality is natural. The power relations within it are reproduced at a general level. Consequently, women's lives are affected by imposition of restrictions on their thoughts and actions.

## Gender – Device to Divide

Gender plays a pivotal role in this regard – unlike the obvious biological distinction of the sexes, i.e. male and female, gender is socially constructed for framing separate social norms for the male and the female. Earlier people were made to believe that it was natural and hence acceptable. But with the emergence of numerous theories and movements, people now question the credibility of the existent systems and their respective cultures. Thus, the gendered outlook has been put under scrutiny. Perhaps, there's no human society that has never advocated gender bias making the lives of women difficult if not miserable. As an element of patriarchy, gender tends to be lenient towards men and harsh towards women. The typical woman stereotype is also an outcome of gendered framework. A female is seen through the male lenses and she is expected to be very close to *his* idea of a female. So, the image of a female as feminine, caring, soft, kind, fragile is because the male wants her to be so. The male, on the other hand, is masculine, careless, rude, unkind and tough – one can easily comprehend the effect of such *binary* opposites. It appears that femininity in women is required only to highlight the masculinity in men. And for ages women have been working hard to

keep themselves up to this standard laid by men. In doing so, they get tangled more and more in the labyrinth of patriarchy.

### Through the Lenses of Media

Despite the sincere efforts of Government and other agencies, Indian society as a whole is yet to break free from the clutches of patriarchal ideology. The concept of Women Empowerment and the schemes related to it clearly state the intention of the policy makers. However, assessing the impact of these schemes is yet another debatable issue. In this aspect, Media, as a potent medium can play a crucial role. Compared to the print media, electronic media is a widely availed means of mass communication. The lives of the masses are controlled by the television channels to a great extent. The vying TV channels go on luring the public with the soap operas, exposing them to an imaginary and glamorous world, a place out of their reach. Very often, the scripts of these operas are loud campaigners of patriarchy. No doubt, patriarchy gets reinforced.

### Commercial Advertisement – Bait to Consume/to be Consumed

Alongside these, commercial advertisements too play a very decisive role in formulating public opinion. With the expansion of market economy, competition gets tougher and the manufacturing companies emerge with innovative ideas for capturing a larger section of consumers. Their prime concern is marketing of products, be it a luxury car or a toilet cleaner. Obviously, the immediate audience is targeted as their prospective consumers. And in a country like India where ironically enough, entertainment channels are more popular than educational channels, a huge group of audience comprise of public who are already steeped in patriarchal culture. In such a situation if the advertisements are not sensibly designed and projected, one can imagine how detrimental the result can be. This paper intends to highlight this aspect of advertisement–





- ✓ How harmful advertisements can be in sustaining a gendered outlook?
- ✓ Who are the affected?
- ✓ How can they be affected?

From a **feminist** perspective one would surely pinpoint the typical female stereotypes as depicted in advertisements:

- We are tired of watching housewives who triumph in household chores by using so and so washing powder( Surf Excel, Ariel etc.) and toilet cleaner( Harpic, Sanifresh etc.).
- The glorified image of a "mother" is always emphasized in the ads that talk of health drinks (as Bournvita claims *"Sirf Ek Maa Acchi Adaton ki Ehmiyat Samajhti Hai"*), toothpaste (Colgate, Pepsodent etc.) and food products (Ashirwaad Atta). Isn't it objectionable for the fathers? Aren't fathers caring and loving?
- Women shown as sensuous creatures in ads related to deodorants for men (Axe, Wild Stone etc.).
- Women as shown in ads of beauty products.

These are a few to name – nowadays, almost all the intelligent advertisements result from the collective effort of a host of creative people with professional expertise, working together in various independent advertising agencies or within the manufacturing companies. The creativity appears somewhat superficial – more stress is laid, perhaps on the presentation and the expected acceptance. Thus, a simple woman working as a housemaid can aspire to be a housewife with some amount of gadget-offered comfort and not beyond that. The patriarchal ideas rotate around with minor changes in the packaging. Mary Kom's portrayal in the ad of Dalmia Cement is worth mentioning – at least one woman is used for 'selling" a "solid" product. Yet another **gender-friendly** ad is that of Dairy Milk Chocolate where a middle aged lady wearing

trousers, hesitant to go out is being supported by a doting husband ***"Har Ek Subh Kaam Se Pehle Kuch Mitha Hojaye"***. No doubt, we have thought provoking ads but much lesser in comparison to those damaging ones. One has to remember that our target audience is not properly media educated; they grab and gobble whatever is shown to them. The repeated representation of a typical Indian (ised) image of a woman only substantiates the already present notion. Again, projecting pimples and acnes as serious causes of a young girl's distress do much harm – when higher education is getting tougher and tougher, isn't it ridiculous to show thus? In fact such projections can seriously affect a person's self esteem and make him/her feel inferior. On the other hand, the recent ad of Hero Maestro Scooty, **(Such a Boy Thing!)** casting Ranbir Kapoor, Bollywood heart-throb propagates yet another biased view – easy life for boys! Such emphasis implies the presence of hardship in the lives of girls. The Bajaj Pulser – Definitely Male ad echoes similar ideas. On the other hand, the commercial announcing the launch of Hero Honda Pleasure few years back, starring Priyanka Chopra voiced the suppressed desire of the young women – Why Should Boys Have all The Fun?

**Gender vis-à-vis Men**

As we talk of gender from a broader perspective, it is found that men too suffer due to the typical stereotypes. A bare bodied Salman Khan can surely be appealing, but certainly not to all. The TV viewers in India range from Gym goers to rickshaw pullers, from affluent to the slum dwellers. The same advertisement is rendered differently. The former group can afford to make attempts to be like Mr. Khan but the latter group can merely dream to be so. This macho image is a burden on a viewer who owns an average physique – the fact that such insensible advertisements may inflict severe injury to a common person's





personality resulting in dissatisfaction and depression cannot be denied. It is clear that the advertisers always target a particular class of consumers and in doing so, the sentiments of another class is completely ignored. Again, in the context of India, the bulging middle class is quite susceptible to the marketing strategies. Middle class people tend to aspire to climb the social ladder and acquire a particular social status. Now, to gain more and more financially, the manufacturing houses target this class and start off with their product campaign. In this process, the masses living under and around the poverty line are **marginalized**; their lives are not taken into account of.

This paper attempts to interrogate this discrimination or biasness – undoubtedly, women are more oppressed in such conditions; but men also are humiliated, though in lesser numbers. An un-gendered society, inclusive in nature is genuinely needed for the greater benefit. The (un) fair attitude towards dark-skinned people was not comprehended until and unless the ad for 'Fair and Handsome' was launched wherein Shahrukh Khan, another Bollywood icon suggests a poor and dejected fellow to use the product in order to achieve fair (?) results. A similar ad for 'Fair and Lovely' was on screen and paper for years, nobody bothered as fairness and feminine beauty were believed to be complementary to each other. Better late than never!

Another sample of a humiliating advertisement is that of Reliance Big TV – a group of close friends are seen chatting when one young man enters with snacks and entertain them. An inspiring ad till that moment – but as he suggests for subscribing the cookery channel with the bonus points, he is laughed at! Quite shocking when we have chefs like Sanjeev Kapoor and Vikash Khanna – what's wrong in his proposal? The fault lies not in his proposal, it lies with his personality – he is slightly effeminate! We read the bottom-line as thus - A manly man can be a cook not a womanly man!

Besides, we come across sub-standard ads published in renowned

dailies and magazines which carry quite derogatory meanings, e.g. the ads propagating the bold claims of particular products effective for improving the size and shape of male and female body organs convey a disastrous message to the masses. The list will get longer but on random selection I've chosen these examples and forwarded a simple analysis of the same.

The following suggestions are made on the basis of the above study:

- **Gender sensitization campaign** can be a **fundamental issue** for the media as it reaches out to the masses within no time.
- **The Advertising Standards Council of India** needs to be **vigilant** enough not to promote any commercial talking or showing anything offensive.

**Conclusion**

An anonymous quote says, "Doing Business without Advertising is like Winking at someone in the Dark." Indeed, a brilliant ad on advertising itself. One cannot overlook the necessity of advertisement and simultaneously cannot agree to whatever is shown in or told by the ads. Media's whole hearted co-operation is strongly felt in the present social scenario. A pertinent question crops here – can there be any intense link between such projections and the recent increase in cases of sexual harassment? An average man might take recourse to such acts for two reasons – first, his frustration for being marginalized and secondly, his natural supremacy as a male. In this manner, patriarchal values strengthen perpetually posing threat to the foundations of a gender-free society. Therefore, Media's intervention is highly solicited in greater public interest as well as for social reforms.

**Works Cited:**
Books:
Rathod,P.B.(2010), An Introduction to Women's Studies, , ABD Publishers, Delhi.
Newspapers & Magazines:
Amar Asom, published by G.L. Publications Ltd., Guwahati -7



TINSUKIA COLLEGE LIBRARY
ESTD. 1956
TINSUKIA, ASSAM



# ড° নিৰ্মলপ্ৰভা বৰদলৈৰ গীতত নাৰী

□ ৰশ্মিতা বৰকটকী
সহকাৰী অধ্যাপিকা, অৰ্থনীতি বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

একোজন গায়কৰ কোনোটি গীতে বিশেষভাৱে শ্ৰোতাৰ হৃদয়তন্ত্ৰী কঁপাই যায়। গীতটি শেষ হৈ যোৱাৰ পাছতো তাৰ অনুৰণন ৰিণিৰিণিকৈ কাণৰ পৰ্দাত ভাঁহি থাকে। এইক্ষেত্ৰত গায়ক, সুৰকাৰৰ লগতে বহুসময়ত গীতিকাৰৰ কথাৰ লালিত্যই সুৰকাৰৰ পৰা আপুনি টানি গীতৰ উপযোগী সুৰ উলিয়াই আনিবলৈ সক্ষম হয়। অসমৰ গীতি সাহিত্যত তেনে এগৰাকী স্বনামধন্য গীতিকাৰ হৈছে ড° নিৰ্মল প্ৰভা বৰদলৈ। ড° দিলীপ কুমাৰ দত্তই "নিৰ্মল প্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী" নামৰ গ্ৰন্থৰ আগকথাত লিখিছে অসমৰ প্ৰায় সকলো খ্যাত বা অখ্যাত গায়ক-গায়িকা আৰু সুৰকাৰে নিৰ্মলপ্ৰভাৰ গীতক আদৰি আহিছে তাৰ ভাৱ প্ৰৱণতা, আবেগ-অনুভূতি আৰু গীতিব্যঞ্জক মধুৰতাৰ কাৰণে। ...জনপ্ৰিয়তাৰ পিনৰ পৰাও ড° ভূপেন হাজৰিকাৰ বাদে আন কোনো অসমীয়া গীতিকাৰৰ গীতে অসমীয়াৰ জাতীয় জীৱনক নিৰ্মল প্ৰভাৰ গীতৰ দৰে বিস্তৃতভাৱে স্পৰ্শ কৰিব পৰা নাই। প্ৰকৃততে, "নিৰ্মলপ্ৰভা বৰদলৈৰ গীতৰ কথাত এনে এক মোহিনী আছে, যি সকলোৰে অন্তৰ চুম্বকৰ দৰে আকৰ্ষিত কৰে। জুৰ পেলাই তাপিতজনৰ হৃদয়।" (নিৰ্মল প্ৰভাৰ নিৰ্মল আভা, পৃঃ ২৬)

যি কি নহওক, সমাজৰ ভিন ভিন দিশৰ লগতে নিৰ্মল প্ৰভাৰ গীতত এক বিশেষ স্থান লাভ কৰা বিষয় হৈছে — 'নাৰী'। নাৰী জীৱনৰ বিভিন্ন দিশ প্ৰতিফলিত কৰি তেখেতে বহুতো জনপ্ৰিয় গীত ৰচনা কৰিছে।

প্ৰকৃতাৰ্থত নিৰ্মল প্ৰভাৰ জীৱনেই তেখেতক জীৱন সম্পৰ্কে সুকীয়া দৃষ্টিভংগী প্ৰদান কৰিছিল। মাত্ৰ তেৰ বছৰ বয়সতে, জীৱন কি একো নুবুজাকৈয়ে এটি কন্যা সন্তানৰ মাতৃ হৈছিল আৰু স্বামীৰ লগত বিচ্ছেদ ঘটিছিল। সেই সময়ৰ হিন্দু অসমীয়া সমাজত স্বামীৰ পৰা আঁতৰি থকা এগৰাকী তেৰ বছৰীয়া নাৰীৰ অৱস্থা কেনে হ'ব পাৰে সেয়া সহজেই অনুমেয়। "সেই সময়ত অসমীয়া ব্ৰাহ্মণ বা কায়স্থ সমাজত স্বামীৰ পৰা বিচ্ছেদ হোৱা এগৰাকী তিৰোতাৰ জীৱন হয়তো বিধৱাৰ জীৱনতকৈও দুৰ্বহ আছিল।" (নিৰ্মল প্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী, পৃঃ ১৫)

এনে ঘটনা-পৰিঘটনাসমূহৰ বাবেই হয়তো নিৰ্মল প্ৰভা বৰদলৈ বাইদেৱে নাৰী হৃদয়ৰ সূক্ষ্মতম অনুভূতিকো উপলব্ধি কৰিব পাৰিছিল তথা গীতৰ

মাজেৰে প্ৰকাশ কৰিবলৈ চেষ্টা কৰিছিল। এইখিনিতে আমাৰ সকলোৰে প্ৰিয় এটি গীতৰ কথা উনুকিয়াব বিচাৰিছো। কুকিলকণ্ঠী গায়িকা দিপালী বৰঠাকুৰৰ কণ্ঠত প্ৰাণপোৱা গীতটি হৈছে —

সোণৰ খাৰু নালাগে মোক
বিয়াৰ বাবে আই
চেনেহজৰী তই দিয়া মোক হাততে গুৱাই...

এই গীতটিৰ মাজেৰে তেখেতে নাৰীয়ে যে বিবাহৰ বাহ্যিকতাখিনিতকৈ ইয়াৰ অন্তঃনিৰ্হিত সত্যতাখিনিক, সম্পৰ্কৰ এনাজৰীডালৰ দৃঢ়তাকহে অধিক গুৰুত্ব দিয়া উচিত বা গুৰুত্ব দিয়ে সেই কথা সুন্দৰভাৱে বিশ্লেষণ কৰিছে। তেখেতৰ নিজৰ ভাষাত, "এই গানটোত মই সূক্ষ্মভাৱে এটা message দিছিলো। গীতটোত মই বিবাহোপযুক্তা ছোৱালীৰ মনৰ কথা লিখিছিলো যদিও তাত এটা গভীৰ 'মেছেজ' দিছিলো। এগৰাকী সৎ আদৰ্শৰ ছোৱালীয়ে যেন বিয়াৰ প্ৰকৃত তাৎপৰ্য বুজিব পাৰিছে, শৰীৰ সজ্জাৰ কাৰণে অনা দামী-দামী অলংকাৰৰ সাজসজ্জাৰ অসাৰ্থকতা বুজিছে।

নিজকে এটা পৰিয়ালৰ সেৱাত স্নেহ-বন্ধনেৰে উৎসৰ্গা কৰিবলৈহে যে বিবাহৰ যাত্ৰা আৰম্ভ হয় এই উচ্চ ভাৱনাৰ কথাৰে নাৰীয়ে যেন নিজৰ মহত্বৰ কথা প্ৰকাশ কৰিছে।" (জীৱন জীৱন বৰ অনুপম, পৃঃ ২৩০)

এইটো নহয় যে ড° নিৰ্মল প্ৰভা বৰদলৈৰ আগেয়ে কোনেও নাৰী হৃদয় বা নাৰী জীৱনৰ গীত ৰচনা কৰা নাই। লক্ষহীৰা দাস, আলিমুন্নিচা পিয়াৰ আদি বহু মহিলা গীতিকাৰৰ গীতটো নাৰী হৃদয় বা নাৰীৰ জীৱনবোধৰ প্ৰতিফলন ঘটিছে। পুৰুষ গীতিকাৰসকলতো আছেই। কিন্তু পুৰুষতান্ত্ৰিক সমাজব্যৱস্থাৰ প্ৰভাৱৰ বাবেই হয়তে তেখেতসকলৰ গীতত নাৰী হৃদয়ৰ প্ৰকৃত প্ৰতিচ্ছবি এখন ফুটি উঠিছে যেন অনুভৱ নহয়। এই সকলোবোৰ যেন "নাৰীৰ প্ৰাণত সূৰুষৰ কাল্পনিক আৰোপ মাথোন।" কিন্তু নিৰ্মল প্ৰভা বৰদলৈৰ গীতত ইয়াৰ ব্যতিক্ৰম ঘটিল। নাৰী হৃদয়ৰ স্বকীয়, গভীৰ গোপন অনুভূতিসমূহে তেখেতৰ গীতত প্ৰাণ পাই উঠিল। এই প্ৰসঙ্গতে ৪০ ৰ দশকতে ড° বাণীকান্ত কাকতিৰ 'সাহিত্য আৰু প্ৰেম' গ্ৰন্থত থকা এষাৰ কথা উল্লেখ কৰিব পাৰি। "নাৰী হৃদয়ৰ স্বতন্ত্ৰ বিকাশৰ বাবে প্ৰতিভাশালী তিৰোতা লেখিকা নোলায় মানে প্ৰকৃত পৰিচয়ৰ বাবে সাহিত্য জগতে বাট চাই থাকিব লাগিব।" (বাণীকান্ত কাকতি ঃ সাহিত্য আৰু প্ৰেম, পৃঃ ১৬) তেনে এক প্ৰতিভাশালী তিৰোতা লেখিকাই হৈছে ড° নিৰ্মল প্ৰভা বৰদলৈ যি নাৰীৰ জীৱনবোধৰ প্ৰকৃত পৰিচয় দাঙি ধৰিছিল। দিলীপ কুমাৰ দত্তই তেখেতৰ গ্ৰন্থ 'নিৰ্মল প্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী'ত উল্লেখ কৰিছে —

"পঞ্চাছৰ দশকৰ পৰা এক বৈপ্লৱিক পৰিবৰ্তন আনিছে শ্ৰীমতী নিৰ্মল প্ৰভা বৰদলৈয়ে। প্ৰথমবাৰৰ কাৰণে এগৰাকী অসমীয়া নাৰীয়ে নিজৰ হিয়া উদঙাই, নিজৰ আবেগ, অনুভূতি, কামনা-বাসনাবোৰ প্ৰকাশি এক অপূৰ্ব গীতিসাহিত্য সৃষ্টি কৰিছে। তেওঁৰ গীতৰ সহায়ত অসমীয়া সমাজে আজিৰ এক সৃষ্টিকামী নাৰীক আৰু এক অতি আদিম নাৰীক চিনিবলৈ, বুজিবলৈ বিশেষ সুযোগ পাইছে।" (পঃ ১২১)। সেয়ে নিৰ্মল প্ৰভাই গীতেৰে কৈছে —

"কত ভাব কত কথা ক'ব খোজো মই
গানেৰে তুমি বুজানে?"





"আমাৰ গীতৰ সুৰে নেলাগে চুমিব আকাশৰ
তৰা
মাথো চুই যাওক এই ধৰণীক
বিষাদে মলিন কৰা।"
"নেলাগে, বাহিৰ শুৱনি
নেলাগে, ৰূপৰ আঙনি
লাগে, মন মিঠা সুবাসেৰে ভৰা।
নেলাগে মিছা বাঁহীটি
যদিহে নাই তাৰ সুৰটি
তেতিয়া খহিব মনৰে গৰা।"
"আই মই শুনিছো আঘোণতে বোলে
পাতিছ তই মোৰ বিয়া
শুনি মোৰ চকুলো সৰিছে দুধাৰি
বেজাৰত ভাগিছে হিয়া।"

এই গীতসমূহৰ জৰিয়তে "নাৰীমনৰ বিভিন্ন বয়সৰ বিভিন্ন অনুভূতিৰ কথা প্ৰকাশ কৰা হৈছে আৰু তেনেকৈয়ে নাৰীৰ বিভিন্ন বয়সৰ বিভিন্ন অনুভূতিৰ ধাৰা এটা অসমীয়া আধুনিক গীতৰ ইতিহাসত সৃষ্টি কৰা হৈছিল।" (জীৱন জীৱন বৰ অনুপম, পৃঃ ২৩৩)

আনকি ড° নিৰ্মলপ্ৰভা বৰদলৈয়ে লিখা বনগীতসমূহতো অসমৰ বিনন্দীয়া প্ৰকৃতি, গাঁৱলীয়া সমাজৰ সজীৱ প্ৰতিচ্ছবিৰ লগতে নাৰী প্ৰাণৰ কথা বিশেষ অনুভূতিৰে বৰ্ণনা কৰিছে। তেখেতে বনগীতত তাঁত বৈ থকা শিপিনীগৰাকীৰ সৌন্দৰ্য বা বৈ থকা কাপোৰৰ বিৱৰণ দাঙি ধৰা নাই। তেখেতে তাঁতখনিৰ আলম লৈ শিপিনীৰ মনৰ কথা ব্যক্ত কৰিছে এনেদৰে —

"শিপিনী মই সোণৰ অসমৰ
বুটা বছা মোৰ মন
মৰে অসমৰ লাৱনী জীয়ৰী
শান্তি বুকুৰ পণ।।"

নতুবা কৈছে —

"সৰুতে আইতাই তাঁত শিকাইছিল
কৈছিল এষাৰি কথা
ছিগা সূতা আই ভালকৈ জুৰাবি
নহ'লে লাগিব লেথা।"
...............
ছিগা ভগাৰ বাবে লাগে কতবেলি
নিছিঙে বোৱাতহে কথা।"

সেইদৰে পূজাৰ বতৰত চাহ বাগিচাৰ গাভৰুজনীৰ মনৰ কথা ব্যক্ত কৰি কৈছে —

"আহিলে পূজাৰে মেলা
মিনি তই কৰিছ কি
সাজি কাচি মেলালৈ ওলা।"

নাৰীৰ 'মাতৃ' ৰূপটিয়েও ড° নিৰ্মল প্ৰভা বৰদলৈক যথেষ্ট আকৰ্ষিত কৰিছিল। অৱশ্যে 'মাতৃ' শব্দটিৰে তেখেতে কেৱল জন্মদাত্ৰী মাতৃৰ কথাকে নকৈ প্ৰকৃতি আৰু জনমভূমিকো সাঙুৰি লৈছে। "নিৰ্মলপ্ৰভাৰ কাৰণে জন্মদাত্ৰী মাতৃ, প্ৰকৃতি আৰু জনমভূমি এই তিনিও একেজনী 'আই'ৰে তিনিটা ভিন্ন ৰূপ মাথো।" তেখেতৰ এটি গীত —

"বুকুৰ আপোন আই
নদীৰূপা আই, শস্যৰূপা আই
হৃদয় উজলাই তুমি আছা আই
স্তুতিৰ ভাষা নাই।"

এই গীতটিত জন্মদাত্ৰী মাতৃ, প্ৰকৃতি মাতৃ আৰু মাতৃৰূপী জনমভূমি — এই তিনিওটি মাতৃৰূপেই যেন আমি দেখিবলৈ পাওঁ।

ঠিক তেনেকৈ,

"কত নাম দি মাতিছো তোমাক
শ্যামলী শান্তিছায়া
......... ..........
কপালত আঁকা কাচি জোনে সউ
কি যে ছটিয়াই মায়া।
............ ...........
প্ৰাণাধিকম মোৰ দেশ মোৰ মাটি
জীৱন দি কৰিমে সেৱা।"

দেখা যায় যে এগৰাকী নাৰীয়ে এখন সমাজ গঢ়াত বিশেষভাৱে সহায় কৰে। নাৰীৰ স্বাভাৱিক কোমলতাৰ আঁৰত লুকাই থাকে এক অদমনীয় শক্তি। নাৰী শক্তিৰ উদ্‌গীৰণৰ অৰ্থও হয়তো ইয়াৰ লগতে সাঙোৰ খাই আছে। নিৰ্মলপ্ৰভা বাইদেউৰ গীতটো এই নাৰী শক্তি প্ৰতিস্ফুট হৈ উঠিছে। তেখেতে নাৰী শক্তিক জাগ্ৰত কৰিবলৈ কৈছে —

"পথ দুৰ্গম আমি অগণন
চূৰ্ণ কৰিম বাধা
নতুন দিনৰ সৃষ্টি কৰিম
নাই নাই একো দ্বিধা।"

আকৌ কৈছে,

"এক প্ৰভাতী মন্ত্ৰ কৰিছে ৰচনা
আমাৰ স্বপ্নবোৰে
এক নতুন সুবাস কৰিছে কামনা
নতুন নতুন সুৰে
পূবৰ আকাশ হেঙুলীয়া হোৱা লগ্নই
আহিছে এই সপোনকে লৈ।"

তেখেতে ভয়াবহ যুগৰ বিভীষিকা নাশিবলৈ হাজাৰ চকুত বিচাৰিছে দীপ্ত সূৰ্য শিখা, চেতনাবিহীন নিথৰ স্তব্ধ সমাজত যদি দিবলৈ বিচাৰিছে বলিষ্ঠ বিদ্যুৎ গতি। তেখেতৰ বিশ্বাস আছিল যে সমাজত নাৰীয়ে ইমান দিনে সহ্য কৰি অহা দুখ-যান্ত্ৰণা, অন্যায়-অবিচাৰসমূহ দূৰ কৰিব পাৰিব এক জাগ্ৰত নাৰী শক্তিয়েহে। সেয়ে গীতেৰে তেখেতে কৈছে—

"ধুমুহাত মই যাওঁ মোৰ গীত...
সীমাৰ পৰিধি ভাঙি
মই মৃত্যু নকৰোঁ ভয়, পাছলৈ নাচাওঁ মই
নতুন দিনৰ সৃষ্টি বিচাৰি কৰোঁ নৱ প্ৰস্তুতি।"

এই গীতটিৰ প্ৰসঙ্গত তেখেতে লিখিছে, "এই বলিষ্ঠ গীতটো লিখিছিলো মই 'বৰ্ষাৰ ঋতু ভাল পাওঁ মই' গীতটো লিখাৰ সময়তে। তেতিয়া ধুমুহাৰ বতৰেই আছিল। কিন্তু বাৰিষাৰ-ধুমুহা উপলক্ষ কৰি লিখা গীত এইটো নহয়। সামাজিক সমতা দুৰ্নিবাৰভাৱে কামনা কৰিছিল মনে।"

(জীৱন জীৱন বৰ অনুপম, পৃঃ ২৪৭)

পুনৰ গীতেৰে তেখেতে কৈছে —

"নাৰী আজি অবলা নহয়
চেতনাৰ গীত গাওঁ
বলীকাৰাৰ শিকলি ছিঙো
পূৰ্ণ সূৰ্য নমাই আনো
দৃপ্ত কণ্ঠে গাই যাওঁ আজি
এই যুগত নাৰী, পুৰুষৰ
সমান অধিকাৰ, গতি দুৰ্নিবাৰ।"

এনেদৰে ড° নিৰ্মল প্ৰভা বৰদলৈৰ গীতসমূহ বিশ্লেষণ কৰিলে দেখা যায় যে সমাজত নাৰীৰ অৱস্থান নাৰীৰ মানসিক অন্তৰ্দণ্ড তথা এইবোৰৰ পৰা ওলাই আহিবলৈ যে নাৰীসকলেই 'সীমাৰ পৰিধি ভাঙি' আগবাঢ়ি আহিব লাগিব সেই কথা তেখেতে মৰ্মে মৰ্মে উপলব্ধি কৰিছিল। "নিৰ্মলপ্ৰভা আছিল কেৱল অসমীয়া সমাজৰে নহয় গোটেই ভাৰতীয় সমাজৰে আৰু বিশ্বৰ সমাজৰে এক মুক্ত





নাৰী। তেওঁ পৃথিবীৰ সকলো নাৰীৰ কাৰণে দেখুৱাই গৈছে নাৰী মুক্তিৰ এক সবল পথ। পুৰুষৰ দাসত্ব স্বীকাৰ নকৰা পথ, য'ত আধ্যাত্মিক শক্তিৰে সকলো দৈহিক বা শাৰীৰিক শক্তিক পৰাভূত কৰিছে।"

(নিৰ্মলপ্ৰভাৰ গীত আৰু নাৰীৰ জীৱন নদী, পৃঃ ১০৯)

সেয়ে তেখেতে গীতৰ ভাষাৰে কৈছে,

"জীয়াই থকাত আছে শিহৰণ, মৃত্যু মানেই শেষ
পুনৰ জনম আছে বা নাই, নাজানো সিখন দেশ
মাথোঁ পণ আছে ৰক্তবীজৰ
সংঘাতে নানা ভাগৰ।"

তেখেতে লিখিছে "ৰক্তবীজ এনে এক শক্তি — এটোপা ৰক্ত মাটিত পৰিলেই পুনৰাই সেই ৰক্তৰ পৰাই আমোঘ এক শক্তি উৎপন্ন হয়।" (আত্মজীৱনী, জীৱন জীৱন বৰ অনুপম)।

এইদৰে ড° নিৰ্মলপ্ৰভা বৰদলৈ বাইদেৱে গীতৰ মাজেৰেই সমাজৰ আন আন দিশৰ লগতে নাৰীসকলৰ মৰ্যাদা, তেওঁলোকৰ দৃঢ়তা, সামাজিক অৱস্থান, অন্তঃনিৰ্হিত শক্তি ইত্যাদিক দাঙি ধৰিবলৈ চেষ্টা কৰিছে। তেখেতৰ ভাষাত, "প্ৰতিটো গীততে একোটা 'মেছেজ' থকাটো মই নিজে বাঞ্ছা কৰোঁ। সমাজ সলনি কৰাত সাহিত্যৰ প্ৰভাৱ তাতেই।" তেখেতৰ জীৱনৰ অভিজ্ঞতাই তেখেতক নাৰীৰ সুক্ষ্ম অনুভূতিবোৰ উপলব্ধি কৰাত সহায় কৰিছিল। তেখেতে কৈছে, "দেখিলে, শুনিলে, পালে, যিবোৰ অভিজ্ঞতা হয় আৰু সেই অভিজ্ঞতাই যি উপলব্ধি দিয়ে সেয়েহে জীৱন, সেয়েহে সাহিত্য। জীয়াই থকাৰ মানেটো জীৱন নহয়, যদিহে উপলব্ধি নাথাকে।"

মুঠ কথাত অসমীয়া গীতি সাহিত্যত ড° নিৰ্মলপ্ৰভা বৰদলৈ এক চিৰযুগমীয়া গৌৰৱ। শেষত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ ভাষাৰে কওঁ, "ভাৱক গীতলৈ পৰিবৰ্তন কৰা বৰ টান কাম। তুমি মানবীয়তাৰ কথা কৈছা, শ্ৰেণী আৰু সংগ্ৰামৰ, নাৰীৰ মানসিকতাৰ একোখন সপোন তৈয়াৰ কৰিছা।"

'সাগৰক সৰু কৰিব নোৱাৰি। তুমি এসাগৰ নীলা ওৰফে নিৰ্মলপ্ৰভা। মই তোমাৰ লিখনিত মুগ্ধ হওঁ, সেয়ে মই তোমাৰ গীত গাঁও, তুমি অদ্বিতীয়া।"

◆◆

# Third Sex in Ancient Indian society: An Overview

□ Dr Roshmi Dutta
Associate Professor
Department of Political Science
Tinsukia College

***Muzakkir ke liye 'he' hai, moannis ke liye 'she' hai,***
***Magar hazrat mukhannis hain, na heon men na sheon men.***

For males 'he' is used, for females 'she' is used.
But Eunuchs falls neither in the 'he's nor in the 'she's.

**Akbar Allahbadi**
**(Urdu Poet)**

The term 'third gender' or 'third sex' is basically used to describe people who are neither male nor female. In modern times the study and the concept of third gender or third sex and their conditions is relatively new. But the concept of the third gender or 'tritiya prakriti' was already known by Vedic science many thousands of years ago. In ancient literature the existence of a group of people known as third gender or third sex was found and they were acknowledged as a part of society. References to third sex can be found throughout the various texts of India's three ancient spiritual traditions- Hinduism, Jainism and Buddhism- and it can be inferred that the Vedic culture recognized three genders.

The Satapatha-Brahmana, a collection of myths and rituals from the eight century BCE is one of the earliest written records of the third gender in India. In the *Ramayana* composed between 200BC and 200CE also finds reference to their existence. Likewise, in the *Mahabharata*, a book of Hindu epics dating from around the first century BCE , referred Arjuna, the hero of the epic, was (or pretended to be ) a hermaphrodite for





a year.

Within the Vedic (1500-900 BCE) literature, sex or gender of the human being is clearly divided into three separate categories according to nature or prakriti: these are, *pums-prakriti* or male, *stri-prakriti* or female, and *tritiya prakriti* or the third sex. Here the term 'prakriti' is used in a broad sense as sex is biological and gender refers to psychological behaviour and identity. References to homosexuality and transgender identity are also found in Vedic texts like the *Kama-Sutra* which is among the oldest in the world.

People of the third sex are analysed on the basis of Kama-Sutra and broken down into several categories that are still visible today and generally referred to as gay males and lesbians. Though it also refers to the other categories such as transgenders and the intersexed. People of the third sex are mentioned throughout Vedic literature in different ways due to their variety of manifestations. People of the third sex are also classified under a larger social category known as the *neutral gender.* Caraka Samhita, Sushruta Samhita , Sabda-kalpa-druma and Narada-smriti define various types of men who are impotent with women as described in Vedic literature.

Many different words were used to describe the people of this category. There are many examples like the common word used *Napumsaka* (Sanskrit word) means not man, which is used to refer to a man who has no taste for women and thus does not procreate. There are eight type of Napumsa listed. Other Sanskrit words for this category include *Shandha* (Transgenders) means a man who behaves like a woman or whose manhood is completely destroyed. This can refers to many types of third gender people but perhaps it is most commonly used to describe those with complete transgender identity. Such people do not identify with their physical sex but instead consider themselves and live their lives as members of the opposite sex. There are twenty types of impotent men known in Sanskrit as 'Shandha'. Male-to-female transgenders identity and live as women whereas female-to-male transgenders identity and live as men. They are also called 'transvestites' or 'transsexuals' and differ from gay-males and lesbians in that they do not usually

identify as homosexual. In Sanskrit, *kliba* refers to any type of impotent man, but in this instance it is specially used to describe men who are completely impotent with women due to their homosexual nature. There are five types of kliba are described as inborn, due to an equal seed conceptions caused by various conditions of the parents. The Sanskrit word *svairini* refers to an independent woman who has refused a husband, earns her own livelihood and lives either alone or in marriage with other woman. Also those who did not produce children were sometimes known as *nastriya* or 'not-female'. Ten different types of nastriya or third gender women can be found in various Sanskrit texts. Another word Napumsa (Intersex) refers to any nonproductive person of the third sex, specifically implies people born with ambiguous genitalia. Those born without proper sex organs are called 'nisarga' in Sanskrit and typically have a chronic physical condition caused by the biological combination of the male and female sexes known today as intersexuality. Homosexual men who take the passive role in anal sex are specifically known in Sanskrit as *kumbhika*. On the other hand, homosexual men who take the passive role in oral sex are specially known in Sanskrit as *mukhebhaga or asekya.*

The existence of the third gender also found in Vedic astrology as the nine planets are assigned to one of the three genders. The Sun, Jupiter and Mars are assigned to the masculine gender, the Moon, Venus and Rahu are assigned to feminine gender. And the third or neutral gender are assigned to Mercury, Saturn and Ketu. These last three planets labeled 'napumsaka' are considered to be sexually neutral and *hermaphroditic* (possessing both male and female properties) by their influence. This neutrality refers to the fact that their natures are aloof from the business of procreating life as compared to the male and female planets. Mercury governs children, who have not yet entered puberty and do not become sexually aroused. Saturn governs the impotent and elderly, which are by nature restricted from sexual reproduction. Ketu, on the other hand specifically concerns those who are sexually fit but have no interest in act of sexual procreation. These include the celibate and the people of the third sex. Ancient scriptures on





Vedic astrology emphasised Mercury as most indicative of the third gender although some texts Saturn and Ketu.

The third sex is biologically determined during the earliest of conception; a statement is also confirmed in Sanskrit medical texts such as the Sushruta Samhita. In other word the birth of a third sex is quite natural; they do not ***become*** third sex later on due to external reasons or causes.

Besides this, in South Asian language to describe sex the word 'prakritik linga' (natural sex) is used and for gender 'saamaajik linga' (social sex) is used. With the decline of this Vedic culture i.e. approximately 500 B.C., Buddhism gradually spread throughout India. In the Buddhist *Vinaya*, codified in its present form around the 2nd century, sex/gender categories were stated as males, females, *ubhatobyanjanaka* (people of the dual i.e. bisexual nature) and *pondaka* (people of various non-normative sexual natures), perhaps as originally denoting a deficiency in male sexual capacity. Besides as early as the fifth century C.E. the Jain (religion) had used the term *tritiya* (third) and *trairasika* (third heap) to refer to persons of the third sex.

Along-with the two genders, the third gender existed in human civilization from times immemorial. In Ancient India society is all encompassing and each individual was seen as an integral part of the greater world. Thus, all classes of people were accommodated and engaged according to their nature. But in modern society, due to sexual distinctiveness the third gender or third sex are not included in the human grouping as it refutes a binary norm i.e. male and female. They are excluded and not accepted as a normal gender in society. They are treated as unnatural, deviant and abnormal creature within human societies. But their birth is quiet natural. No doubt the third gender people are different from the rest of the gender divisions. They have features of both the genders and therefore they can be regarded as a superior gender compared to the other two genders. Isn't quality of life more important even for third gender people? Isn't it a shame on entire humanity to contribute directly or indirectly in depriving the status of "human" to this category of people? Here in a reference to the Vedas may be made which states ***vikruti evam prakruti***

meaning 'all things queer are also part of nature'. Therefore, despite a unique sexual identity the third gender deserve dignified life.

## References


1. Belkin, Erica. *Creating Groups outside the caste systems: The Devadasis and Hijras of India*, Dissertation submitted to Wesleyan University, Department of History, 2008.
2. Dutta, Roshmi. Understanding the Third Gender: a Study of their Social, Economic and Political Status in Assam. Thesis submitted to Dibrugarh University, Department of Political Science, 2016.
3. Kamla, Bhasin. *Understanding Gender*, Kali for women, New Delhi, 2003.
4. Ojha, Rekha. *Intersex Identity: An Ethical Perspective*, Akansha Publishing House, New Delhi, 2011.
5. Wilhelm, Amara Das. *Tritiya-Prakriti: People of the Third sex*, Xlibris Corporation, Philadelphia, PA, 2013.
6. Zwilling, Leonard and Sweet, Michael J. *"Like a City Albaze": The Third Sex and the Creation of Sexuality in Jain Religious Literature*, Journal of the History of Sexuality,Vol.6.No.3(Jan.,1996), Accessed at StableURL:http://www. jstor.org/ stable/stable/ 4629615,on19.11.15, 06:39.






# আধুনিক সমাজত মগজুৰ স্বাস্থ্য বনাম নাৰী


□ ড° ৰুবী বৰুৱা

সহকাৰী অধ্যাপক, ৰসায়ন বিজ্ঞান বিভাগ

তিনিচুকীয়া মহাবিদ্যালয়


পৌৰাণিক কালৰে পৰা নাৰীক বৰ সুন্দৰ আৰু উচ্চ আসন দিয়া বিভিন্ন ধৰণৰ 'বাখ্যা' ভাৰতীয় সংস্কৃতিত বিৰাজমান। দেৱী পূজা কৰাটোৱেই আটাইতকৈ যুক্তিসংগত উদাহৰণ। ধৰ্ম-সংস্কৃতিয়ে ভাৰতত অথবা গোটেই পৃথিৱীতে নাৰীক বৰ ইতিবাচক ভাৱে গণ্য কৰা দেখা যায়। হ'লেওচোন আমি প্ৰত্যেক নাৰীয়ে জীৱনত 'নাৰী' হোৱাৰ বাবেই উজুটি খাওঁ। আধুনিক সমাজে মগজুৰ সাস্থ্যক আন সকলো অংগৰ সাস্থ্যৰ লগত একে আসনতে ৰখা দেখা যায়। উদাহৰণসকবৰূপে অমিতাভ বচ্ছনে "কৌন বনেগা ক্ৰৌড়পতি" অনুষ্ঠানটিত এনে দুটামান মগজুৰ স্বাস্থ্যৰ বাবে কাম কৰা স্বেচ্ছাসেৱী অনুষ্ঠানক আমন্ত্ৰণ কৰিছিল আৰু অন্য অংগ - প্ৰত্যংগৰ দৰে মগজুৰ বেমাৰো যে একেই সেই কথা অনুষ্ঠানটিৰ জৰিয়তে সমাজলৈ বাৰ্তা আগবঢ়াইছিল। সমাজখনে মগজুৰ বেমাৰক যাতে পুৰণিকলীয়া কুটিল সামাজিক দৃষ্টিৰ পৰা মুক্ত কৰি আনে তাৰবাবে প্ৰকৃততে আমাৰ সমাজত হাজাৰ হাজাৰ কৰ্মীৰ প্ৰয়োজন আছে। প্ৰয়োজন আছে এক যুগান্তকাৰী সামাজিক প্ৰচেষ্টাৰ। চল্লিছোৰ্ধ নাৰীৰ মগজুৰ বেমাৰ হোৱাৰ সম্ভাৱনা পুৰুষতকৈ বেছি (বিভিন্ন সমীক্ষাৰ মতে)। মনোৰোগৰ পাঠ্য মতে ––

সকলো বয়সতে মনোৰোগ হ'ব পাৰে। মনোৰোগৰ কাৰণ বিভিন্ন হ'ব পাৰে––

১.পৰিয়ালত আগতে কাৰোবাৰ থাকিলে,(যেনেদৰে কেন্সাৰো পৰিয়ালত কাৰোবাৰ থাকিলে হ'ব পাৰে)

২.বহুত বেছিকৈ মগজুৰ চাপ দিলে (stress বেছি হ'লে)।

৩.হৰম'নৰ তাৰতম্য হ'লে।

৪.বেলেগ মেডিকেল চিকিৎসাৰ ক্ৰিয়া প্ৰতিক্ৰিয়া স্বৰূপে(side effects)। অথবা শৰীৰত মিলি নপৰা কিছুমান ড্ৰাগছৰ বাবে।

৫. অতিপাত জ্বৰ হ'লেও হ'ব পাৰে।

৬. কেঁচুৱা জন্ম দিয়াৰ পাছত(post pregnancy) হ'ব পাৰে।

এনে নানান ধৰণৰ কাৰণত মগজুৰ বেমাৰ হ'ব পাৰে। কাৰণ সমুহ বিশ্লেষণ কৰিলে দেখা যায় আমি সকলোৱে এই বেমাৰত আক্ৰান্ত হ'ব পাৰোঁ। আজিৰ দ্ৰুত প্ৰগতিৰ দৌৰত সমাজত এতিয়াও

কিয় এই অসুখক এক ব্যতিক্ৰমী দৃষ্টি ভংগীৰে চোৱা যায়? এই বিষয়ে স্কুলীয়া শিক্ষাৰ পাঠ্যক্ৰমত অৰ্ন্তভূক্ত কৰি কোনোবাই কাৰোবাক 'পাগল' বুলি ধেমালিতো কোৱাটো যে অপৰাধ হ'ব পাৰে, সেই বিষয়ে শিকোৱাটো উচিত নহয় নে? এই অসুখৰ বাবে আজিৰ চিকিৎসা বিজ্ঞানত বহু নতুন চিকিৎসা পদ্ধতিৰ সংযোজন ঘটিছে। কিন্তু ইয়াৰ বাবে প্ৰয়োজন হয় এক বলিষ্ঠ সামাজিক পৰিবেশ অথবা strong social supportৰ। এই সকলোবোৰ দিশ পুৰুষ- মহিলা সকলোৰে বাবে প্ৰযোজ্য। সমাজৰ আটাইতকৈ শোকাবহ পৰ্য্যায়টো হৈছে যেতিয়া এগৰাকী 'নাৰী'ৰ মগজুৰ বেমাৰ হয়। আমাৰ সমাজত এনে হাজাৰ-বিজাৰ উদাহৰণ আছে। বিয়াৰ পিছত যেতিয়া নাৰী গৰাকীৰ মগজুৰ বিকাৰ ঘটে, তেওঁৰ [illegible] যিকোনো প্ৰকাৰে স্বামী তথা স্বামীগৃহৰ পৰিয়ালৰ [illegible]কে অব্যাহতি পাবলৈ বিচাৰে। তেওঁক সু-চিকিৎসা প্ৰদান কৰি এক সুস্থ বাতাবৰণ দিয়াৰ পৰিৱৰ্তে 'নাৰী ' গৰাকীক দলিয়াই দিয়া হয় এক ভয়াবহ অনিশ্চয়তালৈ। এইয়া হৈছে বিবাহিতা নাৰীৰ ওপৰত চলা অমানুষিক অত্যাচাৰ।

এগৰাকী অবিবাহিতা ছোৱালী যেতিয়া এনে ধৰণৰ অসুখত ভোগা দেখা যায়, তেওঁৰ বাবেতো বিয়াৰ বিষয়টো এক নিষিদ্ধ বিষয় হৈ পৰে । কিবা বিশেষ কাৰণত মানসিক সন্তুলন হেৰুৱাই পৰবৰ্তী সময়ত সম্পূৰ্ণ সুস্থ হৈ উঠা নাৰীক বোৱাৰী বা পত্নী হিচাপে গ্ৰহণ কৰিব পৰাকৈ আমাৰ সমাজ পৰিপক্ক হৈ উঠা নাই। এয়া সঁচাই দুৰ্ভাগ্যজনক ।

কপিল শৰ্মা, দীপিকা পাডুকনে বহু অন্তৰংগ অনুষ্ঠানত এই অসুখৰ বিষয়ে গৌৰৱেৰে আলোচনা আগবঢ়াইছে। এই উদাহৰণ বোৰে সমাজত ইতিবাচক বাৰ্তা হিচাপে ক্ৰিয়া কৰিলে এখন সুস্থ নতুন সমাজ গঢ়ি উঠিব যিয়ে মানসিক ৰোগক অন্যান্য যিকোনো শাৰীৰিক ৰোগৰ দৰে গণ্য কৰিব। ◆◆



Jamida Beevi : Crea[illegible] history by becoming the 1st Muslim woman to lea[illegible] Friday Prayers in India. She led 30 men & women in Namaaz in Kerala's Malappuram district.





# সমস্যা বনাম সম্পৰ্ক

□ ড° কমলেশ কলিতা
সহকাৰী অধ্যাপক, ভূগোল বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

মানুহ সামাজিক প্ৰাণী। সামাজিক প্ৰাণী বাবে আমি ইজনে সিজনৰ ওপৰত ভিত্তি বা ভৰষা কৰি জীয়াই থাকোঁ। অধ্যয়নৰ পৰা এইটো দেখা গৈছে যে পৃথিৱীৰ শতকৰা আশীজনতকৈ অধিক মানুহে নিজৰ পৰিয়াল, বন্ধু-বান্ধৱ, লগৰীয়া বা সমাজৰ আন আন বৰ্গৰ লগত জীয়াই থাকিবলৈ বিচাৰে। অৱশ্যে নগন্য সংখ্যকেহে পৰিয়াল, সমাজ বা বন্ধু-বান্ধৱৰ পৰা আঁতৰি থাকি নিঃসংগ জীৱন যাপন কৰিবলৈ ভাল পায়। উল্লেখ নকৰিলেও হ'ব যে জীয়াই থাকিবলৈ আমাক নানান সম্পদ আৰু সাধনৰ প্ৰয়োজন হয়। আদিম কালৰে পৰাই মানুহে ঢাপে ঢাপে নিজৰ বুদ্ধি-বৃত্তি আৰু উৎকৰ্ষ বিকাশৰ জৰিয়তে নিজৰ আৰু সমাজৰ প্ৰয়োজন অনুসৰি সম্পদ আৰু সাধনসমূহৰ চাহিদা আৰু উপযোগিতা বৃদ্ধি কৰি আহিছে। নোদোহাৰিলেও হয় যে প্ৰথম অৱস্থাত মানুহে অঘৰী জীৱন যাপন কৰিছিল। সেই সময়ত জনসংখ্যাও অতি তাকৰ আছিল। আমিবোৰে মুখ্যতঃ অন্ন-বস্ত্ৰ আৰু সুৰক্ষিত বাসস্থানৰ অন্বেষণত এঠাইৰ পৰা আনঠাইলৈ ঘূৰি ফুৰিছিলোঁ। জীৱ-জন্তুৰ চিকাৰ আৰু জংগলৰ পৰা ফল-মূল ইত্যাদি সংগ্ৰহেই সেই সময়ত মানুহৰ প্ৰধান কাম বুলি গণ্য কৰা হৈছিল। সেই সময়ত মানুহে দল বা জুম পাতি বাস কৰিছিল আৰু দলৰ প্ৰায় সকলো সদস্যই সেই দলটোৰ শক্তিশালী ব্যক্তি বা বয়সস্থ লোকসকলৰ কথামতেই জীৱন অতিবাহিত কৰিছিল। মানুহ প্ৰকৃতিৰ লগত সহবাস কৰিয়েই জীৱন পথত আগবাঢ়িছিল। উল্লেখযোগ্য যে - আদিম কালৰে পৰাই অৱশ্যে আমাৰ মাজত সম্পৰ্কৰ ভাৱনাটো গঢ়ি উঠিছিল। নক'লেও হ'ব যে এই সম্পৰ্ক তেতিয়াৰ পৰাই বাপেক-মাক, ল'ৰা-ছোৱালী, পতি-পত্নী, নিজৰ সংগী অথবা লগৰীয়া, মালিক-কৰ্মচাৰী, চৰকাৰ-কৰ্মচাৰী, বয়োজ্যেষ্ঠ-কনিষ্ঠ আৰু এটা দল বা জুমৰ সদস্যৰ লগত আন দলৰ লগত সম্পৰ্কিত হৈছিল। কালক্ৰমত মানুহে অঘৰী জীৱনৰ পৰা স্থায়ী জীৱন-যাপন কৰিবলৈ শিকিলে। প্ৰায় ৮০০০ বছৰৰ পূৰ্বে যেতিয়া নদী উপত্যকা আৰু পলসুৱা ভূমিসমূহত মানুহে স্থায়ী কৃষিকাৰ্য কৰিবলৈ আৰম্ভ কৰিলে তেতিয়াৰ পৰাই মানুহে গাঁও পাতি স্থায়ীভাৱে বসবাস কৰিবলৈ ধৰিলে। উল্লেখযোগ্য যে মহিলাসকলেই প্ৰথমতে গুটিৰ পৰা যে গজালি মেলে, আৰু ইয়াকো ল'ৰা-ছোৱালীৰ দৰে প্ৰতিপালন কৰিলে তাৰ পৰা যে পুনৰ অধিক উৎপাদন কৰিব পাৰি সেই কথা পোন প্ৰথমতে আৱিষ্কাৰ কৰিছিল। কৃষিৰ এনেদৰেই

আৰম্ভণি হোৱা বুলি গৱেষকসকলে ঠাৱৰ কৰিছে। স্থায়ী কৃষি আৰু স্থায়ীভাৱে বসবাস কৰাৰ লগে লগে মানুহে লাহে লাহে অন্য আনুসাংগিক আৰু নতুন নতুন কথা ভাবিবলৈ আৰু কাৰ্যকৰী কৰিবলৈ ধৰিলে। সম্পদৰ পয়োভৰ আৰু সুৰক্ষাৰ খাতিৰত সেই সময়ত মানুহে অধিক জনসংখ্যা বৃদ্ধিত গুৰুত্ব প্ৰদান কৰিছিল। দলৰ মুখীয়া বা তেনে নেতৃস্থানীয় ব্যক্তিয়ে এগৰাকী মহিলাতকৈ অধিক মহিলাক পত্নীৰূপে বা তেনেধৰণে গ্ৰহণ কৰাৰ কথা সেই সময়ৰ পৰাই আৰম্ভ হৈছিল। অৱশ্যে অধ্যয়নৰ পৰা এইটো জনা যায় যে, সেই সময়ত মহিলাতকৈ পুৰুষৰ মৃত্যুৰ হাৰ বেছি আছিল আৰু আজিৰ নিচিনাকৈ পুৰুষৰ অনুপাতত মহিলাৰ হাৰ কম নাছিল। অৱশ্যে পৰৱৰ্তী সময়ত পুৰুষৰ অনুপাতত প্ৰায়বোৰ দেশতে মহিলাৰ হাৰ কম হ'বলৈ আৰম্ভ কৰিলে। সময়, সুবিধা, শিক্ষা, জ্ঞান, বিজ্ঞান, স্বাস্থ্য সচেতনতা, প্ৰযুক্তি বিদ্যাৰ প্ৰসাৰ আৰু প্ৰয়োগ বঢ়াৰ লগে লগে মানুহৰ মৃত্যুৰ হাৰ কমিবলৈ ধৰিলে আৰু জনসংখ্যা দ্ৰুতগতিত বাঢ়িব ধৰিলে।

স্বাস্থ্য বিজ্ঞানৰ অভূতপূৰ্ব উন্নতিৰ লগে লগে পৃথিৱীৰ নানান প্ৰান্তত জনসংখ্যা বিস্ফোৰণ ঘটিবলৈ ধৰিলে। চীন ভাৰতকে ধৰি পৃথিৱীৰ উন্নয়নশীল আৰু অতি পিছপৰা দেশসমূহত আজি জনসংখ্যাৰ ভাবিব নোৱাৰা বৃদ্ধি আৰু পৰিবৰ্তন দেখিবলৈ পোৱা গৈছে। এটা সময়ত ইউথোপিয়াৰ পৰা মানুহৰ ক্ৰমবিকাশ ঘটি আজি ২০১৯ চনৰ ফেব্ৰুৱাৰী মাহত ৭.৭ বিলিয়ন হৈছেগৈ। এই দ্ৰুত জনসংখ্যা বৃদ্ধিৰ লগে লগে পৃথিৱীত আজি বিভিন্ন ধৰণৰ সমস্যা যেনে - সম্পদৰ নাটনি, জলবায়ু পৰিবৰ্তন, প্ৰদুষণ, খোৱাপানী, বাসগৃহৰ অভাৱ, যাতায়াতৰ শোচনীয় অৱস্থা, প্ৰাকৃতিক দুৰ্যোগৰ প্ৰৱণতা বৃদ্ধি, অৰ্থনৈতিক আৰু লিংগ বৈষম্যতা বৃদ্ধি, ৰাজনৈতিক অস্থিৰতা, সন্ত্ৰাসবাদকে ধৰি নানা সামাজিক ব্যাধি আদি সমস্যাৰে আজিৰ পৃথিৱী জৰ্জৰিত। দৰাচলতে আমাৰ সমস্যাসমূহ বিশেষকৈ ব্যক্তিগত, পৰিয়ালকেন্দ্ৰিক বা সামাজিক হয়। ঠিক তেনেদৰে আমাৰ সমস্যাসমূহৰ কাৰণো ব্যক্তিগত, পৰিয়ালকেন্দ্ৰিক, সামাজিক, অৰ্থনৈতিক বা ৰাজনৈতিক হ'ব পাৰে।

সমস্যাৰ সন্মুখীন নোহোৱা মানুহ গোটেই পৃথিৱী ঘূৰিলেও হয়তো বিচাৰি পোৱা নাযাব। মানুহ নালাগে পৃথিৱীত উপলব্ধ সকলো জীৱ বা ইতৰ প্ৰাণীয়েই জীৱিত কালত নানা অসুবিধা বা বেমেজালিৰ সন্মুখীন হ'বলগীয়াত পৰে। যিহেতু মানুহৰ বাদে আন জীৱ প্ৰজাতি প্ৰকৃতিৰ লগত তুলনামূলকভাৱে বেছিকৈ সহযোগ আৰু সহবাস কৰি প্ৰকৃতিৰ ধৰ্ম আৰু নিয়ম অনুসৰি জীয়াই থাকে, সেয়েহে সেইবিলাক জীৱই সততে সন্মুখীন হোৱা সমস্যাসমূহো সমাধান কৰি লোৱাত বেছি কঠিনতা আহি নপৰে। প্ৰকৃতিৰ লগত তালমিল কৰি সিহঁতবোৰে জীৱন ধাৰণ কৰে। কিন্তু মানৱ প্ৰজাতিৰ ক্ষেত্ৰত এই কথাটো অলপ সুকীয়া। মানুহে নিজৰ মগজু খটুৱাই ভাল-বেয়া, উচিত-অনুচিত আদিৰ প্ৰভেদ বাচি উলিয়াব পাৰে। সেয়া হ'লেও আজি তথাকথিত আধুনিকতা আৰু সভ্যতাৰ ধামখুমীয়াত পৰি মানুহ প্ৰকৃতিৰ পৰা ক্ৰমে আঁতৰি আহিব ধৰিছে। প্ৰকৃতিৰ স'তে পৰস্পৰে তাল-মিল বজাই নাৰাখি নিজৰ স্বাৰ্থ পূৰণৰ নিমিত্তে বিভিন্ন ধৰণে প্ৰকৃতি ধ্বংস কৰিবলৈ আৰম্ভ কৰিছে। প্ৰকৃতি ধ্বংস যজ্ঞ ইমানেই তীব্ৰতৰ হ'বলৈ আৰম্ভ কৰিলে যে আমাৰ





পাৰিপাৰ্শ্বিক ও চাৰিওকাষ জটিলতাৰে ভৰি পৰিব ধৰিলে। দ্ৰুত জনসংখ্যা আৰু জ্ঞানহীন শিক্ষাৰ প্ৰচাৰ, প্ৰসাৰ আৰু প্ৰয়োগে আমাক আজি এক যন্ত্ৰলৈ ৰূপান্তৰিত কৰিলে। আমি আজি হৈ পৰিছো এক 'মানৱ যন্ত্ৰ'। আমি প্ৰায়বোৰেই আজি বিভিন্ন ধৰণৰ সমস্যাৰে ভাৰাক্ৰান্ত।

সি যি কি নহওক, সমস্যাৰ ঢ়াৰ লগে লগে আমাৰ সম্পৰ্কবোৰৰ মাজযো ঘূণে ধৰিবলৈ আৰম্ভ কৰিছে। সি ব্যক্তিগত, সামূহিক, ৰাজনৈতিক, অৰ্থনৈতিক বা অন্য যি ধৰণৰ সম্পৰ্কই নহওক কিয়। দুজন বা তাতোতকৈ অধিক ব্যক্তি বিশেষৰ লগত আমাৰ যি ভালপোৱা, শ্ৰদ্ধা, সন্মান, ঘৃণা, ভৰষা, ভাৱ আদিৰ যোগসূত্ৰ আৰু সমন্বয় ঘটে তাকে সাধাৰণভাৱে 'সম্পৰ্ক' বোলে। সেই সম্পৰ্ক ওপৰত উল্লেখ কৰা ধৰণে বিভিন্ন ধৰণৰ হয় আৰু বিভিন্ন শ্ৰেণীৰ লোকৰ লগত সংঘটিত হয়। অতি আধুনিক গোলকীয় সভ্যতাৰ যুগত আমাৰ মাজৰ সম্পৰ্কসমূহৰ বান্ধোনৰ গাঢ়তা আজিকালি আগৰ দৰে হৈ থকা নাই। ইয়াৰ অৱশ্যে কাৰণ অনেক। এই আলোচনাত অন্য সমূহ সম্পৰ্কৰ কথা বাদ দি কেৱল মাথোঁ পতি-পত্নী মাজৰ সম্পৰ্কৰ কথা সংক্ষেপে আগবঢ়োৱা হ'ল।

পতি-পত্নীৰ মাজৰ সম্পৰ্ক এক স্বৰ্গীয়, মধুৰ আৰু স্বাস্বত সম্পৰ্ক। সামাজিক, বিধিগতভাৱে বা সমাজৰ নিয়ম কানুনৰ আঁতৰত থাকিও এক নিৰ্দিষ্ট বয়সত পুৰুষ-মহিলা বিবাহ পাশত আবদ্ধ হয়। ইজনে সিজনৰ ওপৰত ভৰসা কৰি জীৱন বাটত আগবাঢ়িবলৈ প্ৰস্তুত হয়। অনাগত দিনত আহিব লগা বিভিন্ন ধৰণৰ সমস্যাসমূহ একেলগে মোকাবিলা কৰি তাক প্ৰতিহত কৰাৰ কাৰণে অংগীকাৰ গ্ৰহণ কৰে। পতি-পত্নীৰ সম্পৰ্ক কেৱল যৌন ইচ্ছা, কামনা-বাসনা পূৰণ আৰু চৰিতাৰ্থৰ একমাত্ৰ অৱলম্বন হিচাপে গ্ৰহণ নকৰি ইয়াক সংসাৰ ধৰ্মৰ দায়িত্ব আৰু কৰ্তব্য বুলি যুগ যুগ ধৰি অভিহিত হৈ আহিছে। পতি-পত্নীৰ মধুৰ সম্পৰ্কৰ কাৰণেই আমি সকলোৱে পৃথিৱীৰ মুখ দেখিবলৈ পাইছোহঁক। সি যি কি নহওক, পতি-পত্নীৰ মাজত থকা মধুৰ সম্পৰ্ক কিছুমানৰ কাৰণে মধুৰ নহৈ দিন বঢ়াৰ লগে লগে অসহনীয় দাণ্ডিৰ নোৱাৰা বোজাৰ দৰে হৈ পৰে। পতি-পত্নীৰ মাজৰ ভালপোৱা আনকি ঘৃণালৈও পৰিবৰ্তন হ'বলৈ বেছি সময় নালাগে। দুয়োৰে মাজত থকা ভৰসা, বিশ্বাস, দায়িত্ব আৰু কৰ্তব্যৰ বান্ধোন লাহে লাহে চিঙি যায়। এক কথাত দুয়ো মিত্ৰৰ পৰা শত্ৰুলৈ পৰিৱৰ্তিত হয়। কথাই কথাই ইজনে সিজনক বদনাম দিয়া, গালি গালাজ কৰা, খং-ৰাগ, হেয় প্ৰতিপন্ন কৰা, বিবাহ জীৱনৰ চৰম ভুল বুলি পতিয়ন যোৱা, কথাই কথাই অপমানসূচক বাক্যবানেৰে প্ৰহাৰ কৰা, কথা-বাৰ্তা, যোগসূত্ৰ, সহায়-সহযোগিতা আদি নকৰা, সম্পৰ্কৰ দুৰ্বল দিশবিলাক আনৰ লগত আলোচনা কৰা, সম্পদৰ দুৰ্ব্যৱহাৰ বা সেইবোৰ ভাঙি তচনচ্ কৰা, কথাই কথাই ইজনে সিজনৰ ওপৰত প্ৰতিশোধ লবলৈকো কুণ্ঠাবোধ নকৰা, শাৰীৰিকভাৱে অপদস্থ কৰা, মানসিক চাপ প্ৰয়োগ কৰা, ঘৰৰ আন সদস্যৰ আগত বা সামাজিকভাৱেও অপমান কৰা, আনকি এটা সময়ত এজনে সিজনৰ লগত মাতবোল একেবাৰে বন্ধ কৰি দিয়া তথা চৰম পৰ্যায়ত পতি-পত্নী বেলেগে বেলেগে থকাৰ সিদ্ধান্ত গ্ৰহণ আৰু বিবাহ-বিচ্ছেদ (Divorce) আদিৰ দৰে কঠোৰ সিদ্ধান্ত ল'বলৈও ভয় নকৰা আদি কাৰ্যকলাপেই

পতি-পত্নীৰ মাজৰ মধুৰ সম্পৰ্কৰ বিপৰীত ছবিখন দাঙি ধৰে। অৱশ্যে, এই ধৰণৰ বিপৰীত ধৰ্মী সম্পৰ্কৰ কাৰণ প্ৰধানতঃ শাৰীৰিক, মানসিক, অৰ্থনৈতিক, পাৰিবাৰিক আৰু সামাজিক আদি বিভিন্ন ধৰণৰ হ'ব পাৰে। এটা কথা উল্লেখ কৰা ভাল হ'ব যে, পতি-পত্নীৰ মাজৰ সম্পৰ্ক দুৰ্বল কৰাৰ কাৰক যিয়েই নহওক কিয় যদি পতি-পত্নীয়ে ইজনে সিজনৰ ওপৰত ভৰষা আৰু বিশ্বাস কৰি ধৈৰ্য্য সহকাৰে জীৱন নদীৰ চাকনৈয়া আৰু ঘূৰ্ণী বতাহসমূহ অতিক্ৰম কৰিবলৈ দৃঢ় সংকল্প লয় আৰু সাহস কৰে, তেতিয়া হ'লে বোধহয় পৃথিৱীৰ কোনো ধৰণৰ শক্তিয়েই পতি-পত্নীৰ মাজৰ মধুৰ সম্পৰ্কৰ এনাজৰি চিঙিবলৈ সম্ভৱপৰ নহয়। বিবাহ যিহেতু জীৱনৰ এক কঠিন পৰীক্ষা, সেয়েহে এই পৰীক্ষাত সফলতাৰে উত্তীৰ্ণ হ'বলৈ হ'লে আমি যথেষ্ট সতৰ্ক আৰু প্ৰস্তুত হোৱাটো নিতান্তই প্ৰয়োজনীয়।

সি যি কি নহওঁক পতি পত্নীৰ মাজত মধুৰ সম্পৰ্ক বজাই ৰাখিবলৈ হ'লে তলত উল্লেখ কৰা কথাসমূহৰ প্ৰতি আমি সতৰ্ক হ'লে নিশ্চয় সুফল লাভ কৰিব পাৰিম।

১। ইজনে সিজনৰ লগত খোলাকৈ কথা-বাৰ্তা আৰু ভাবৰ আদান-প্ৰদান কৰা মধুৰ সম্পৰ্ক ৰক্ষাৰ প্ৰথম চৰ্ত। সমস্যা যিয়েই নহওক পতি-পত্নীয়ে কোনো কথা লুকাই চুৰকৈ নাৰাখি সমস্যা সমাধান কৰাতহে গুৰুত্ব দিব লাগে। আলোচনাৰে প্ৰায়বোৰ সমস্যাৰে সমাধানসূত্ৰ উলিয়াব পাৰি।

২। ইজনে সিজনক বুজিবলৈ চেষ্টা কৰিলে পতি-পত্নীৰ মাজত সদায় মধুৰ সম্পৰ্ক ৰক্ষা হয়। কথাই কথাই খং ৰাগ বা পতি-পত্নীয়ে ইজনে সিজনক বুজিবলৈ চেষ্টা নকৰিলে সম্পৰ্কত লাহে লাহে ঘুণে ধৰে। পতি-পত্নীৰ সম্পৰ্ক বন্ধুসুলভ হ'লে বহু সমস্যাৰ সমাধান হয়।

৩। পতি-পত্নীয়ে দুয়োৰে দুয়োৰ প্ৰয়োজনীয়তা বুজি তাৰ অভাৱ পূৰণ কৰিবলৈ চেষ্টা কৰিব লাগে। এই কথাটো সকলোৰে বুজিব লাগে যে জীৱনত বিচৰা সকলো বস্তু কোনেও সম্পূৰ্ণকৈ নাপায়। সেই কাৰণে যিখিনি পায় তাতে সন্তুষ্ট হ'বলৈ অভ্যাস কৰাটো ভাল। অৰ্থনৈতিক দিশসমূহৰ আলোচনাতো দুয়োজনেই সমানে আগভাগ ল'ব লাগে।

৪। সাধাৰণতে এইটোও দেখা যায় যে পতি-পত্নীয়ে সততে কথাই কথাই আন পতি-পত্নীৰ লগত নিজকে তুলনা কৰি নিজ সংসাৰ সুখ-শান্তি বিনষ্ট কৰে। সেয়েহে আনৰ সংসাৰৰ লগত নিজৰ সংসাৰ কেতিয়াও তুলনা কৰিব নালাগে।

৫। বিশ্বাস, ভৰষা, সন্মান, সত্যতা আৰু সুৰক্ষা মধুৰ সম্পৰ্কৰ বুনিয়াদী ধ্বজা। আক্ৰোশ আৰু দমনসূচক অৱধাৰণাই কেতিয়াও মধুৰ সম্পৰ্ক দাবী কৰিব নোৱাৰে।

৬। পতি-পত্নীয়ে দুয়োৰে পুৰুষ আৰু নাৰীৰ মাজৰ প্ৰকৃতিগত পাৰ্থক্যৰ বিষয়ে ভালকৈ উপলব্ধি কৰা উচিত। পুৰুষ আৰু মহিলাৰ প্ৰকৃতিগত আৰু স্বভাৱগত কিছুমান সক্ষমতা আৰু দুৰ্বলতা থাকে। আমি সেই কথাটো বুজি লৈ তাক গ্ৰহণ কৰিব লাগে।

৭। পতি-পত্নীয়ে সদায় ল'ৰা-ছোৱালী আৰু ঘৰৰ আন পৰিয়ালৰ লগত সময় কটাব লাগে। ইয়াৰ উপৰিও পতি-পত্নীয়ে ইজনে-সিজনক সময় দিয়াটো নিতান্তই প্ৰয়োজনীয়। কিমান সময় দিছে সেইটো ডাঙৰ কথা নহয় কিমান গুণগত সময় দিছে সেইটোহে ডাঙৰ কথা।





৮। পতি-পত্নীয়ে ইজনে-সিজনক কেতিয়াও অভিযোগ কৰিব নালাগে। বৰং কথাবিলাক আন্তৰিকতাৰে শুনিব চেষ্টা কৰিব লাগে। নহ'লে হিতেই বিপৰীত হয়। নক'লেও হ'ব যে আমি সদা সংগীৰ প্ৰতি সহধৰ্মিতা প্ৰকাশ কৰাৰ লগতে মৰমসূচক বাৰ্তালাপ কৰিব লাগে। পতি-পত্নীয়ে ইজনে-সিজনক বিভিন্ন কথাত উৎসাহিত কৰাৰ লগতে সহায়-সহযোগিতা আগবঢ়োৱাত কেতিয়াও কৃপণালি কৰিব নালাগে।

৯। সৰু সৰু কথাবিলাক যেনে — জন্মদিন, বিবাহ বাৰ্ষিকী ইত্যাদি কথাবিলাক পাহৰি নগৈ সেইবিলাক নিয়মিতভাৱে মনত পেলাব চেষ্টা কৰিব লাগে। এই সৰু সৰু কথাবিলাকতেই আনন্দৰ সঁফুৰা লুকাই থাকে। কেতিয়াবা কেতিয়াবা পতি-পত্নীয়ে দুই-এক উপহাৰ প্ৰদানৰ জৰিয়তে দুয়োৰে মাজৰ সম্পৰ্ক আৰু মজবুত কৰিব পাৰে।

১০। একেলগে থকা আৰু একেলগে খোৱা মধুৰ সম্পৰ্ক বজাই ৰখাৰ সোণালী নিয়ম। সেয়ে আমি অকলে অকলে খাদ্য নাখাই একেলগে বহি খোৱাৰ অভ্যাস গঢ়ি তুলিব লাগে।

১১। কোনো কথাৰ সিদ্ধান্ত লোৱাৰ সময়ত অকলশৰীয়াকৈ নলৈ, পতি-পত্নীৰ দুয়োৰ আলোচনাৰ ভিত্তিত লোৱাটো আৱশ্যক।

১২। অৱসৰ বিনোদন, বনভোজ বা বাহিৰলৈ গৈ কেতিয়াবা আন ঠাইত ফুৰা-চকা আৰু খাদ্য গ্ৰহণে পতি-পত্নীৰ মাজৰ সম্পৰ্ক গাঢ় কৰি তোলে। এনে ধৰণৰ কথাই আমাৰ মনৰ অৱসাদ দূৰ কৰি আমাক পুনৰ কাৰ্যক্ষম আৰু উৎসাহিত কৰি তোলে।

১৩। প্ৰয়োজন সাপেক্ষে নিজৰ ভুল স্বীকাৰ কৰি লোৱাটো মধুৰ সম্পৰ্ক ৰক্ষাৰ আন এক গুৰুত্বপূৰ্ণ কথা।

১৪। সৰু কথাতে খং-ৰাগ নকৰি বা তৰ্কাতৰ্কিৰ সূত্ৰপাত নঘটাই ঠাণ্ডা মগজুৰে যিকোনো কথা আলোচনা কৰিলে মধুৰ সম্পৰ্ক অক্ষুণ্ণ থাকে। সততা আৰু যুক্তিনিষ্ঠাৰে আমি কথাবোৰ ফহিয়াই চোৱা ভাল।

১৫। পতি-পত্নীৰ মাজত থকা অস্বাস্থ্যকৰ সম্পৰ্কৰ কাৰণসমূহ উলিয়াই তাক সমাধান সূত্ৰ বিচাৰি উলিয়াবলৈ সদা-সচেষ্ট হোৱা উচিত।

১৬। উপযুক্ত খাদ্য গ্ৰহণ, উপযুক্ত পৰিৱেশ সৃষ্টি আৰু নিয়মিত ব্যায়াম আৰু ধ্যান আদিৰ জৰিয়তে স্বাস্থ্যৰ যত্ন লোৱাটো মধুৰ সম্পৰ্ক ৰক্ষাৰ দৰকাৰী দিশ। নিতৌ ১০ বা ১৫ মিনিট মুকলি ঠাইত পুৱা অথবা আবেলি খোজকঢ়াৰ নিয়মে আমাৰ স্বাস্থ্য আৰু মন সতেজ কৰি ৰাখে। আনহাতে বেমাৰ-আজাৰৰ সময়টো ইজনে-সিজনৰ বিশেষ যতন লোৱাটো বাঞ্ছনীয়।

১৭। পতি-পত্নীয়ে নিজৰ নিজৰ হবি, ৰুচিবোধ, ইচ্ছা আদিৰ প্ৰতি ইজনে-সিজনক উৎসাহিত আৰু উৎকৰ্ষ সাধনৰ কাৰণে উপযুক্ত পৰিৱেশ গঢ়ি তুলিব লাগে।

১৮। আজিকালি টিভি, ইণ্টাৰনেট আদিৰ যুগ। এইটো প্ৰায়ে দেখা যায় যে পতি-পত্নীয়ে একেলগেই বহু সময় অতিবাহিত কৰে অথচ ইজনে-সিজনৰ পৰা মানসিকভাৱে বহু দূৰত বাস কৰে। দুয়ো টিভি, কম্পিউটাৰ অথবা ইণ্টাৰনেটৰ জগতত ব্যস্ত থাকে। যাৰ কাৰণে পতি-পত্নীয়ে গুণগত সময় দিব নোৱাৰে। সেই কাৰণে পতি-পত্নীয়ে সদায় বৰ্তমান মুহূৰ্তবোৰ সচেতনভাৱে আনন্দৰে অতিবাহিত কৰিবলৈ যত্ন কৰিব লাগে।

১৯। শাৰীৰিক বা যৌন সম্পৰ্ক সঠিকভাৱে বজাই ৰখাটোও পতি-পত্নীৰ বাবে আন এক গুৰুত্বপূৰ্ণ দিশ। সন্তুলিত যৌন ক্ৰিয়া-কলাপে পতি-পত্নীক আনন্দৰে জীয়াই থকাত উদগনি যোগায়।

২০। হাঁহিক মহৌষধিৰ লগত তুলনা কৰা হয়। মানুহ হিচাপে আমি সদায় খোলাকৈ হাঁহিবলৈ চেষ্টা কৰা উচিত। হাঁহিয়ে আমাক নানা ধৰণৰ বেমাৰৰ পৰা আৰোগ্য লাভ কৰাত সহায় কৰে আৰু শাৰীৰিক আৰু মানসিক প্ৰশান্তি প্ৰদান কৰে।

ওপৰত উল্লেখ কৰা কথাসমূহ যদি পতি-পত্নীয়ে নিজৰ জীৱনত অনুশীলন কৰিব বিচাৰে তেনেহ'লে নিশ্চয় পতি-পত্নীৰ মাজৰ ভুল বুজাবুজিবোৰ বহু পৰিমাণে লাঘৱ হ'ব আৰু এক আনন্দময় আৰু সন্তুলিত জীৱন অতিবাহিত কৰিবলৈ পাৰিব। অৱশ্যে এই সকলোবোৰৰ বাবে আমি নিজকে কিছু পৰিমাণে পৰিবৰ্তন কৰিবলৈ প্ৰস্তুত হ'ব লাগিব। যদি আমি আমাৰ মানসিকতাৰ পৰিবৰ্তন ঘটাব নোৱাৰো তেনেহ'লে উপৰোক্ত কথাসমূহে আমাক সিমান ফল নিদিব।

এটা কথা ঠিক সময় বঢ়াৰ লগে লগে আধুনিক শিক্ষাই আমাক এনে এখন জগতলৈ ঠেলি পঠিয়াইছে যে আমি কেৱল মাথো 'বস্তু' ভাল পাবলৈহে শিকিছো। দয়া, ক্ষমা, প্ৰেম, ভালপোৱা, সহায়-সহযোগিতা, সহনশীলতা আদি কথা আৰু প্ৰমূল্যবোধবোৰ আজি দূৰতে বিদূৰ। ফলত আমি হৈ পৰিছো ভিৰৰ মাজতো অকলশৰীয়া। আমি আজি কল্পনা কৰিবলৈ এৰিলো, সপোন দেখিবলৈ পাহৰিলো, নিজৰ ভিতৰতে নিজক বিচাৰি চাবলৈ বাদ দিলো। অথচ মৰীচিকাৰ পিছে পিছে সফলতা বিচাৰি নিগনি দৌৰত ঢাপলি মেলিছো। বস্তুবাদী আৰু ভোগবাদী সমাজ ব্যৱস্থাই আমাৰ সুখ-শান্তি বিনষ্ট কৰি পেলাইছে। দিনক ৰাতি কৰি ৰাতিক দিন কৰি আমি কেৱল বিচাৰি ফুৰিছো, কিন্তু কি বিচাৰি ফুৰিছো তাকো নাজানো। এটা যন্ত্ৰণাময় বেমাৰী দেহ-মন লৈ আমি প্ৰায় সকলো বৃদ্ধ-বনিতাই ঢপলিয়াই ফুৰিছো আৰু এন্ধাৰত খেপিয়াই ফুৰিছো লিপ্সিত সুখ। সুখ আৰু শান্তিয়েই যদি আমাৰ কাম্য তেনেহ'লে আমি ওভতনিৰ যাত্ৰা আৰম্ভ কৰিব লাগিব। জীৱনটো সহজভাৱে উদ্‌যাপন কৰিব শিকিব লাগিব। প্ৰকৃতিৰ লগত সহবাস আৰু সহযোগিতাৰে জীৱন যুদ্ধত আগবাঢ়িব লাগিব। সৰু সৰু কথাবোৰ উদ্‌যাপন কৰি তাৰ মাজৰ পৰা আনন্দ লভিব লাগিব। জীৱনৰ 'চৰম সত্যতা' উপলব্ধি কৰিব পাৰিলে আমি সুখ আৰু শান্তিত জীয়াই থকাত সহায়ক হ'ব। আচলতে আমি নিজেহে জীৱনটো জটিল কৰি পেলাওঁ।

"Life is really simple, but we insist on making it complicated." — Confucius

জীৱন সেইবিলাকে উপভোগ কৰে যিয়ে ইয়াক উদ্‌যাপন কৰিব পাৰে।

"If you really know how to celebrate, one candle is enough."

আহক আমি সকলোৱে এক সহজ-সৰল জীৱন উদ্‌যাপন কৰো।

◆◆

TINSUKIA COLLEGE LIBRARY ESTD 1956 TINSUKIA, ASSAM



# সোণতৰা

☐ দেৱকান্ত বুঢ়াগোহাঁই
সহকাৰী অধ্যাপক, গণিত বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

মাজৰাতিলৈকে দুৰ্ভাৱনা এটা বুকুত লৈ সোণতৰাই সাৰে থাকে। খিৰিকীখন মেলি লৈ বাহিৰৰ জোনৰ পোহৰত ন-কুঁহিপাত মেলা নাহৰৰ পাতবোৰলৈ চাই খেলিমেলি চিন্তা কিছুমানে তাইৰ মনৰ মাজত ভিৰ কৰেহি। ক'ৰবাত কেতেকী এজনীয়ে ৰৈ ৰৈ বিনাই থাকে। বসন্তৰ আগমনে প্ৰকৃতিৰ বুকুলৈ যৌৱনৰ এটা জোৱাৰ আনে। উৰুঙা উৰুঙা ভাৱ এটাই তাইৰ মনটোক অনবৰতে আমনি কৰি থাকে।

দেউতাকৰ অসুখৰ খবৰ ল'বলৈ বসন্ত আহিছিল সেইদিনা। বাহিৰৰ চোতালত বহি দেউতাকৰ লগত বহুদেৰি কথা পাতিলে। চাহৰ বাটি দুটা লৈ তাৰ সন্মুখলৈ আহোঁতে কোনোবাখিনিত খোঁচা-বিন্ধা কৰা যেন লাগিছিল। তাৰ মুখলৈ চাবলৈ তাইৰ ভয় লাগিছিল। বসন্তৰ চাইকেলৰ কেৰিয়াৰত বহি তাই আগতে বিহু ফাংচনত নাচিবলৈ যায়। মূৰ তুলি নোচোৱাকৈ তাই অনুভৱ কৰিছিল বসন্তই তাইলৈ থৰ লাগি চাই আছিল। চাহৰ লগত চিৰাৰ জলপানৰ বাটি দুটা সজাই তাই কোনোমতে তাৰ মুখলৈ চাই কৈছিল,

ঃ খাব...। আগতকৈ সি অলপ শকত হৈছে। গহীন সুৰত সি তাইক সুধিছিল,

ঃ সোণতৰা ভালে আছা! তাই ওঁ ভালে আছো বুলি কৈ আঁতৰি আহিছিল।

এটা সময়ত বসন্তৰ ঢোলৰ চাপৰত তাই নাচিছিল। বিহুতলিৰ সি মূল ঢুলীয়া, তাৰ ঢোলৰ চাপৰত নাচনীৰ গা সাতখন আঠখন হয়। সৰুতে মাক ঢুকুৱাৰ কাৰণে মোমায়েকৰ ঘৰত থাকিয়েই সি ডাঙৰ হৈছিল। তাৰ ভদ্ৰ অমায়িক স্বভাৱৰ কাৰণে সহজতে সকলোৱে আপোন হৈ পৰিছিল। মাক নোহোৱা ল'ৰা বুলি এনেয়ো সকলোৱে তাক মৰমৰ চকুৰে চাইছিল। সোণতৰাৰো বৰ মৰমৰ আছিল সি।

গাভৰু হোৱাৰ পাছত সোণতৰাৰ বিহুতলীলৈ যোৱা কমি আহিছিল। মাক-দেউতাকৰ কাঢ়া শাসন নামানি তাই কেতিয়াবা বিহু ফাংচনত নাচিবলৈ যায়। বসন্তই তেতিয়া তাইক চাইকেলত বহুৱাই লৈ যায়। গোটেই ৰাস্তাটো তাহাঁত দুটাই কথা পাতি পাতি গৈ থাকে। ওখোৰা মোখোৰা পথাৰৰ মাজৰ ৰাস্তাৰে সি বৰ সাৱধানে চাইকেল চলায়। দূৰৈৰ বিহু ফাংচনত নাচিবলৈ গ'লে আহোতে কেতিয়াবা দেৰি হয়।

দেউতাকে নঙলাৰ মুখত বৈ তাই অহালৈ বাট চাই থাকে। পদূলিমুখত বসন্তৰ চাইকেল আহি ৰোৱাৰ লগে লগে দেউতাকে গৰগৰাই উঠে ...

ঃ বিহ ফাংচনে ফাংচনে বৰ নাচনীজনী হৈ তই মোৰ সন্মান বঢ়োৱাতকৈ নাকহে কাটিছ। গাঁৱৰ মানুহমখাই এনেয়ে কথা উলিয়াবালৈ চেলু বিচাৰি ফুৰে। এনেকৈ ৰাতি বিয়লি ঘৰ সোমালে কোনে তোক ভাল বুলি ক'ব!

দেউতাকৰ কথা শুনিবলৈ তাইৰ তেতিয়া ধৈৰ্য্য নাথাকে। নঙলাখন খুলি পুৰস্কাৰ হিচাপে পোৱা শ্বিল্ডখন বুকুত জোৰেৰে সাৱতি ফো ফোৱাই ভিতৰলৈ সোমাই যায়। চেপা কান্দোন এটাই তাইৰ ডিঙিটো হোপা মাৰি ধৰে। দেউতাকৰ গালিকেইটাৰ মাজতে বসন্তই কোৱা কথাকেইটা আহি তাইৰ কাণত পৰে...

ঃ খুড়াদেউ... সোণতৰাই আজি বছৰৰ শ্ৰেষ্ঠ বিহুৱতী পুৰস্কাৰটো পালে। চহৰৰ ইমান ভাল ভাল নাচনীবোৰৰ মাজৰ পৰা তাই এই সন্মান আজুৰি আনিছে। এইটো গৌৰৱৰহে কথা।

গাৰুত মূৰ গুজি সেইদিনা তাই খুউব কান্দিছিল। ফেকুৰি ফেকুৰি তাই মনৰ ক্ষোভ উজাৰিছিল। ছোৱালী হোৱাৰ বাবেই সমাজখনে তাইক আবুৰৰ মাজত ৰাখিব খোজে। তাহাঁতৰ নিজস্ব ভালপোৱা, মান অভিমান সকলো কাঢ়ি নিব খোজে। বসন্তৰ চাইকেলৰ কেৰিয়াৰত বহি বিহু নাচিবলৈ গ'লে মানুহে বেয়া কথা উলিয়ায়। তাই কাৰো হাতৰ পুতলা হ'ব নোখোজে। মান-অভিমান, আবেগ-অনুভূতিবোৰ দলিয়াই থৈ সমাজৰ কথামতে উঠা-বহা কৰিব নোৱাৰে। ভিতৰি ভিতৰি কথাবোৰ মনৰ মাজত গুজৰি গুমৰি থাকিলেও বাহিৰত তাই কাকো একো ক'ব নোৱাৰে।

মেট্ৰিকৰ দেওনা পাৰ হ'ব নোৱাৰি সোণতৰাই পঢ়া সামৰিবলগীয়া হয়। পঢ়া-শুনাৰ প্ৰতি তাইৰ বিশেষ ৰাপো নাছিল। শাওনৰ পথাৰত ভুই ৰুবলৈ অথবা আঘোণৰ পথাৰত মুঠি মুঠিকৈ সোণগুটি চপাবলৈ তাই যিমান ফুৰ্টি পাইছিল সেই হিচাপত পঢ়া-শুনা কৰি তাইনো ক'ত ডাক্তৰ, উকীল অথবা প্ৰফেচাৰণী হ'ব। খেতি পথাৰ, ঘৰৰ ইটো সিটো সৰু সুৰা কাম-কাজৰ মাজতেই জীৱনৰ এটা ধাৰণা গঢ়ি তুলিছে। সপোন দেখিবলৈ নিশিকিলেও তাই মনে মনে কল্পনা কৰিছিল সৰু এখন ঘৰ, মৰমীয়াল এজন মানুহ, এহাল ল'ৰা-ছোৱালী... তাৰ মাজতে তাইৰ অস্তিত্বক কেতিয়াবা এগৰাকী দায়িত্বশীল মাক, মৰম আকলুৱা এগৰাকী পত্নী, ওচৰ-চুবুৰীয়া জ্ঞাতি-কুটুমৰ সৈতে গঢ়ি তুলিব পৰা এটা আত্মিক পৰিচয়। কথাবোৰৰ সৈতে জোত বন্ধন নকৰাকৈয়ে তাই কেতিয়াবা বসন্তৰ কথা ভাৱে।

গাঁৱৰ পৰিৱেশত গায়ে-গুৰিয়ে চেহেৰা-পাতিয়ে চকুত লগা ছোৱালীবোৰ বেছিদিন গাভৰু হৈ থাকিবলৈ নাপায়। সোণাপুৰ মৌজাৰ দণ্ডেশ্বৰ মহাজনৰ সৰু পুতেকৰ কাৰণে সোণতৰাক বিচাৰি খোদ মহাজনে আহি তামোল-পানৰ বঁটা লৈ দেউতাকৰ সৈতে কথা পাতে সোণতৰাৰ দেউতাক সাধাৰণ মানুহ। দণ্ডেশ্বৰ মহাজনৰ সৈতে তেওঁ চকুত চকু থৈ কথা ক'ব পৰা বিধৰ মানুহ নহয়। মহাজনৰ প্ৰস্তাৱক নাকচ কৰাৰ কথাই নাহে। বিয়াৰ দিনবাৰ ঠিক থাক কৰি দেউতাকে সোণতৰাক বুজায় -

ঃ আই অ'। তোৰ কপালৰ জোৰতহে ইমান ডাঙৰ মানুহৰ ঘৰৰ বোৱাৰী হবিগৈ। সেইখন ঘৰত অলপ জুখি মাখি ভাবি গুণি খোজ কাঢ়িবি আই।





সৰুৰে পৰাই সোণতৰাৰ ইচ্ছা-অনিচ্ছা, পচণ্ড-অপচণ্ডক সিমান বেছি গুৰুত্ব দিয়া নহয়। বিয়াৰ দিন-বাৰ জোৰণ হৈ যোৱাৰ পাছত তাইৰ বুকুখন অজান আশংকাত কঁপিছিল। এখন অচিনাকী ঘৰলৈ, অচিনাকী মানুহৰ মাজলৈ তাইক পুতুলাৰ দৰে সজাই লৈ যোৱা হ'ব। সেই ঘৰখনৰ মানুহবোৰৰ আচৰণ, মৰম ভালপোৱা কেনে হ'ব তাই নাজানে। যিজন মানুহৰ লগত তাই একেখন বিচনাত শুব সেই মানুহজনৰ বিষয়েও তাই একো নেজানে। দুধোৰ মোধাৰ অৱস্থাত পৰি তাই এদিন বসন্তক অকলশৰীয়াকৈ পাই মনৰ কথাটো কৈ পেলাইছিল-

ঃ বৰ ভয় লাগিছে বসন্ত ককাইদেউ। ব'লা তুমি মোক ক'ৰবালৈ পলুৱাই লৈ যোৱা।

বসন্তই ভেবা লাগি বহু সময় তাইৰ মুখলৈ চাই আছিল। যিজন মানুহক তাই সকলোতকৈ আপোন বুলি ভাবিছিল সেই মানুহজনেও সেইদিনা এটা অচিন গ্ৰহৰ প্ৰাণীৰ দৰে আচৰণ কৰিছিল। বসন্তৰ বুকুত লুকুৱাই থোৱা মৰম ভালপোৱাবোৰ তাই আজুৰি ল'ব বিচৰা নাছিল। তাৰ উপায়ো নাছিল। তাইৰ দুগালেদি বৈ অহা চকুলো দুধাৰি মচি দি সি তাইক শান্তনা দিছিল...

ঃ ধ্যেৎ পাগলীজনী। কান্দিবলৈ কিনো হ'ল। ছোৱালী হৈছে যেতিয়া কাৰোবাৰ ঘৰৰ বোৱাৰী হ'বই লাগিব। চাবা, সেইখন ঘৰত তুমি বৰ সুখত থাকিবলৈ পাবা।

সেই দিনটোৰ পিছত বসন্তৰ লগত তাইৰ বিশেষ কথা-বতৰা হোৱা নাছিল। দেউতাকে বিয়াৰ সকলো কাম-কাজ বসন্তৰ ওপৰতে জাপি দিছিল। সি নিয়াৰিকৈ সকলোবো কৰি গৈছিল। কামৰ মাজতে তাই কেতিয়াবা বসন্তক দূৰৈৰ পৰা দেখে, অকলশৰে বহি আনমনা হৈ কিবা এটা ভাবি থাকে। তাইৰ বুকুখন ধৰফৰাই উঠে। বিয়াৰ দিনাখন বসন্তক এবাৰ লগ পাবৰ বাবে সোণতৰা ভিতৰি উদ্বাউল হৈ পৰে। তাৰ ছাঁটোকে সেইদিনা কোনেও দেখিবলৈ নাপালে। হোমৰ গুৰিত বহি সোণতৰাৰ চকুজুৰিয়ে মানুহৰ মাজত বসন্তক বিচাৰি ফুৰিছিল। বসন্তই সকলোৰে পৰা আতৰি গৈ সেইদিনা ৰাতি অকলশৰে তৰা ভৰা আকাশলৈ চাই তাৰ চিন্তাৰ সোঁতটো এৰি দিছিল। এইয়েটো জীৱন...। তথাপি ভাবিলে বৰ আপোন আপোন লাগে। নিজৰ কৰি পাব বিচাৰিলেও সি জানে সেইটো সম্ভৱ নহয়। এনেকৈয়ে ঠিক আছে... এনেকৈয়ে। এটা সময়ত ক'ব নোৱাৰাকৈয়ে বসন্তৰ চকুৰেদি দুটোপাল চকুলো বাগৰি আহিছিল।

... ... ...

নতুন ঘৰ এখনত ন-বোৱাৰী ৰূপত সোণতৰা সকলো সময়তে সংকোচিত হৈ থাকিবলগীয়া হৈছিল। যিটো পৰিৱেশত তাই ডাঙৰ হৈছিল তাত কৃত্ৰিমতাৰ কোনো আৱৰণ নাছিল। মৰম ভালপোৱা আত্মিক সম্বন্ধবোৰ স্বতঃস্ফূৰ্ত হ'ব লাগে। ন-বোৱাৰীক সকলোৱে প্ৰশংসাৰে ওপচাই পেলালেও আচলতে তাইৰ ৰূপ, যৌৱন, ধুনীয়া সাজ-পাৰ, দাবী গহণাবোৰেহে প্ৰশংসা বুটলিছিল। প্ৰশংসাৰ মাজত তাই কোনো সতেজতা বিচাৰি পোৱা নাছিল।

ঘটনা প্ৰবাহবোৰ সোণতৰাৰ জীৱনলৈ যেনেকৈয়ে নাহক তাই আদৰি ল'বলৈ চেষ্টা কৰিছিল। তাই বিদ্ৰোহী হ'ব পাৰিলে হয় কিন্তু নাৰীৰ জীৱন পৰিক্ৰমাত সেই বিদ্ৰোহৰ অগনি তেনেই ক্ষন্তেকীয়া। ইচ্ছা অনিচ্ছাক দূৰলৈ দলিয়াই কেৱল এগৰাকী ভাল পত্নী, ভাল বোৱাৰী হ'বলৈ চেষ্টা কৰিছিল।

সামাজিক ৰীতি-নীতিৰে ৰাতুলৰ জীৱনলৈ সোণতৰা পত্নী হৈ আহিছিল। কিন্তু সেই পত্নীৰ মৰ্যাদা ৰাতুলৰ বাবে এগৰাকী বেশ্যাৰ শৰীৰৰ বাদে একো নহয়। মানসিকভাৱে ৰাতুল সোণতৰাৰ পৰা বহু যোজন দূৰৈত। দিন যোৱাৰ লগে লগে সোণতৰাই বুজি উঠিছিল আচলতে তাইক বলিৰ পঠা সজোৱা হ'ল। বিয়াৰ আগৰে পৰাই ৰাতুল বহু নাৰীৰ সৈতে পৰকীয়া প্ৰেমত লিপ্ত। দন্দেশ্বৰ মহাজনে যেতিয়া কনিষ্ঠ পুত্ৰৰ কু-কীৰ্তিবোৰ গম পালে তাক সু পথলৈ ঘূৰাই আনিবৰ বাবে তাৰ বিয়াখন পাতি দিয়াৰ কথা চিন্তা কৰিলে। ৰূপে-গুণে সকলো ফালৰ পৰা জাকত জিলিকা সোণতৰাৰ ওপৰত মহাজনৰ চকু পৰিল। দন্দেশ্বৰ মহাজনে কেৱল নিজৰ ঘৰখনৰ কথা ভাবি পৰিয়ালৰ মান-সন্মান অটুত ৰখাৰ বাবেই এটা সুন্দৰ পৰিকল্পনাৰে সোণতৰাক বোৱাৰী কৰি আনিলে। তাইয়ো যে এগৰাকী তেজ-মঙহৰ মানুহ, তাইৰ আবেগ-অনুভূতিবোৰৰ তাত কোনো ওজন নহ'ল। সকলোৰে অলক্ষিতে সোণতৰাই এতিয়া সহ্য কৰি যাবলগীয়া হৈছে। জীৱনটো দুৰ্বিসহ কৰি তোলা প্ৰতিটো ভয়াবহ ৰাতিৰ তাইৰ শৰীৰটোৰ ওপৰত চলা নিৰ্মম অত্যাচাৰৰ কথা কাৰ আগত কৈ শুনাব...! ? তাই নেজানে কিহৰ উন্মাদনাত এজন পুৰুষৰ ওচৰত এগৰাকী নাৰীয়ে সৰ্বোচ্চ উজাৰি দিব পাৰে...!? পত্নী হৈয়ো সোণতৰাই ৰাতুলৰ ওচৰত সেই উন্মাদনা অনুভৱ কৰিব পৰা নাই। ৰাতুলে তাইৰ শৰীৰটোৰ ওপৰত অত্যাচাৰ কৰে। আবেগ অনুভূতিহীন এডাল পচা কাঠৰ দৰে সি ভাগৰি নপৰালৈকে তাই সহ্য কৰি থাকে।

.... .... ....

মানুহৰ জীৱনৰ বহু পৰিঘটনা কেৱল নিজৰ মাজতে আৱদ্ধ হৈয়ে থাকি যায়। সোণতৰাই কাকো মুখ খুলি কব নোৱাৰে তাইৰ মনৰ কথা। অকলশৰীয়া মুহূৰ্তবোৰত পুৰণি কথাবোৰে তাইক কেতিয়াবা আমনি কৰে। বসন্তৰ কথা ভাবিলে তাইৰ বুকুখন ধৰফৰাই উঠে। তাইৰ বিয়াৰ পিছতেই বসন্তই গাঁও এৰি ক'ৰবালৈ গুছি গৈছিল। বহু দিনৰ পিছত তাই খবৰ পাইছিল সি আৰ্মিত ভৰ্তি হৈছে। তাইৰ ভাল লাগিছিল খবৰটো পায়। যি কি নহওঁক তাৰ এটা গতি লাগিছে। মোমায়েকৰ ঘৰত থাকি আনৰ ওপৰত ভৰসা কৰি তাৰ জীৱনটো নচলে।

সময়বোৰ পাৰ হৈ গৈ থাকিল। জীৱনৰ প্ৰতি থাকিবলগীয়াৰ সকলো মায়া মোহ আশা-আকাংক্ষা দিনে দিনে সোণতৰাৰ নোহোৱা হৈ আহিছে। প্ৰচণ্ড ক্ষোভ আৰু বেদনাৰ একুৰা জুইয়ে অনবৰতে তাইৰ বুকুখন দহি থাকে। তাই জানে গোটেই জীৱনটো তাই এনেকৈয়ে পাৰ কৰিব লাগিব। সকলো পাহৰি তাই সুখী হ'ব নোৱাৰে। ৰাতুলৰ সৈতে গঢ়ি উঠা সংসাৰখন সকলোৰে দৃষ্টিত বৰ সুন্দৰ যেন লাগে। কোনেওটো নেজানে সোণতৰাৰ মনৰ কথা। ৰাতুলে ৰাতিপুৱাই ওলাই যায়, ঘৰ সোমায়হি ৰাতি দুপৰত। দিনটো তাইৰ বিশেষ কামো নাথাকে। ঘৰৰ আগফালে থকা ধুনীয়া ফুলনিখনত অকলশৰে কেতিয়াবা ঘণ্টাৰ পিছত ঘণ্টা সময় পাৰ কৰি দিয়ে।

বেমাৰৰ খবৰটো পায় সোণতৰাই খৰধৰকৈ দেউতাকৰ ওচৰলৈ দৌৰি আহে। ঘৰখনৰ অৱস্থাটো দেখি তাইৰ মনটো সেমেকি যায়। চোতালখন শেলুৱৈয়ে ধৰিছে, বহুদিন সৰা মোচা কৰা নাই। বেৰৰ মাটিবোৰ ঠাইয়ে ঠাইয়ে এৰিছে। চালখনো





ক'ৰবাত ক'ৰবাত উৰখিছে। চোতালতে বহি দেউতাকে পুৱাৰ ৰ'দজাক গাত লৈ বহি আছিল। তেওঁ বহুত দুৰ্বল হৈ পৰিছে। ওলাই আহিব খোজা চকুপানীখিনি জোৰেৰে বাধা দি তাই দেউতাকৰ ওচৰতে পীৰা এখন পাৰি বহে। তাই অহা গম পাই ভিতৰৰ পৰা মাক আৰু ভাইটি দুটা দৌৰি ওলাই আহে। শুকান মুখকেইখনত উজলি উঠা হাঁহিকেইটা দেখি তাই নিজকে ধৰি ৰাখিব নোৱাৰি দেউতাকৰ আঁঠুত মুখ গুজি হুকহুকাই কান্দি দিয়ে।

তাইক থবলৈ অহা ড্ৰাইভাৰজনে গাড়ীৰ পৰা বস্তুবোৰ নমাই আনি মাকৰ হাতত দিয়ে। মাকে এইবোৰ কিয় আনিব লাগে বুলি মুখ ফুটাই ক'লেও ভিতৰি ভিতৰি এটা আনন্দৰ ভাৱ। চাহ-জলপান খোৱাই ড্ৰাইভাৰজনক বিদায় দি সোণতৰাই মাকৰ সৈতে জুইশালত বহে। ভাইটি দুটাই পুখুৰীত মাছ ধৰিবৰ কাৰণে জালখন লৈ ওলাই যায়।

দুগৰাকী ভিন্ন বয়সীয়া মহিলা, সম্বন্ধত মাক-জীয়েক হ'লেও দুয়ো এতিয়া দুখন ঘৰৰ গৃহিনী। দুয়ো জীৱনটোক দুটা ভিন্ন দৃষ্টিৰে লক্ষ্য কৰিছে। সুখ-দুখ, পোৱা-নোপোৱাৰ মাজত হেপাহৰ বহু কথাই দুয়োৰে বুকুত লুকাই আছে। সোণতৰাই মাকৰ জীৱনটো আঁৰ বেৰ নোহোৱাকৈ দেখিছে। অভাৱ-অনাটনৰ মাজতো মাকৰ মুখত প্ৰাপ্তিৰ গভীৰ প্ৰশান্তিৰ ভাৱ এটা সদায়ে লাগি থাকে। তাইৰ একো অভাৱ নাই তথাপি বুকুৰ কোনোবাখিনিত এটা বিৰাট শূণ্য। কাকো কব নোৱাৰা কথাবোৰ তাই মাককো জানিবলৈ নিদিয়ে। আনৰ মুখত হাঁহি বিৰিঙাবলৈ তাই এতিয়া অভিনয় কৰে। নিজক হত্যা কৰি আনৰ সুখ-শান্তিৰ কথা চিন্তা কৰিবলগীয়া হয়। এয়াই আমাৰ সমাজ ব্যৱস্থা। নাৰীক গঢ়ি তোলা হয় আদৰ্শৰ পথেৰে খোজ কাঢ়িবলৈ। চকুৰ আগত চলি থকা ভণ্ডামিবোৰ দেখিয়ো প্ৰতিবাদ কৰিব নোৱাৰা অৱদমিত ক্ষোভ বেদনাই যুগে যুগে নাৰীৰ বুকুত স্তব্ধ হৈ থাকি যায় নিৰবে...!

◆◆



ইন্দু মালহোত্ৰা ঃ ভাৰতৰ উচ্চতম ন্যায়ালয়ত বিচাৰপতি হিচাপে নিযুক্তি লাভ কৰা প্ৰথম মহিলা আইনজীৱী।

# Women in Science and Technology and Innovation System

□ Dr. Minakshi Chamua
Asstt. Professor, Deptt. of Physics
Tinsukia College

This article shows a data on women in science at the Indian national level. The data is shown in the tabular form and the sources of data are written below each table. This article presents a quantitative analysis of the status of Indian women in science and technology and innovation systems.

Table 1 shows the number of Women Studying Science and Engineering at Tertiary Level. The percentage of girls moving into under graduate and post graduate levels has been increasing over the years and is reflected in Table 1. Enrolment of girls in various disciplines is shown in Table 2 and Table 3. Total enrolment in 2009-10 is 41.6 per cent women students, with the highest representation in arts at 45.66 per cent; science – 19.98; and commerce – 15.91. The number of colleges for women has also increased significantly over the years. Table 4 shows a 62% increase in women's college from 2000 to 2009.

Table 1 Enrolment and number of girls in higher education

| Year | Total (Boys and Girls) | Girls only | % Girls |
|---|---|---|---|
| 2000-01 | 8399443 | 3306410 | 39.4 |
| 2001-02 | 8964680 | 3571656 | 39.8 |
| 2002-03 | 9516773 | 3811691 | 40.1 |
| 2003-04 | 10011645 | 4026187 | 40.2 |
| 2004-05 | 10542262 | 4259072 | 40.4 |
| 2005-06 | 11137627 | 4510738 | 40.5 |
| 2006-07 | 11887095 | 4820216 | 40.6 |
| 2007-08 | 12727082 | 5167192 | 40.6 |
| 2008-09 | 13641808 | 5649102 | 41.4 |

Source: University Grants Commission, New Delhi

Table 2 Trend in enrolment of females (per hundred males) by university education in major disciplines of education, India, 1991 to 2006-07

| Year | Arts | Science | Commerce | Education | Engineering/Tech. | Medicine |
|---|---|---|---|---|---|---|
| 1991-92 | 65.3 | 45.7 | 33.8 | 83.0 | 9.5 | 53.3 |
| 1992-93 | 64.7 | 48.0 | 35.9 | 78.0 | 11.9 | 52.4 |
| 1993-94 | 64.7 | 49.1 | 36.5 | 80.5 | 12.5 | 57.5 |
| 1994-95 | 66.7 | 49.8 | 39.5 | 76.0 | 15.1 | 51.2 |
| 1995-96 | 71.8 | 54.9 | 41.6 | 70.0 | 16.6 | 52.7 |
| 1996-97 | 71.2 | 53.4 | 41.4 | 76.0 | 17.4 | 54.8 |
| 1997-98 | 71.1 | 55.4 | 44.0 | 76.0 | 20.3 | 56.5 |
| 1998-99 | 81.0 | 55.3 | 46.1 | 74.0 | 24.2 | 62.1 |
| 1999-00 | 81.3 | 60.0 | 50.7 | 74.2 | 28.3 | 61.0 |
| 2000-01 | 81.4 | 61.4 | 52.3 | 74.8 | 28.7 | 68.2 |
| 2001-02 | 78.0 | 64.2 | 63.1 | 76.9 | 33.1 | 68.4 |
| 2002-03 | 83.7 | 75.7 | 50.5 | 108.5 | 29.2 | 71.2 |
| 2004-05 | 79.0 | 65.9 | 57.3 | 78.1 | 31.1 | 53.1 |
| 2005-06 | 77.7 | 71.2 | 65.2 | 83.7 | 36.1 | 90.1* |
| 2006-07(P) | 76.9 | 71.2 | 60.9 | 81.5 | 35.8 | 89.5* |





Source : Department of Education, Ministry of Human Resource Development; Notes : Arts and science figures are combined for the years 1955-56, 1960-61 and 1965-66; 1. Excludes dentistry, public health, nursing, midwifery & pharmacy P:Provisional
*: includes dentistry, nursing, pharmacy, Ayurvedic and Unani

Table 3 Percent of female enrolment by university education in major disciplines of education, India 2008-2011*

| Number | Faculty | 2008-2009 | 2009-2010 | 2010-2011 |
|---|---|---|---|---|
| 1 | Arts | 50.99 | 49.08 | 45.66 |
| 2 | Science | 20.18 | 19.99 | 19.98 |
| 3 | Commerce/Management | 16.47 | 16.21 | 15.91 |
| 4 | Education | 1.85 | 3.20 | 3.70 |
| 5 | Engineering/Technology | 4.17 | 4.90 | 7.69 |
| 6 | Medicine | 3.65 | 3.59 | 3.86 |
| 7 | Agriculture | 0.24 | 0.27 | 0.27 |
| 8 | Veterinary | 0.08 | 0.08 | 0.07 |
| 9 | Law | 1.64 | 1.58 | 1.39 |
| 10 | Others | 0.73 | 1.10 | 1.47 |
| | Total | 100 | 100 | 100.00 |

Source: University Grants Commission, New Delhi Annual reports for the respective years

Table 4 Number of colleges for girls for higher education 2000-2010

| 2000-01 | 2001-02 | 2002-03 | 2003-04 | 2004-05 | 2005-06 | 2006-07 | 2007-08 | 2008-09 |
|---|---|---|---|---|---|---|---|---|
| 1578 | 1756 | 1824 | 1871 | 1977 | 2071 | 2208 | 2360 | 2565 |

Source: University Grants Commission, New Delhi

Shares of women scientists and engineers; level of employment; type of employment

As of April 2005, there were 61,050 women employed in R&D, which works out to 15.6 per cent of the labour force employed in the country. Out of this 19,707 were performing R&D activities which works out to be 12.7 per cent of the total personnel performing R&D activities (R&D Statistics 2007-08). Tables 6 – 8 provide data on the levels of employment in key S&T institutions at the national level and composition in the science academies.

Table 6 Proportion of senior and junior female faculty in central universities

| University | Department & Division included | Faculty | | | Professors | | | Other | | |
|---|---|---|---|---|---|---|---|---|---|---|
| | | Total | Men(%) | Women (%) | Total | Men(%) | Women (%) | Total | Men(%) | Women (%) |
| IISc | Div of Biology | 63 | 51 | 12(19.0) | 31 | 26 | 5(16.1) | 32 | 25 | 7(21.8) |
| JNU | School of life Science/Environmental Science/Centre for Biotechnology | 50 | 39 | 11(22.0) | 30 | 24 | 6(20.0) | 20 | 15 | 5(25.0) |
| DU | Botany, Zoology, Biochem, Genetics, Plant Molecular Biology, Maths, Environmental Science | 63 | 57 | 6(9.5) | 31 | 31 | 0(0.0) | 32 | 26 | 6(18.8) |
| UH | Biochemistry, Physical Sciences and Animal Sciences | 29 | 24 | 5(17.7) | 17 | 16 | 1(5.9) | 12 | 8 | 4(33.3) |

Source: women in life sciences, Biotech News, Vol IV, No 5 Oct 2009, Department of Biotechnology, Ministry of Government of India IISc – Indian Institute of Science; JNU- Jawarharlal Nehru University; DU – Delhi University; UN – University of Hyderabad

Table 7 Proportion of senior and junior female faculty members in national institutions funded by government

| Funding Agency | Institute | Faculty | | | Senior | | | Junior | | |
|---|---|---|---|---|---|---|---|---|---|---|
| | | Total | Men % | Female % | Total | Men % | Female % | Total | Male % | Female % |
| CSIR | Central Drug Research Institute | 193 | 147 | 46(23.8) | 67 | 50 | 17(25.3) | 126 | 97 | 29(23.0) |
| CSIR | Centre for Cellular & Molecular Biology | 70 | 48 | 22(31.4) | 13 | 12 | 1(7.7) | 57 | 36 | 21(36.8) |
| DAE | Advanced Centre for Treatment, Research and Education | 33 | 15 | 18(54.5) | 8 | 4 | 4(50.0) | 25 | 11 | 14(56.0) |
| DBT | National Institute of Immunology | 38 | 29 | 9(23.7) | 22 | 18 | 4(18.2) | 16 | 11 | 5(31.2) |
| DBT | National centre for Cell Sciences | 25 | 20 | 5(20.0) | 5 | 4 | 1(20.0) | 20 | 16 | 4(20.0) |
| DST | Agharkar Institute | 39 | 27 | 12(30.8) | 0 | 0 | 0 | 0 | 0 | |
| ICMR | National Institute of Nutrition | 48 | 33 | 15 | 13 | 10 | 3(23.1) | 35 | 23 | 12 |
| ICMR | National Institute for Cholera and Enteric Diseases | 33 | 26 | 7(21.2) | 13 | 11 | 2(15.4) | 20 | 15 | 5(25.0) |





Source: CSIR: Council of Scientific and Industrial Research; DAE: Department of Atomic Energy; DBT: Department of Biotechnology; DST: Department of Science and Technology; ICMR: Indian Council of Medical Research Source: Women in ife sciences, Biotech News, Vol IV, No 5 Oct 2009, Department of Biotechnology, Ministry of Government of India

Table 8 Representation of women as Fellows of national academies

| | Male(%) | Female (%) |
|---|---|---|
| Members appointed during 1994-2004 | | 17 (6.7) |
| Members in all disciplines | 236 (93.3) | 8 (12.3) |
| Members in plant, animal and general biology sections | 57 (87.7) | |

Source: Women in life sciences, Biotech News, Vol IV, No 5 Oct 2009, Department of Biotechnology, Ministry of Government of India

Share of Women Researchers

Female researchers as a percentage of total researchers in 2005: 14.8 per cent, 2000: 12 per cent (UNESCO Institute for Statistics – Women in Science Aug 2010).

Comparative Rates and Trends of Publication

While disaggregated data are not available as part of the national data set, some research indicates trends over the past decade:

Table 9 Research output of high quality from Indian woman scientists over the past decade

| | Publications in journals with ≥5 from India (Jan 1994- Apr 2004) | Men | Women |
|---|---|---|---|
| Total Number | 669 | 572 | 97 |
| Proportion (%) | 100 | 85.5 | 14.5 |

Source: Women in life sciences, Biotech News, Vol IV, No 5 Oct 2009, Department of Biotechnology, Ministry of Government of India

From the above tables it is clear that in India the enrollment of women in various disciplines of science in the undergraduate and post graduate level is quite good but the number of women faculty members in various university science departments and Govt. aided National Institutions are very low. The number of high quality research papers from Indian woman scientists are also very poor. Thus number of women in STI sector of India are alarmingly low. Indian women remain severely underrepresented in engineering, physics, chemistry and computer science. Women have lower level of access to productive resources necessary to support active engagement in knowledge. There are social and political factors also. Analysis of the factors behind Indian women's poor representation in the STI sector is kept open for future discussion.

# নাৰী মাথোঁ এটি শব্দই নহয়

□ পল্লৱী দত্ত
অসমীয়া বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

"A woman is like a tea bag. You cant tell how strong she is until you put her in hot water."

এই উক্তিৰ দৰেই নাৰী যুগে যুগে শক্তি আৰু উৰ্বৰতাৰ প্ৰতীক ৰূপেই বৰ্ণিত, বন্দিত হৈ আহিছে। 'নাৰী' শব্দটো পৃথিৱীৰ আটাইতকৈ কোমল আৰু মমতাময়ী শব্দ। নাৰী কেতিয়াবা কেশৱ মহন্তৰ 'সোণজিৰা মাহী', কেতিয়াবা হেম বৰুৱাৰ 'মমতা', কেতিয়াবা আকৌ নৱকান্ত বৰুৱাৰ 'অৰুন্ধতী'। নাৰী কোনো সময়ত লজ্জা আৰু কাৰুণ্যৰে ভৰা লাজুকীলতা, একেই নাৰী শত জীৱনক ছাঁ দিয়া বিশাল বটবৃক্ষ।

**নাৰীৰ বিচিত্ৰ জীৱনৰ কেইটামান খণ্ডচিত্ৰ ঃ**

১। বাগানৰ পাত তোলা বনুৱা তাই। দিনৰ দিনটো কাম কৰি অৱশ হোৱা ভাগৰুৱা শৰীৰ এটা তাই। সীমাহীন সেউজীয়াৰ মাজত থাকিও ভাগৰি পৰে তাই। কেতিয়াবা মালিকে চাহ-বিস্কুট পঠায়। ভোকে কলমলাই থাকিলেও বিস্কুটটো নাখাই তাই। ৰঙা শাৰীৰ আঁচলত বান্ধি লৈ আহে। বাগানৰ শিৰিষৰ তলত তাইৰ চাৰি বছৰীয়া ল'ৰাটো ধূলি বালিৰে লেটি লৈ থাকে। বিস্কুটটো তাক দিয়ে। মুখৰ ধূলিখিনিও শৰীৰৰ আঁচলেৰে মচি দিয়ে। ল'ৰাটোৰ হাঁহিখিনিয়েই তাইৰ বুকুৰ সেউজীয়াখিনি জীয়াই ৰাখে। এইয়াই নাৰীৰ মমতা আৰু কাৰুণ্যৰ অন্য নাম।

২। দিন হাজিৰা কৰা মানুহজনৰ সাদৰী মানুহজনী তেওঁ। ধন কম, প্ৰয়োজন বেছি। তথাপি সুখী দুয়োজন। দুবেলা দুমুঠি ঠিকেই আহে। ঘৰৰ বাৰীৰ চুকৰ বনশাক কেইডাল, কেতিয়াবা কল পচলা এটুকুৰা দি মানুহজনীয়ে বৰ সোৱাদকৈ ৰান্ধে। কোনোবা সুখৰ দিনত মাছ অকণ আনে। মানুহজনীৰ বোলে মাছ সৰহকৈ খালে পেটে আমনি কৰে। মানুহজনে চকু মুদি সৰুকৈ হাঁহে সুখত। সকলো বুজে তেওঁ। সেয়ে মানুহজনীয়ে নেদেখাকৈ তাইৰ কাঁহীত গুজি দিয়ে টুকুৰা এটা। আৰু তেতিয়া মাগুৰ বৰণীয়া মানুহজনীৰ সাদৰী মুখখনতো সুখৰ হাঁহিটো বিয়পি পৰে। ঘৰখন প্ৰকৃততে ঘৰ হোৱাৰ মূলতেইতো নাৰী।

৩। প্ৰাথমিক বিদ্যালয়ৰ শিক্ষয়িত্ৰী তেওঁ। দিনটো কণমানি ছাত্ৰ-ছাত্ৰীৰ মাজত পাৰ হয়। পাহৰি থাকে সকলো চিন্তা, দুখ। কিন্তু ঘৰ আহি পালেই দুখবোৰে যেন হেঁচা মাৰি ধৰে। মুহূৰ্তৰ দুৰ্ঘটনাত অকলে অকলে তেওঁক এৰি গুচি যোৱা গিৰীয়েকৰ প্ৰতি এবুকু অভিমানে ভৰ কৰেহি। আজি তেওঁলোকৰ বিবাহ-বাৰ্ষিকী আছিল। কিমান যে গালি খাইছিল মানুহজনে। কেতিয়াও মনত নাথাকিছিল তাৰিখটো তেওঁৰ। গালি খায়ো মিঠা চাৱনি এটাৰে চাই থাকিছিল তেওঁ। আয়নাৰ সন্মুখত বহি নিজকে চালে মানুহগৰাকীয়ে। চুলিখিনিত ৰূপালী ৰহণ লাগিছে। চকুৰ কাষত ৰেখা দুডালমান স্পষ্ট হৈছে। "এহ একদম নিজৰ যত্ন নোলোৱা হ'লা নহয় তুমি।" মানুহজনৰ চাৱনিটো আয়নাখনতে যেন লাগি ধৰিল। তেওঁ উঠিল। মানুহজনৰ ভাল লগা কাপোৰযোৰ উলিয়াই ল'লে। সোণালী ৰংবোৰ সিঁচৰতি হৈ পৰিল কোঠাটোত। বুকুটো স্মৃতিৰ সোণালীবোৰ জিলিকি উঠিল। নাৰী তেওঁ... যি ৰূপালী আঁতৰাই সোণালী আঁকোৱালি লোৱাৰ শক্তি আৰু সাহসৰ প্ৰতীক।

নাৰী নিজে নিজৰ শক্তি। নিজে নিজৰ প্ৰেৰণা, নিজে নিজৰ বিশ্বাস। কেতিয়াবা পত্নী ৰূপে, মাতৃ ৰূপে, ভগ্নী ৰূপে আৰু কেতিয়াবা প্ৰেয়সী ৰূপে নাৰীয়ে পৃথিৱীৰ ৰিক্ততা ভৰাই ৰাখে নিজৰ মমত্ব আৰু স্নেহেৰে। যাক কেৱল সীমাহীন আকাশৰ লগতহে তুলনা কৰিব পাৰি। সেয়ে হয়তো নাৰীক 'অৰ্দ্ধ আকাশ' বুলি অভিহিত কৰা হয়। নাৰী শক্তি জাগ্ৰত হ'লে তাক প্ৰতিহত কৰাৰ ক্ষমতা কাৰো নাই। সতী জয়মতী পতিব্ৰতা আৰু সহনশীলতাৰ লগতে ত্যাগৰ এক চূড়ান্ত নিদৰ্শন বুলি জনাজাত যদিও তেওঁ আছিল প্ৰকৃতাৰ্থত এগৰাকী স্বাভিমানী, দেশপ্ৰেমিক নাৰী। মূলাগাভৰু, ঝান্সী ৰাণী লক্ষ্মীবাঈ, কনকলতা আদি নাৰীয়ে স্বমহিমাৰে দেশপ্ৰেমৰ নিদৰ্শন ৰাখি মহিমামণ্ডিত হৈ আছে।

আজিৰ নাৰী পুৰুষতকৈ কোনো গুণে কম নহয়। নাৰী অবলা কিন্তু দুৰ্বলা নহয়। আজিৰ নাৰী পুৰুষৰ সমানেই সাহিত্য-সংস্কৃতি, অভিনয়, ৰাজনীতি, ক্ৰীড়া আদি সকলো ক্ষেত্ৰতে দক্ষতাৰে আগবাঢ়ি গৈছে। আজিৰ নাৰীয়ে পৰ্বতাৰোহন কৰিছে, মহাকাশলৈ গৈছে, বিভিন্ন বিভাগৰ মুৰব্বী হোৱাৰ উপৰিও দেশৰ সৰ্বোচ্চ প্ৰশাসনিক পদতো অধিষ্ঠিত হ'বলৈ সক্ষম হৈছে। নাৰী পুৰুষৰ মাজত দৈহিক গঠনৰ বাদে কোনো পাৰ্থক্য নাই। প্ৰতিগৰাকী নাৰীৰ মাজতে নিহিত হৈ আছে বিশাল প্ৰতিভাৰ ভাণ্ডাৰ। এই প্ৰতিভা বিকশিত হ'বৰ বাবে লাগে মাথোঁ উপযুক্ত পৰিস্থিতি, পৰিবেশ আৰু সমমৰ্মিতা। নিজৰ সকলো প্ৰতিকূল পৰিস্থিতি সাহসেৰে সন্মুখীন হোৱা প্ৰতিগৰাকী নাৰীৰ সাহস, শক্তি আৰু বিশ্বাসক আমাৰ সশ্ৰদ্ধ প্ৰণাম।

◆◆

# From 'Gaokor' to ' Chaupadi'

□ অনুৰাগ পল্লৱী
ৰসায়ন বিভাগ
তিনিচুকীয়া মহাবিদ্যালয়

১০ জানুৱাৰী, ২০১৯

বাতৰিটো ঠিক এনেকুৱা A woman and her two sons suffocated death in a windowless shed to which they were banished in the latest tragedy linked to the illegal practice of 'Chaoupadi' whereby women in Nepal were forced to sleep in 'period huts'. Police said, Amba Bohara, 35 had spent four days in the cowshed with her son Ramit, 9 and Suresh, 12, when father in law discovered their bodies on Wednesday morning.

একবস্ত্ৰে থকা ৰজঃস্বলা পাঞ্চালীৰ বস্ত্ৰহৰণ কৰা দুঃশাসনৰ ৰক্তৰে নিজৰ চুলি নোধোৱালৈকে চুলি মেলি থকাৰ প্ৰতিজ্ঞা কৰাৰ দৃঢ় মানসিকতা আৰু মনোবল থকা মহিয়সী নাৰী, দ্ৰুপদ ৰজাৰ প্ৰাণৰ পুতলা দ্ৰৌপদীও তেনে অস্পৃশ্য আছিল ঋতুমতী অৱস্থাত? প্ৰশ্ন হয় এয়া তেওঁৰ নিজৰ ইচ্ছা আছিল নে সামাজিক বিধি? অস্পৃশ্যতাৰ প্ৰশ্ন এইকাৰণেই কৰিছো; কাৰণ যিসময়ত পঞ্চ পাণ্ডৱে পাঞ্চালীৰ অজ্ঞাতেই তেওঁক জুৱাত হাৰিছিল, তেতিয়া দ্ৰৌপদী ৰজঃস্বলা হোৱাৰ হেতু ৰাজহাউলীৰ পৰা নিলগত বিশ্ৰামগৃহত আছিল। যদি সেই বিশ্ৰামগৃহৰ আধাৰ আৰু নেপালত প্ৰচলিত শিৰোনামত থকা 'চৌপাড়ী'ৰ আধাৰ একে হয়, তেন্তে মোৰ নিজৰ একবিংশ শতিকাৰ নাৰী হিচাপে আছে তেনে সামাজিক ৰীতি-নীতিৰ প্ৰতি প্ৰচণ্ড অভিযোগ। মাতৃত্ব যদি নাৰীৰ সৰ্বশ্ৰেষ্ঠ প্ৰাপ্তি হয়, তেন্তে কিহৰ তাগিদাত ৰজঃস্বলা অৱস্থাত নাৰী অস্পৃশ্যতাৰ শাৰীলৈ অৱনমিত হয়? প্ৰশ্ন হয় বিৱৰ্তনৰ কোন সময়ত এনে প্ৰথাৰ প্ৰচলন হয় আৰু এই প্ৰথাৰ প্ৰচলনত অগ্ৰাধিকাৰ লোৱাসকল পুৰুষ আছিল নে নাৰী? মাহেকীয়া অৱস্থাত নাৰীক নিলগাই ৰখাৰ সপক্ষত পোৱা সৰ্বশ্ৰেষ্ঠ যুক্তি সংগত ব্যাখ্যা এটাই বিচাৰি পাইছিলো। সেয়া হৈছে এই যে, বিৱৰ্তনৰ প্ৰাৰম্ভিক কালত মানুহ চিকাৰীজীৱী প্ৰাণী আছিল আৰু জংঘলত বসবাস কৰিছিল। তাৰ ফলত কেঁচা তেজৰ গোন্ধ পালে মাংসভোজী বনৰীয়া প্ৰাণীয়ে মানুহৰ গোটসমূহক আক্ৰমণ কৰাৰ

সম্ভাৱনা প্ৰচুৰ আছিল। তেনে সম্ভাৱনাৰ পৰিপ্ৰেক্ষিতত ৰজঃস্বলা অৱস্থাত গোটৰ মহিলাসকলক সুৰক্ষিত কৰি ৰাখিবলৈ তেনে জন্তুৰ পৰা নিলগাই ৰখাটো আছিল সবাতোকৈ জৰুৰী কথা। কাজেই এই কথা সহজেই বোধগম্য যে তেনে অৱস্থাত নাৰীসকলক চিকাৰ কাৰ্যৰ পৰা বিৰত ৰখা হৈছিল। আৰু বোধহয় এই কথাত কাৰো দ্বিমত থাকিব নোৱাৰে যে সেই বিশেষ সময়খিনিত নাৰীসকলক অধিক সুৰক্ষা প্ৰদানৰ বাবে গোটসমূহৰ সোঁমাজত ৰাখি প্ৰতিৰক্ষা প্ৰদান কৰা হৈছিল। অন্যথা মাতৃত্বৰ অৰ্হতা সম্পন্ন নাৰী নিশ্চয়কৈ কোনো বনৰীয়া মাংসভোজী প্ৰাণীৰ ভোজন হ'লহেঁতেন; আৰু সমগ্ৰ মানৱ সভ্যতাই ধৰাৰ পৰা বিলোপ পালেহেঁতেন। এতিয়া প্ৰশ্ন হয় যিখিনি সময়ত নাৰীক বোধহয় সৰ্বতোপ্ৰকাৰে যত্ন সহকাৰে সুৰক্ষিত কৰি ৰখাৰ প্ৰয়াস কৰা হৈছিল, ঠিক সেই সময়খিনিতেই কিহৰ প্ৰৰোচনাই নাৰীৰ সামাজিক স্থান ইমান অৱনমিত কৰিলে যে নাৰী সুৰক্ষিত ঘৰৰ চাৰিবেৰৰ মাজৰ পৰা বৰ্জিতা হৈ গোহালীসদৃশ ঘৰত উশাহ ল'ব নোৱাৰি মৃত্যুমুখত পৰিব লগা হ'ল। নেপালৰ ঘটনাটোৰ অন্য এটা দিশ কিন্তু মন কৰিবলগীয়া যে মহিলাগৰাকীৰ লগতে তেওঁৰ দুই পুত্ৰৰো মৃত্যু হৈছে সেই একেটা 'চৌপাড়ী'ত। অৰ্থাৎ মাহেকীয়া হোৱাৰ হেতু তেওঁক ঘৰৰ পৰা নিলগাই চৌপাড়ীত থাকিবলৈ বাধ্য কৰাৰ সময়ছোৱাতো সন্তানৰ দায়িত্বৰ পৰা তেওঁ মুক্ত হোৱা নাছিল। ধিক্ সেই নিয়ম, ধিক্কাৰ তেনে সমাজ ব্যৱস্থা! অৱশ্যে ইয়াত এই কথাটোও উনুকিয়াই যোৱা উচিত যে 'চৌপাড়ী' ব্যৱস্থাটো কেতিয়াবাই বেআইনী বুলি ঘোষণা কৰা হৈছে নেপালৰ হিন্দুসকলৰ মাজত। কিন্তু সমাজ নিজৰ দ্বাৰা গঢ়ি লোৱা কিছুমান আদৰ্শত চলে; য'ত আইন-কানুনৰ কোনো কথাই দৰাচলতে নৰজে। আৰু যাৰ বাবে সমাজখনক বৈজ্ঞানিক দৃষ্টিভংগীৰ সতে চিনাকি কৰি দিয়াৰ বাহিৰে অন্য কোনো গত্যন্তৰ নাই। কেৱল বাৰু আমাৰ চুবুৰীয়া ৰাজ্য নেপালৰ প্ৰতিচ্ছবিখনেই এনেকুৱা নেকি? আহক আমাৰ সমাজখনত চকু ফুৰাই চাওঁ এবাৰ।

অসমৰ কিছুমান সম্প্ৰদায়ৰ লোকে প্ৰথমবাৰ ঋতুমতী হোৱাত ছোৱালীৰ তোলনী বিয়া' তোলে। তেনে বিয়াত কৰা আচাৰ-অনুষ্ঠানবোৰৰ মাজত উৰ্বৰতাৰ প্ৰতীকৰূপে কিছুমান অনুষ্ঠান পালন কৰা হয়। মোৰ সেই অনুষ্ঠানসমূহৰ প্ৰতি কোনো আপত্তি নাই। কিন্তু এজনী সৰু ছোৱালীক, তাই একো বুজি নোপোৱাকৈয়ে লোকাচাৰৰ নামত যি মানসিক আৰু শাৰীৰিক কষ্ট দিয়া হয়; তাক মই কেতিয়াও মানি ল'ব নোৱাৰোঁ। ছোৱালীজনীৰ সতে নতুনকৈ হোৱা পৰিবৰ্তনসমূহৰ বিধিসন্মত বৈজ্ঞানিক ব্যাখ্যা নকৰি, তাইক কিছুমান কথা 'পায়' আৰু 'নাপায়' বুলি বুজাই দিয়া হয়। সেই মানসিক পীড়া কেনে হয়, সেয়া এজনী যুক্তিবাদী ছোৱালীৰ মনেহে বুজি পায়। অৱশ্যে এই সন্দৰ্ভত বহুতে ক'ব পাৰে যে সেই বয়সত বহুবোৰ কথা বুজাই ক'ব পৰা নাযায়। কিন্তু এইখিনিতে আমি এটা কথা মনত ৰাখিব লাগিব যে, চৌপাশৰ যি পৰিৱেশত বৰ্তমান আমাৰ ল'ৰা-ছোৱালীবোৰ ডাঙৰ হৈছে আৰু আমি তেওঁলোকক কৌশলতাৰে 'good touch' 'bad touch' আদিবোৰ বুজাব লগা হৈছে তাৰ তুলনাত ঋতুমতী সৰু ছোৱালী এজনীক সেই সত্যখিনি বুজাই দিয়া কথাটো তেনেই নগন্য। তাকে নকৰি এইটো কৰিব পায় বা নাপায়, লাগে বা নালাগে বুলি আমি শিকাই বুজাই আমি ছাগৈ উটপক্ষীৰ দৰে ব্যৱহাৰ কৰিছো; যি বিপদ সমাগত বুলি জানি বালিত নিজৰ মূৰটো লুকুৱাই ভাবে বিপদ শাম কাটিল। অসমৰ বহুকেইটা

সম্প্ৰদায়ৰ মাজত এই পায় নেপায় আদিৰ খেলাখন কেৱল তোলনী বিয়াতে সীমাৱদ্ধ নাথাকি প্ৰতিটো মাহতে ছোৱালীজনীৰ মাহেকীয়া হোৱাৰ দিনকেইটাত খেলা হয়। মাহেকীয়া হোৱা অৱস্থাত আচাৰৰ বটলৰ পৰা আৰম্ভ কৰি ভগৱানৰ বিগ্ৰহলৈকে চুব নাপায়। তেনে অৱস্থাত স্পৰ্শ কৰিলে আচাৰ বেয়া হৈ যায় বুলি কোনো কোনোৱে কোৱা শুনো। অইনহে নালাগে বহু মানুহৰ ঘৰত ছোৱালীজনী আচুতীয়াকৈ বহা-মেলা কৰে আৰু তাইক শুবলৈ দিয়া বিচনাখনো আচুতীয়া হয়। সামাজিক আচৰণ বিধি আৰু মাংগলিক কাম-কাজৰ পৰাও মহিলাগৰাকীক বিৰত ৰখা হয়। ঠিক এনেবোৰ পৰিয়ালতে চাৰি বছৰীয়া অকণমানি ল'ৰাটিয়ে যেতিয়া বায়েকৰ সতে খেলিব বিচাৰে, তাক নিচুকোৱা হয় যে বায়েকে মেকুৰী নতু কুকুৰৰ বিষ্ঠা গচকি লেতেৰা হৈ আছে। গতিকে বায়েকৰ সতে খেলাত মানা। কালক্ৰমত ভায়েকেও জানি বুজি উঠে যে মাহেকত এবাৰলৈ বায়েকজনীয়ে বিষ্ঠা গচকি লেতেৰা হৈ থাকে। অথচ এনেবোৰ পৰিয়ালতে দূৰদৰ্শনৰ পৰ্দাত যেতিয়া চেনিটেৰি নেপকিনৰ বিজ্ঞাপন প্ৰচাৰ হয়, পৰিয়ালৰ ইজনে সিজনৰ মুখলৈ নোচোৱাকৈ বহি থাকে! ইয়াতকৈ ডাঙৰ বিড়ম্বনাৰ কথা কিবা হ'ব পাৰেনে বাৰু ! এইখিনিতে বিগত বৰ্ষত মুক্তি লাভ কৰা, অক্ষয় কুমাৰ অভিনীত 'পেড মেন' নামৰ বোলছবিখন এনে কু-সংস্কাৰ ৰোধৰ যে এক অভিনৱ প্ৰয়াস সেয়া সকলোৱে একেমুখে স্বীকাৰ কৰিব লাগিব।

চলিত বৰ্ষত তথ্যচিত্ৰৰ শিতানত অস্কাৰ লাভ কৰা 'Periodic End of Sentence' নামৰ তথ্যচিত্ৰখনৰ নিৰ্দেশক 'ৰাইকা জেহতাবচী' (Rayka Zehatabchi) ৰ মুখেৰে নিগৰা এটা কথা আমাৰ দেশৰ মানুহে অনুভৱ কৰাটো বৰ জৰুৰী। তেওঁ আৰু তেওঁৰ ভগ্নীৰ কৈশোৰ অৱস্থাত যেতিয়াই ঋতুস্ৰাৱ হৈছিল দেউতাকে তেওঁলোকলৈ চক্লেট লৈ আহিছিল। সুদূৰ কেলিফৰ্ণিয়াৰ এই যুৱতীগৰাকীয়ে, যেতিয়া ভাৰতত মাহেকীয়া অৱস্থাত মহিলাৰ প্ৰতি দেখা আচৰণবোৰ দেখিলে, নিজৰ প্ৰতি কৰা পিতৃৰ সেই আচৰণৰ বাবে নিজকে সৌভাগ্যৱতী বুলি গণ্য কৰিছে।

আমি সকলোৱে আচলতে এটা কথা বুজা উচিত যে যিস্থলত পৰিয়ালৰ এজনী ছোৱালী প্ৰাকৃতিক নিয়মত সময়মতে ঋতুমতী নহ'লে পৰিয়ালটোৰ কাৰণে এটা চিন্তাৰ বিষয়, তেনেস্থলত এই প্ৰাকৃতিক পৰিঘটনাটোক প্ৰাকৃতিক নিয়ম বুলিয়েই গ্ৰহণ কৰা উচিত। যদি পুৰুষৰ ডাড়ি-গোঁফ ওলোৱাটোত পুৰুষৰ ওপৰত কোনো পায়-নাপায়ৰ নিয়ম জাপি দিয়া নহয়, নাৰীৰ ক্ষেত্ৰতো কথাবোৰ একেই হোৱাটো উচিত।

